www.epaper.asombarta.in

PRGI REGD. NO. (Title) : ASSASS01389

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

‘নিজৰ মনক নিয়ন্ত্ৰণ কৰিব পাৰিলে আপুনি সমগ্ৰ পৃথিৱী শাসন কৰিব পাৰিব। - এ পি জে আব্দুল কালাম -’

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন ‘অসম বাৰ্তা’ কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - ‘অসম বাৰ্তা’ গোষ্ঠী -

❒ ষষ্ঠ বছৰ ❒ সংখ্যা - ১৬৫ ❒ শনিবাৰ ❒ ২ আগষ্ট, ২০২৫ চন ❒ ১৬ শাওন, ১৯৪৭ শক ❒ VOL - 6 ❒ NO.- 165 ❒ Saturday ❒ 2nd August, 2025 ❒ মূল্য ঃ ১০.০০ টকা ❒ মুঠ পৃষ্ঠা ঃ ৮

মন্ত্ৰীগোটৰ প্ৰতিবেদন আজিকোপতি দাখিল নকৰিলে কেন্দ্ৰীয় চৰকাৰক

# সুদূৰ পৰাহত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিশ্ৰুতি

## আগন্তুক বিধানসভাৰ অধিৱেশনত দাখিল হ'ব মন্ত্ৰীগোটৰ প্ৰতিবেদন; মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতি

জনজাতিকৰণপ্ৰতি আন্তৰিকতাৰ অভাৱ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ!



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ আগষ্ট ঃ** অসমৰ ছয় জনগোষ্ঠী— মৰাণ, মটক, আহোম, কোচ ৰাজবংশী, চুতীয়া, আৰু চাহ জনগোষ্ঠীৰ জনজাতিকৰণৰ দীৰ্ঘদিনীয়া দাবীৰ বিষয়ে ৰাজ্য চৰকাৰৰ নতুন ঘোষণাই পুনৰ আলোচনাৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শুকুৰবাৰে জানিবলৈ দিছে যে অহা অক্টোবৰ-নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া বিধানসভাৰ অধিৱেশনত মন্ত্ৰীগোটৰ প্ৰতিবেদন দাখিল কৰা হ'ব, ▸▸৬ পৃষ্ঠাত

## জগদীপ ধনখড়ৰ উত্তৰসূৰী হ'ব কোন?




# ৯ ছেপ্টেম্বৰত উপ ৰাষ্ট্ৰপতিৰ নিৰ্বাচন ঘোষণা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ আগষ্ট ঃ** ভাৰতৰ পঞ্চদশ উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে প্ৰস্তুতি আৰম্ভ হৈছে। প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ ২১ জুলাইত আকস্মিক ▸▸৬ পৃষ্ঠাত

## কাজিৰঙাৰ এনিমেল কৰিডৰত বনৰীয়া ম'হৰ মৃত্যু, চালক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, কাজিৰঙা, ১ আগষ্ট ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু কাৰ্বি আংলং পাহাৰৰ মাজত সংযোগ স্থাপনকাৰী ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ▸▸৬ পৃষ্ঠাত




৫ আগষ্টত হ'ব লাগিব হাজিৰ

## অনিল আম্বানীলৈ ইডিৰ চমন

**অনলাইন বাৰ্তা, অসম বাৰ্তা, ১ আগষ্ট ঃ** ৰিলায়েন্স গ্ৰুপৰ অধ্যক্ষ অনিল আম্বাণী আৰু তেওঁৰ ৰিলায়েন্স গ্ৰুপৰ বিপদ ক্ৰমাগতভাৱে বৃদ্ধি পাই ছে। অনিল আম্বাণীক ইডিয়ে চমন ▸▸৬ পৃষ্ঠাত

উৰিয়ামঘাট, পাইকানৰ দৰে কোনো উচ্ছেদৰ পৰিকল্পনা নাই ঃ মুখ্যমন্ত্ৰী

# আদানিৰ দৰে পুঁজিপতিৰ পৰা খিলঞ্জীয়াৰ ভূমি ৰক্ষাৰ বাবেহে কৰা হ'ব ভূমি অধিগ্ৰহণ

**অসম বাৰ্তা, গুৱাহাটী, ১ আগষ্ট ঃ** গুৱাহাটীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ সমীপৰ ভূমি অধিগ্ৰহণৰ বিষয়ে উত্থাপিত বিতৰ্কৰ জৱাবত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰিছে যে এই ভূমি কোনো আদানি গোষ্ঠী বা অন্য কোনো ব্যক্তিগত প্ৰতিষ্ঠানৰ বাবে অধিগ্ৰহণ কৰা হোৱা নাই। শুকুৰবাৰে দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত এক সংবাদমেলত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে ৰাজ্য চৰকাৰৰ স্থিতি স্পষ্টভাৱে ব্যক্ত কৰে। মুখ্যমন্ত্ৰীয়ে জনায়, ▸▸৬ পৃষ্ঠাত




## নন্দিনী কাশ্যপৰ বাহনত ‘প্ৰেছ’ ষ্টিকাৰ! তদন্তৰ নিৰ্দেশ পীযুষ হাজৰীকাৰ

**অসম বাৰ্তা, গুৱাহাটী, ১ আগষ্ট ঃ** বিতৰ্কিত অভিনেত্ৰী নন্দিনী কাশ্যপৰ বাহনত ‘প্ৰেছ’ ষ্টিকাৰৰ বিষয়ে ৰাজ্যজুৰি চৰ্চাৰ মাজত তথ্য আৰু জনসংযোগ মন্ত্ৰী পীযুষ হাজৰীকাই তদন্তৰ নিৰ্দেশ দিছে। শুকুৰবাৰে বেতকুছিৰ দক্ষতা বিকাশ কেন্দ্ৰত আয়োজিত নিযুক্তি পত্ৰ বিতৰণ অনুষ্ঠানৰ পিছত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, “এই বিষয়ে মোৰ কোনো তথ্য নাই, কিন্তু মই নিজেও এই ষ্টিকাৰৰ বিষয়টো লক্ষ্য কৰিছো। এইটো তদন্ত কৰা হ'ব।” নন্দিনী কাশ্যপৰ গ্ৰেপ্তাৰৰ পিছত ▸▸৬ পৃষ্ঠাত



২৭ কিশোৰী-যুৱতী উদ্ধাৰ, ৫ জনক আটক

## তিনিচুকীয়াত ‘কৌশল বিকাশ’ৰ নামত মানৱ সৰবৰাহৰ ভয়ংকৰ চক্ৰ



**অসম বাৰ্তা, তিনিচুকীয়া, ১ আগষ্ট ঃ** তিনিচুকীয়াৰ বৰগুৰিত দীনদয়াল উপাধ্যায় গ্ৰামীণ কৌশল বিকাশ যোজনাৰ নামত এক বৃহৎ মানৱ সৰবৰাহৰ চক্ৰৰ পৰ্দাফাচ কৰিছে ৰে'লৱে আৰক্ষী আৰু জিলা প্ৰশাসনে। এই চক্ৰটোৱে উজনি অসমৰ দুৰ্গম অঞ্চলৰ কিশোৰী-যুৱতীসকলক প্ৰশিক্ষণৰ প্ৰলোভন দেখুৱাই তামিলনাডু লৈ বেআইনীভাৱে সৰবৰাহৰ চেষ্টা কৰিছিল। তিনিচুকীয়া ▸▸৬ পৃষ্ঠাত

# ৪০ লাখ হিতাধিকাৰীৰ লক্ষ্যৰে অৰুণোদয় ০.৩

আজিৰ কলম

## শিক্ষিত নিবনুৱা যুৱকৰ ফাৰ্ম হাউচ খোলাত গুৰুত্ব



শৰৎ চন্দ্ৰ চিৰিং ফুকন

আজিৰ সমাজৰ গাঁও-ভুঁই, নগৰ-চহৰ আদি সৰ্বত্ৰতে অগণন শিক্ষিত, উচ্চ শিক্ষিত যুৱক-যুৱতীৰ ভীৰ। বাটে-পথে, অলিয়ে-গলিয়ে, দোকানে-পোহাৰে এনেয়ে ▸▸৬ পৃষ্ঠাত

## নিযুত মইনা আঁচনিৰ পৰিসৰ বৃদ্ধি; মুখ্যমন্ত্ৰীৰ ঘোষণা

**অসম বাৰ্তা, গুৱাহাটী, ১ আগষ্ট ঃ** ‘২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসম চৰকাৰে হিতাধিকাৰী সৃষ্টিৰ বাবে বৃহৎ পৰিকল্পনা ▸▸৬ পৃষ্ঠাত

৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা ঘোষণা

## আদিত্যম শইকীয়াৰ ‘ৰঙাটাপু-১৯৮২’লৈ ৰজত কমল বঁটা-’২৩

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ আগষ্ট ঃ** অসমীয়া চলচ্চিত্ৰ জগতৰ বাবে এক গৌৰৱময় মুহূৰ্ত! ৭১তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ ঘোষণাৰ লগে লগে অসমৰ চিনেমা




‘ৰঙাটাপু’ই ৰজত কমল বঁটা অৰ্জন কৰিছে, আৰু খ্যাতনামা চলচ্চিত্ৰ সমালোচক উৎপল দত্তই শ্ৰেষ্ঠ সমালোচকৰ বঁটা লাভ কৰিছে। শুকুৰবাৰে নতুন ▸▸৬ পৃষ্ঠাত

ৰেংমা বনাঞ্চল উচ্ছেদ অভিযানৰ চতুৰ্থ দিন

# সম্প্ৰসাৰিত অভিযানত ৪০০ হেক্টৰতকৈ অধিক বনভূমি পুনৰুদ্ধাৰ

### দয়ালপুৰৰ কুখ্যাত অপৰাধী হামীদ আলিৰ প্ৰসাদোত্তম অট্টালিকাত বুলড'জাৰৰ কোব



**অসম বাৰ্তা, ধনশিৰি, ১ আগষ্ট ঃ** উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত চলি থকা উচ্ছেদ অভিযানৰ চতুৰ্থটো দিনত দ্ৰুত গতিত আৰু বিস্তৃত পৰিসৰত আগবাঢ়ি গৈ অসম বন বিভাগে উল্লেখযোগ্য সফলতা লাভ কৰিছে। অসম বন বিভাগৰ তত্বাৱধানত, গোলাঘাট জিলা ▸▸৬ পৃষ্ঠাত

## খিলঞ্জীয়াৰ হাতত মাৰণাস্ত্ৰ: মুখ্যমন্ত্ৰীৰ সিদ্ধান্তক সমৰ্থন মন্ত্ৰী পীযুষ হাজৰীকাৰ



**অসম বাৰ্তা, গুৱাহাটী, ১ আগষ্ট ঃ** অসমৰ খিলঞ্জীয়া জনগোষ্ঠীক দুষ্কৃতিকাৰীৰ পৰা সুৰক্ষা প্ৰদানৰ বাবে মাৰণাস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ মুখ্যমন্ত্ৰী ▸▸৬ পৃষ্ঠাত

২০ হাজাৰ টকাৰ জৰিমনা

## পত্নী হত্যাৰ গোচৰত গৌৰৱ কুমাৰ সিঙক যাৱজীৱন কাৰাদণ্ড

**অসম বাৰ্তা, কামৰূপ, ১ আগষ্ট ঃ** কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত ছেছন ন্যায়াধীশ এছ কে কাৱাৰ আদালতে আজি পত্নী হত্যাৰ গোচৰত সেনাবাহিনীৰ ▸▸৬ পৃষ্ঠাত

দুৰ্নীতি কৰিলে কংগ্ৰেছৰ দৰে বিজেপিকো ৰাইজে ব্ৰহ্মপুত্ৰত দলিয়াই দিব ঃ ভুৱন গাম

## বিধায়কৰ ধমক কাৰ্যভাৰ গ্ৰহণৰ প্ৰথম দিনা কাৰ্যালয়লৈ পলমকৈ অহা সভানেত্ৰীক



**অসম বাৰ্তা, উজনী মাজুলী, ১ আগষ্ট ঃ** নতুন পঞ্চায়তীৰাজ ব্যৱস্থাৰে এইবাৰ ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পিছত সম্প্ৰতি ৰাজ্যত পঞ্চায়ত সমূহ গঠনৰ আৰু প্ৰতিনিধিৰ দায়িত্ব গ্ৰহণৰ কাম-কাজ অব্যাহত আছে। মাজুলীতো ▸▸৬ পৃষ্ঠাত

আনুষ্ঠানিকভাৱে মুকলি কৰিব নৱনিৰ্মিত ৰাজভৱন

# ২৯ আগষ্টত অসমলৈ গৃহমন্ত্ৰী



**অসম বাৰ্তা, মহানগৰ, ১ আগষ্ট ঃ** কেইবাটাও বিশেষ কাৰ্যসূচীৰ বাবে অসমলৈ আহিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, “২৯ আগষ্টত অসমলৈ আহিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। পুৱা অমিত শ্বাহে নতুনকৈ নিৰ্মাণ কৰা ৰাজভৱন আনুষ্ঠানিকভাৱে মুকলি কৰিব। ইয়াৰ পাছত অমিত শ্বাহে এন ডি এৰ পঞ্চায়ত অভিৱৰ্তনত অংশগ্ৰহণ কৰি পঞ্চায়ত প্ৰতিনিধিসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰিব।” মুখ্যমন্ত্ৰীয়ে পুনৰ কয় ▸▸৬ পৃষ্ঠাত



**LOST**

I have lost my Dibru College Provisional Certificate under Dibrugarh University bearing Reg No. 05461, Cert No. DC/BSc.Part-III(I+I+I)08 and Dibrugarh University Statement of mark sheet- Part- III (No. 0482), Part- II (No. 1579), Part- I No. 0384 and Admit Card & Registration Card.

Shri Lemkai Rangkham,
S/o- Pankam Rangkham,
Vill- Chanu village,
PO/PS- Longding,
Dist.- Longding (A.P.)

**Contact No. 8729803464**

# মৰিগাঁৱত দিহানামৰ কৰ্মশালা বিচাৰকৰ মত বিনিময় অনুষ্ঠানৰ সামৰণি



**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১ আগষ্ট ঃ** দিহানাম সংৰক্ষণ মঞ্চ, অসমৰ অন্তৰ্গত মৰিগাঁও জিলা সমিতিৰি উদ্যোগত আৰু আঞ্চলিক শাখা সমূহৰ সহযোগত তিনিদিনীয়াকৈ আয়োজন কৰা দিহানামৰ কৰ্মশালা আৰু বিচাৰকৰ মত বিনিময় অনুষ্ঠানৰ আজি সামৰণি পৰে। মৰিগাঁও নগৰস্থিত বাৰোৱাৰী ৰাস মন্দিৰ প্ৰাঙ্গনত আজি পুৱা পৰিবেশ নিকাকৰণ পাছতেই এগছি বন্তি প্ৰজ্বলন কৰে জিলা সমিতিৰ উপ সভাপতি পৰমেশ্বৰ নাথে। ইয়াৰ পাছতেই বিশিষ্ট লেখক, কবি, সাহিত্যিক, প্ৰবন্ধকাৰ তথা সাংস্কৃতিক কৰ্মী মনোজ কুমাৰ দেওৰজাৰ সঞ্চালনাত অনুষ্ঠিত বিচাৰক আৰু প্ৰশিক্ষক সকলৰ মত বিনিময় অনুষ্ঠানৰ উদ্বোধন কৰে মৰিগাঁও জিলা সাংস্কৃতিক উন্নয়ন বিষয়া অংশুমান দত্তই। মহাপুৰুষ দুজনাই দি যোৱা কৃষ্টি, সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত মৰিগাঁও বাসীয়ে অহোপুৰুষাৰ্থ কৰি থকা দেখি অত্যন্ত সুখী বুলি তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। লগতে দিহানাম সংৰক্ষণ মঞ্চৰ এনে পদক্ষেপৰ শলাগ লৈ আগন্তুক সময়ত চৰকাৰী পোষকতাত মৰিগাঁৱত দিহানামৰ কৰ্মশালা অনুষ্ঠিত কৰাবলৈ যত্ন কৰিম বুলি সকলোকে আশ্বাস প্ৰদান কৰে। আদৰণি অনুষ্ঠানৰ আঁত ধৰে জিলা সম্পাদক মহিম বৰাই। অনুষ্ঠানত মুখ্য অতিথিৰ আসনৰ পৰা দিহানাম সংৰক্ষণ মঞ্চ, অসম'ৰ সভাপতি প্ৰশান্ত কুমাৰ খাউণ্ড আৰু তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন কোঁৱৰেও উপস্থিত নামতি আৰু বিচাৰক সকলক উদেশ্যি বক্তব্য আগবঢ়াই। অতিথি হিচাপে উপস্থিত থাকে দিহানাম সংৰক্ষণ মঞ্চ, অসমৰ যুটীয়া সম্পাদক হিমু বৰা, কেন্দ্ৰীয় সদস্যা ববী বৰা, কাৰ্যালয় সম্পাদক লয়ৰাম নাথ। আনহাতে ২৯ জুলাই মঙলবাৰে জিলা সভাপতি অজয় কুমাৰ দেওৰজাই পতাকা উত্তোলন কৰাৰ পাছতেই দুদিনীয়াকৈ আৰম্ভ হয় দিহানামৰ কৰ্মশালা। কৰ্মশালাৰ পূৰ্বে অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানৰ প্ৰথম দিনা সঞ্চালনা কৰে লোকেন্দ্ৰ নাথ হাজৰিকাই আৰু দ্বিতীয় দিনা সঞ্চালনা কৰে মৰিগাঁও জিলা সমিতিৰ উপদেষ্টা বাবুলি কলিতাই। প্ৰশিক্ষক হিচাপে উপস্থিত থাকি প্ৰশিক্ষণ আগবঢ়াই দিহানামৰ বিশেষজ্ঞ ক্ৰমে বাবুলি কলিতা আৰু দীপা দাসে। মৰিগাঁও জিলাৰ বিভিন্ন গাঁও তথা আঞ্চলিকৰ পৰা অহা প্ৰায় তিনি শতাধিক প্ৰশিক্ষাৰ্থীয়ে দিহানামৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। উলেখ্য যে উক্ত প্ৰশিক্ষাৰ্থী সকলৰ মাজৰ পৰাই আজি দুটি দিহানাম পৰিবেশন কৰাৰ লগতে সামূহিকভাৱে এটি দিহানাম পৰিবেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰি তোলে। অনুষ্ঠানত দিহানাম সংৰক্ষণ মঞ্চ মৰিগাঁও জিলা সমিতিৰ বিষয়ববীয়াসকলৰ লগতে জিলাৰ প্ৰায় কুৰিজন দিহানামৰ বিচাৰক উপস্থিত থাকি মত বিনিময় অনুষ্ঠানত মতামত আগবঢ়াই। একেদৰেই দিহানাম সংৰক্ষণ মঞ্চ, অসমৰ দ্বাৰা প্ৰস্তুত আৰু প্ৰচাৰিত দিহানামৰ নিয়মাৱলীৰ হাতপুথিখনক কেন্দ্ৰ কৰি মত বিনিময় অনুষ্ঠান সম্পন্ন হয়। লগতে প্ৰশিক্ষাৰ্থী সকলে কেইবাটাও দিহানাম প্ৰদৰ্শন কৰি হৰিনামেৰে মুখৰিত কৰি তোলে সমগ্ৰ অঞ্চল। শেষত পতাকা অবনমনেৰে অনুষ্ঠান সামৰে।

# আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱসৰ দিনা জেষ্ঠ সাংবাদিক শ্ৰৱণ কুমাৰ ঝাক সম্বৰ্ধনা

**অসম বাৰ্তা, খাৰুপেটীয়া, ১ আগষ্ট ঃ** ওৰাং ব্যাঘ্ৰ প্ৰকল্পত ষষ্ঠদশ আন্তৰ্জাতিক ব্যাঘ্ৰ দিশস উদ্যাপন কৰা হয়। এই উপলক্ষে ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পৰ সভাগৃহত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাখনত সভাপতিত্ব কৰি মঙলদৈ বন্যপ্ৰাণী সংমণ্ডল বিষয়া প্ৰদীপ্ত বৰুৱাই ২০১০ চনত ৰাছিয়াৰ ছেইন্ট পিটাৰ্ছবাৰ্গত ঢেঁকীয়াপতীয়া বাঘৰ বসতিপ্ৰধান দেশৰ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে প্ৰথমবাৰ উদ্যাপন হোৱা ব্যাঘ্ৰ দিৱসৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে কয়। বিষয়াগৰাকীয়ে বাঘ আৰু মানুহৰ সংঘাত ৰোধ কৰি এই জন্তুবিধৰ সংৰক্ষণ আৰু বংশবৃদ্ধিৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। এই অনুষ্ঠানতে বিগত সময়ত বাঘ আৰু মানুহৰ সংঘাত ৰোধ কৰাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগোৱা খাৰুপেটীয়াৰ জ্যেষ্ঠ সাংবাদিক শ্ৰৱণ কুমাৰ ঝাৰ লগতে দাঁতিকাষৰীয়া অঞ্চলৰ কেইবাজনো প্ৰকৃতিপ্ৰেমী আৰু বনকৰ্মী ক্ৰমে আব্দুল ছাত্তাৰ, বাহাৰুল ইছলাম, কাছেম আলী, দিলীপ স্বৰ্গীয়াৰী, চিমাংচা স্বৰ্গীয়াৰী, মফিজ আলী, আৰিফ চৌধুৰী, শৈলেন শইকীয়া, শৈলেন দাস, ছাদেক আলী, আব্দুল বাৰেক, ৰফিকুল হক, জান আলম, আমিৰ হুছেইন, নেজিব আহমেদ, দীপক শৰ্মা, পিংকু ভাগৱতী, নূৰ ইছলাম, গৌতম দে', মইনুল হক, সত্যজিৎ দাসকে ধৰি মুঠ ২২ জন লোকক প্ৰশংসাপত্ৰ, গামোচা আদিৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত মঙলদৈৰ জ্যেষ্ঠ সাংবাদিক হেমন্ত কুমাৰ বৰুৱা প্ৰমুখ্যে কেইবাগৰাকী বক্তাই বাঘ সংৰক্ষণত সমাজৰ বিভিন্ন ক্ষেত্ৰৰ নাগৰিকৰ থকা দায়িত্ব সম্পৰ্কে আলোচনা আগবঢ়ায়।

# সদৌ অসম শিশুনাট সমাৰোহত জিলিকিল দেৰগাঁৱৰ শান্তি মিলন সাংস্কৃতিক গোষ্ঠী

## গোলাঘাট জিলাক প্ৰতিনিধিত্ব কৰি দুটাকৈ স্থানত সফলতা

**অসম বাৰ্তা, দেৰগাঁও, ১ আগষ্ট ঃ** শিৱসাগৰ নাট্য বিদ্যালয়ৰ উদ্যোগত চতুৰ্দশ সংখ্যক সদৌ অসম শিশু নাট সমাৰোহত সৰ্বমুঠ ৪৩টা নাট্য দলৰ ভিতৰত গোলাঘাট জিলাক প্ৰতিনিধিত্ব কৰি দুটাকৈ স্থানত সফলতা লাভ কৰে। শিশু নাট্যকাৰ অৰিয়ন কুমাৰ বৰঠাকুৰৰ "ভাওনাত খেলিমেলি" নাটকখন গোষ্ঠীৰ সাংস্কৃতিক সম্পাদক অনাদি কুমাৰ বৰঠাকুৰৰ পৰিচালনাৰে পৰিৱেশন কৰি দলটোৱে প্ৰেৰণা বঁটাৰ লগতে চুনচুনী চৰিত্ৰত অভিনয় কৰি হেপ্পী ৰাজবংশীয়ে তৃতীয় শ্ৰেষ্ঠ সহঃ অভিনেত্ৰী পাবলৈ সক্ষম হয়। বিগত পাচঁবছৰ ধৰি দেৰগাঁৱৰ শিশু সকলক সাংস্কৃতিক পথাৰ খনত আগবাঢ়ি যোৱাত এখন মঞ্চ প্ৰদান কৰি আহিছে শান্তি মিলন সাংস্কৃতিক গোষ্ঠীয়ে। গোষ্ঠীৰ সভাপতি দ্বীপেন বৰঠাকুৰ আৰু শান্তনু নন্দন গোস্বামীৰ বিশেষ প্ৰচেষ্টাত দেৰগাঁৱৰ শিশু সকলক নাট্য ক্ষেত্ৰত আগবাঢ়ি যোৱাত সুবিধা প্ৰদান কৰা দেখা গৈছে।

# লখিমপুৰত শংকৰদেৱ মহাবিদ্যালয়ত "আকাশ" অনুষ্ঠান

**অসম বাৰ্তা, বান্দৰদেৱা, ১ আগষ্ট ঃ** লখিমপুৰ জিলা সাহিত্য সভাৰ উদ্যোগত খেৰাজখাত শতদল শাখা সাহিত্য সভাৰ অতিথ্যত আজি লখিমপুৰ জিলা অসম অৰুণাচল সীমান্তৱৰ্তী পথালিপাহাৰস্থিত শংকৰদেৱ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত লখিমপুৰ জিলা সাহিত্য সভাৰ "আকাশ" অনুষ্ঠান দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰে। লগতে প্ৰথিতযশা বিশিষ্ট শিল্পী নটসূৰ্য ফণী শৰ্মাৰ ৫৫ তম মৃত্যু বাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উপৰিও তেখেতৰ শিল্প চেতনাক সোঁৱৰণ কৰা হয়। পুৱা ভাগতে গছপুলি ৰোপণ কৰে শংকৰদেৱ কলেজিয়েট উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰদীপ নেওগে। পতাকা উত্তোলন কৰে লখিমপুৰ জিলা সাহিত্য সভাৰ সভাপতি সঞ্জীৱ উপাধ্যায়ে। বন্তি প্ৰজ্বলন কৰে খেৰাজখাত শতদল সাহিত্য সভাৰ সভাপতি ড০ লক্ষ্মী প্ৰকাশ হাজৰিকাই আৰু স্মৃতি তৰ্পণ কৰে কুঞ্জ বুজৰবৰুৱাই। নটসূৰ্য ফণী শৰ্মাৰ স্মৃতিচাৰণ অনুষ্ঠানত তেখেতৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সোণাৰাম কলিতাই। দিনৰ ১০-৩০ বজাৰ পৰা লখিমপুৰ জিলা সাহিত্য সভাৰ মূল "আকাশ" অনুষ্ঠান সভাখনি অনুষ্ঠিত হয়। সভাখনত সভাপতি হিচাপে আসন গ্ৰহণ কৰে লখিমপুৰ জিলা সাহিত্য সভাৰ সভাপতি সঞ্জীৱ উপাধ্যায়ে। নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে বিহপুৰীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড০ চিত্ৰলেখা ফুকনে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ সভানেত্ৰী ৰেখা ফুকন, খেৰাজখাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ মৃদুল বুঢ়াগোহাঁই আৰু আমন্ত্ৰিত অতিথি হিচাপে বিহপুৰীয়া বিধান সভা সমষ্টিৰ বিধায়ক ড০ অমিয় কুমাৰ ভূঞা

# নগাঁৱৰ জন কল্যাণ বিত্তীয় প্ৰতিষ্ঠানটিলৈ ৰাষ্ট্ৰীয় ব্যৱসায়িক ২০২৫ বৰ্ষৰ বঁটা প্ৰদান

## অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গে প্ৰদান কৰে এই বঁটা

**অসম বাৰ্তা, বড়মপুৰ, ১ আগষ্ট ঃ** নগাঁও চহৰৰ মাজমজিয়াৰ মনালিছা হোটেলৰ নিচেই কাষতে অৱস্থিত জনকল্যাণ নামেৰে বিত্তীয় প্ৰতিষ্ঠাটিয়ে ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ ৰাষ্ট্ৰীয় ব্যৱসায়িক বটাঁ লাভ কৰি সমগ্ৰ অসমৰ লগতে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। বিত্তীয় প্ৰতিষ্ঠাটিয়ে নিজৰ কামৰ একাগ্ৰতা, কৰ্মৰ উৎকৰ্ষ, সাধনা, অশেষ কষ্টৰ ফলতেই অসমৰ ঋণ সমবায় সমিতিয়ে অলপতে গুৱাহাটীত অনুষ্ঠিত কৰা এক বিশেষ অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী তথা যুৱ প্ৰজন্মৰ হাৰ্ডট্ৰো জুবিন গাৰ্গে নিজ হাতেৰে এই ব্যৱসায়িক প্ৰতিষ্ঠানটিলৈ ৰাষ্ট্ৰীয় শ্ৰেষ্ঠ ব্যৱসায়িক সন্মানৰ বটাঁটি আগবঢ়ায়। ২০২২ চনতে নগাঁৱৰ কেইজনমান উদীয়মান যুৱকৰ প্ৰচেষ্টাত প্ৰাণ পাই উঠা এই বিত্তীয় প্ৰতিষ্ঠাটোত গ্ৰাহক সকলে ধন সঞ্চয় কৰি অতি সহজতেই ঋণ লাভ কৰা ব্যৱস্থা আছে। তদুপৰি যিসকল ক্ষুদ্ৰ ব্যৱসায়ী সেইসকলৰ বাৰে যাৱতীয় নথি-পত্ৰৰ অভাৱত বেংকৰ পৰা ঋণ লবলৈ সহজ হৈ নুঠে। কিন্তু তাৰ বিপৰীতে জনকল্যাণ নামৰ বিত্তীয় প্ৰতিষ্ঠাটিত অতি সহজতেই উপলব্ধ। সেয়ে যিসকল লোকে এটি ক্ষুদ্ৰ ঋণ লৈ নিজক নিজেই স্বাৱলম্বী হ'ব বিচাৰিছে সেইসকল গ্ৰাহকক অতিশীঘ্ৰে ব্যৱসায়িক প্ৰতিষ্ঠানটিলৈ আহি সুবিধাটি গ্ৰহণ কৰিবলৈ কৰ্তৃপক্ষৰ পৰা জানিবলৈ দিয়ে। উল্লেখ যে বিত্তীয় প্ৰতিষ্ঠাটিয়ে লাভ কৰা এই সফলতাত সমগ্ৰ নগাঁওবাসী ৰাইজে শলাগ লৈছে।




# সম্মিলিত অ.বি.বি. শিক্ষক সন্থাৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অসম বাৰ্তা, নগাঁও, ১ আগষ্ট ঃ** সদৌ অসম সম্মিলিত অ.বি.বি. ৭০৬৬ শিক্ষক সন্থাৰ সভাপতি কমল বৰা যুটিয়া সম্পাদক পবিত্ৰ বৰাই বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তি যোগে জনায় যে, সদৌ অসম সম্মিলিতি অ.বি.বি. ৭০৬৬ শিক্ষক সন্থাৰ এখনি ৰাজ্যিক বৰ্দ্ধিত কাৰ্য্যনিবাহক সভা গুৱাহাটীৰ সদৌ অসম কৰ্মচাৰী পৰিষদৰ ভৱনত অনুষ্ঠিত হয়। উক্ত সভাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান পংকজ বৰ্মণ আৰু পৰিষদৰ ৰাজ্যিক কাৰ্য্যনিবাহক বিপ্লৱ কুমাৰ দাস উপস্থিত থাকে। সভাত শিক্ষক সন্থাৰ সম্পাদক পবিত্ৰ বৰাই নতুন পেঞ্চন আঁচনিৰ অধিনত ২০০১ চনত নিযুক্তি প্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী সকলক পুৰণি পেঞ্চন আঁচনিৰ অধিনত অন্তভূক্ত কৰিবৰ কাৰণে দাবী জনোৱাৰ লগতে বৰ্তমান চৰকাৰৰ বিত্তবিভাগে জাৰি কৰা চিঠি নং- E-278326/2025/676 Date-28/03/2025 মৰ্মে ২০০৫ চনৰ আগৰ নিযুক্তি পোৱা শিক্ষক কৰ্মচাৰী সকলৰ তথ্য বিচাৰি বিভাগ সমূহলৈ যি নিৰ্দ্দেৰ্শনা প্ৰেৰণ কৰিছে এই নিৰ্দ্দেৰ্শনাৰ ওপৰত বিভাগ সমূহে যেনে ধৰণেৰে ক্ষিপ্ৰতাৰে কাম কৰিব লাগিছিল সেই ক্ষিপ্ৰতা আজি পয্যন্ত শিক্ষা বিভাগত দেখা পোৱা নাই। যাৰ ফলত বিত্ত বিভাগে তিনিবাৰকৈ নিৰ্দ্দেৰ্শনা প্ৰেৰণ কৰিব লগিয়া হৈছে। শিক্ষা বিভাগৰ সঞ্চালকালয় আৰু আয়ুক্ত কাৰ্য্যালয়ৰ তৎপৰতা দেখা নোপোৱাত শিক্ষক সমাজ পুৰণি পেঞ্চন নীতি আধাৰত সোমাবনে নোসোমাই সেই বিষয়ে বাৰুকৈ চিন্তিত হ'ব লগাত পৰিছে। সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধানে সভাত কয় যে, আমি যোৱা ইং-১১-০১-২০২৫ তাৰিখে অসমৰ মাননিয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত পৰিষদৰ মুখ্যদাবী সম্পকত আলোচনা কৰোঁতে মাননিয় মুখ্য মন্ত্ৰী মহোদয়ে ২০০৫ চনৰ আগত নিযুক্তি পোৱা শিক্ষক কৰ্মচাৰী সকলক পুৰণি পেঞ্চন নীতি আওঁতালৈ আনিম বুলি প্ৰতিশ্ৰুতি দিছে আৰু তাক লৈ সদৌ অসম কৰ্মচাৰী পৰিষদৰ লগতে সদৌ অসম সম্মিলিত অ.বি.বি. ৭০৬৬ শিক্ষক সন্থাইও আদৰণী জনাইছে। শেহতীয়াকৈ বিত্ত বিভাগে দিয়া নিৰ্দ্দেৰ্শনাৰ ওপৰত বিত্তিত্ব ব্যাখ্যা দাঙিধৰাৰ লগতে সংশ্লিষ্ট বিভাগসমূহে ক্ষিপ্ৰতাৰে শিক্ষক কৰ্মচাৰী সকলৰ কাম সমূহ আগুৱাই নিবৰ কাৰণে বিভাগ সমূহলৈ আহ্বান জনায়।

# বজালীত মানৱ সৰবৰাহ ডাইনীৰ বিৰুদ্ধে জিলা পৰ্যায়ৰ অভিযান

**অসম বাৰ্তা, বৰপেটা সদৰ, ১ আগষ্ট ঃ** ব্যক্তি সৰবৰাহৰ বিৰুদ্ধে বিশ্ব দিৱস উপলক্ষে বজালী জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়ে ৮৬ নং' বিচাংকুচি MAWC ত এক সজাগতা কাৰ্যসূচীৰ আয়োজন কৰে। এই পদক্ষেপৰ লক্ষ্য আছিল মানৱ সৰবৰাহ আৰু ডাইনী চিকাৰৰ জৰুৰী বিষয়সমূহৰ বিষয়ে সজাগতা সৃষ্টি কৰা, দুৰ্বল জনসংখ্যাক সুৰক্ষা দিয়া আৰু অধিকাৰভিত্তিক পদ্ধতিৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰা। বজালীৰ জিলা সমাজ কল্যাণ বিষয়া শ্ৰীযুত জ্যোতি কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত অধিৱেশনত অংশগ্ৰহণকাৰীসকলক আদৰণি জনোৱাৰ লগতে বিশেষকৈ গ্ৰাম্য অঞ্চলত ডাইনী চিকাৰৰ অব্যাহত থকা ভাবুকিৰ ওপৰত আলোকপাত কৰে, য'ত ই মহিলাসকলক অসমতাপূৰ্ণভাৱে প্ৰভাৱিত কৰে। তেওঁ এনে সামাজিক দুষ্টতা দূৰ কৰিবলৈ সম্প্ৰদায়-চালিত ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বজালীৰ এছডিএম এণ্ড এইচ অ' ড০ দীপ্তী চৌধুৰীয়ে জোৰ দি কয় যে ডাইনী চিকাৰ অন্ধবিশ্বাস আৰু চিকিৎসা অজ্ঞানতাৰ শিপাই থকা এক গুৰুতৰ মানৱ অধিকাৰ উলংঘা। তাই আঙুলিয়াই দিলে যে "ডাইনী"ৰ ভুল বুলি কোৱা বহু লক্ষণ আচলতে চিকিৎসাযোগ্য স্বাস্থ্যজনিত অৱস্থা যাৰ বাবে সময়মতে চিকিৎসাৰ প্ৰয়োজন হয়। বজালীৰ এ এছ আৰ এল এমৰ ডি পি এম অনন্য ভৰদ্বাজে জোৰ দি কয় যে মানৱ সৰবৰাহ আৰু ডাইনী চিকাৰ দুয়োটাই পৰিয়াল আৰু সম্প্ৰদায়ৰ ওপৰত বিধ্বংসী প্ৰভাৱ পেলায়। ভয় আৰু অন্ধবিশ্বাসৰ ঠাইত শিক্ষা, সহানুভূতি আৰু তথ্যভিত্তিক বুজাবুজিৰ ব্যৱস্থা কৰিবলৈ তাই আহ্বান জনায়। বজালীৰ চাইল্ডলাইনৰ সমন্বয়ক প্ৰজ্বলিতা চৌধুৰীয়ে প্ৰগতিশীল সমাজত অন্ধবিশ্বাসৰ কোনো স্থান নাই বুলি উল্লেখ কৰে। ডাইনী চিকাৰৰ বিৰুদ্ধে যুঁজিবলৈ সজাগতা আৰু শিক্ষাই আটাইতকৈ ফলপ্ৰসূ আহিলা বুলি জোৰ দিয়ে। সভাৰ পূৰ্বে সম্প্ৰদায়ৰ লোকসকলক একত্ৰিত কৰি মানৱ সৰবৰাহ আৰু ডাইনী চিকাৰৰ বিপদ আৰু আইনী পৰিণতিৰ বিষয়ে সজাগতা বিয়পোৱাৰ বাবে এক ৰাজহুৱা সমাৱেশৰ আয়োজন কৰা হৈছিল। এই সমাৱেশ আৰু বৈঠকত আত্মসহায়ক গোটৰ সদস্য, পি আৰ আইৰ প্ৰতিনিধি, আশা, অংগনবাড়ী কৰ্মী (এ ডব্লিউ ডব্লিউ), আৰু অন্যান্য সংশি-ষ্ট নাগৰিকৰ সক্ৰিয় অংশগ্ৰহণৰ সাক্ষী হয়। ডাইনী চিকাৰ আৰু মানৱ সৰবৰাহৰ বিপদ দূৰ কৰাৰ বাবে ঐক্যবদ্ধভাৱে কাম কৰাৰ লগতে সকলো ব্যক্তিৰ — বিশেষকৈ মহিলা আৰু প্ৰান্তীয় গোটৰ সুৰক্ষা, মৰ্যাদা আৰু অধিকাৰ বজাই ৰখাৰ এক সামূহিক সংকল্পৰে অনুষ্ঠানটোৰ সামৰণি পৰে।

# দুধনৈত ৰাভা হাছং স্বায়ত্ত্ব পৰিষদৰ উদ্যোগত ৯ দিনীয়া সত্ৰীয়া নৃত্যৰ কৰ্মশালা



**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১ আগষ্ট ঃ** ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ অৰ্থ সাহায্যত অসম চৰকাৰৰ দুধনৈ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত আৰু দুধনৈ ভাৰতী সংগীত বিদ্যালয়ৰ সহযোগত ২২ জুলাইৰ পৰা অনুষ্ঠিত হোৱা নদিনীয়া "সত্ৰীয়া নৃত্যৰ কৰ্মশালা"ৰ সফল সামৰণি পৰে। বুধবাৰে সন্ধিয়া দুধনৈ জনমন্দিৰ সাংস্কৃতিক ভৱন প্ৰেক্ষাগৃহত আয়োজিত সামৰণি অনুষ্ঠানৰ বন্তি প্ৰজ্জ্বলন কৰি শুভাৰম্ভ কৰে ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ উপাধ্যক্ষা অলকা ৰাভাই। বৃহত্তৰ দুধনৈ অঞ্চলৰ বহুসংখ্যক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাত গুৰুজনাৰ সৃষ্টি সত্ৰীয়া নৃত্যৰ উপৰিও মাটি আখৰা, সত্ৰীয়া নৃত্যৰ বৈশিষ্ট্য, প্ৰাথমিক ত্বাত্তিক জ্ঞান, সত্ৰীয়া নৃত্যত ব্যবহাৰ হোৱা হস্ত, চালি নৃত্য, অভিনয়, খোলবাদন আৰু বৰগীত সম্পৰ্কে আলোচনা আৰু প্ৰশিক্ষণ প্ৰদান কৰা হয়। মুখ্য প্ৰশিক্ষক হিচাবে যোৰহাটৰ পৰা অহা সত্ৰীয়া নৃত্যৰ গৱেষক ছাত্ৰ তথা অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ শৈক্ষিক কৰ্মচাৰী সঞ্জীৱ কছাৰীয়ে এই কৰ্মশালাত উপস্থিত থাকি বুধবাৰে সামৰণি অনুষ্ঠানত তেওঁৰ ভাষণত কয় যে ৰাভা হাছং পৰিষদে সত্ৰীয়া নৃত্যৰ প্ৰচাৰ প্ৰসাৰৰ বাবে প্ৰশংসনীয় পদক্ষেপ হাতত লৈছে। এয়া আদৰণীয়। মুখ্য প্ৰশিক্ষক গৰাকীয়ে দুধনৈত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ নামত এখন সংগীত মহাবিদ্যালয় স্থাপনৰ বাবে ৰাভা হাছং পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাক আগভাগ লবলৈ আহ্বান জনায়। এইখন মহাবিদ্যালয়ত অসমীয়া সংগীতৰ উপৰিও মহাপুৰুষ শংকৰদেৱ মাধবদেৱ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৃষ্টিৰাজিৰ লগতে বৰেণ্য শিল্পী সকলৰ গীতমাতৰ চৰ্চা কৰিব পৰা যাব। সামৰণি অনুষ্ঠানত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত উপ সঞ্চালক মুকুল ৰাভা উপস্থিত থাকি নতুন প্ৰজন্মক সত্ৰীয়া নৃত্যৰ উপৰিও খোলবাদন, বৰগীত আদি শিকিবলৈ আহ্বান জনায়। ৰাভা হাছং পৰিষদে অৰ্থসাহায্যৰে সত্ৰীয়া নৃত্যৰ কৰ্মশালা অনুষ্ঠিত কৰাত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য গৰাকীৰ শলাগ লয়। ৰাভা হাছং পৰিষদৰ কৰ্মচাৰী দীপু ৰাভাই আঁত ধৰা অনুষ্ঠানত শিক্ষাৰ্থী সকলে বৰগীত, দশাৱতাৰ নৃত্য, চালিনৃত্য প্ৰদৰ্শন কৰি সকলোকে আপ্লুত কৰে। আনহাতে এই অনুষ্ঠানতে শিক্ষাৰ্থী সকলক প্ৰমাণপত্ৰ প্ৰদান কৰে। অসম চৰকাৰৰ দুধনৈ সাংস্কৃতিক কেন্দ্ৰৰ উন্নয়ন বিষয়া ধনদা দাস হাজৰিকা, দুধনৈ ভাৰতী সংগীত বিদ্যালয়ৰ অধ্যক্ষ সুকুমাৰ ৰায়, দুধনৈ প্ৰাথমিক শিক্ষাখণ্ডৰ শিক্ষা বিষয়া ভদ্ৰাৱতী বৰ্মণ, দুধনৈ মহাবিদ্যালয়ৰ প্ৰবক্তা তথা অঁনাতাৰ শিল্পী হৰগোবিন্দ ডেকা, পৰিষদৰ প্ৰাক্তন মনোনীত সদস্য দিবাকৰ শৰ্মা, পাৰুল ৰাভা, নন্দাৰায় চৌধুৰী আন এগৰাকী প্ৰশিক্ষক বিমল সূত্ৰধৰকে ধৰি কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে কৰ্মশালাৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকে।

# চেলেংহাটৰ গড়চুকত নিশা দুৰ্বৃত্তই জ্বলালে পশুধনৰ গড়াল





**অসম বাৰ্তা, আমগুৰি, ১ আগষ্ট ঃ** যোৰহাট জিলাৰ চেলেংহাট গড়চুকত যোৱা নিশা কোনো অচিনাক্ত দুৰ্বৃত্তই জ্বলাই দিলে দেবেশ্বৰ মুণ্ডা নামৰ এজন ব্যক্তিৰ ঘৰৰ পশুধন ৰখা এটা ঘৰসহ ধানৰ ভঁৰাল। গৃহস্থৰ পৰা জানিব পৰা মতে যোৱা নিশা প্ৰায় ১ মান বজাত জুই লগা দেখা পাই গৃহস্থই চিএঞৰ বাখৰ কৰাত স্থানীয় ৰাইজ উপস্থিত হৈ জুই নুমুৱাবলৈ সক্ষম হয়। ৰাইজৰ সহযোগত দুটাকৈ হালবোৱা বলদ গৰুসহ কেইবাটাও ছাগলী আৰু গাহৰি উদ্ধাৰ কৰে যদিও দুটা গাহৰি আৰু কেইবা বস্তা ধানৰ বস্তা জুইত জাহ যায়। কি কাৰণত কোনে এনে ঘটনা সংঘটিত কৰিলে জানিব পৰা হোৱা নাই যদিও চুৰি কায্যৰ লগত জড়িত ব্যক্তি অথবা স্থানীয় কোনো ব্যক্তিৰ হিংসাৰ বাবে এনে ঘটনা সংঘটিত কৰিছে বুলি কৰ্মকাৰৰ পৰিয়ালে সন্দেহ কৰিছে। ইতিমধ্যে ঘটনা সম্পৰ্কত ভুক্তভোগী পৰিয়ালে ইতিমধ্যে প্ৰশাসনৰ লোকক অৱগত কৰিছে।

## 'প্ৰভাতে নাটক কৰিব' আৰু 'সেউজী ধৰণী ধুনীয়া' মঞ্চস্থ

# নগাঁৱত শিশু-চেমনীয়া নাট কৰ্মশালাৰ সামৰণি



**অসম বাৰ্তা, পুৰণিগুদাম, ১ আগষ্ট ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু নগাঁৱৰ অবিনশ্বৰ গোষ্ঠীৰ সহযোগত বিধানসভা সমষ্টি ভিত্তিক কৰ্মশালাখনিৰ সামৰণি অনুষ্ঠানটো যোৱা ২৯ জুলাইত অনুষ্ঠিত হয়। ডিফলু নামঘৰ প্ৰাঙ্গনৰ মুকলি মঞ্চত অনুষ্ঠিত ২৩ তম "শিশু আৰু চেমনীয়া" নাট কৰ্মশালাৰ সামৰণিত অনুষ্ঠানত দুখন নাটক মঞ্চস্থ কৰে। যোৱা ১৩ জুলাইৰ পৰা অনুষ্ঠিত হোৱা উক্ত ১৭ দিনীয়া নাট কৰ্মশালাৰ অন্তিম কাৰ্যসূচী আছিল প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা নাট প্ৰদৰ্শন। প্ৰথম নাটক "প্ৰভাতে নাটক কৰিব"। ৰচনা আৰু পৰিচালনা দীপক বৰা। দ্বিতীয় নাটক বিৰিখৰ বেদনা, মৰম, হেঁপাহ, আশা আদিৰ আলমত ৰচিত নাটক "সেউজী ধৰণী ধুনীয়া"। "সেউজী ধৰণী ধুনীয়া" নাটকৰ ৰচনা আৰু পৰিচালনা দীপক বৰাৰ। সহকাৰী পৰিচালক তুহিনকন্যা বৰা। নাটক মঞ্চস্থ হোৱাৰ পূৰ্বে ডিফলুবাসীৰ হৈ চৰকাৰ, নগাঁও প্ৰশাসন আৰু অবিনশ্বৰ গোষ্ঠীক ধন্যবাদ জ্ঞাপনেৰে আদৰণি ভাষণ ৰাখে প্ৰদীপ কুমাৰ বৰাই। বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনাৰাজিৰ সংকলক তথা প্ৰকাশক, সমাজসেৱী ডাঃ সৰ্বেশ্বৰ বৰা, অভিনেতা-সমাজসেৱী প্ৰভাত শৰ্মা, চামগুৰি সমষ্টিৰ কৰ্মশালা পৰ্যবেক্ষণ সমিতিৰ সদস্য প্ৰদীপ কুমাৰ বৰা আৰু নৰেন শৰ্মা। আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে ভৰেন শৰ্মা, বিপুল কলিতা। নাট্যসন্ধ্যা উদ্বোধন কৰে বিশিষ্ট নাট্যকাৰ সোণাৰাম বৰাই। দুয়োখন নাটকৰ অভিনয় শিল্পী তথা প্ৰশিক্ষাৰ্থীসকল ক্ৰমে বেদান্ত কলিতা, জাগৃতি শইকীয়া, আদৰ্শীনি ভূঞা, পুষ্পিকা ভূঞা, প্ৰকৃতি শৰ্মা, কৃষ্ণাক্ষী তালুকদাৰ, ড্ৰীমলি বৰা, কুনাল কৌশিক দাস, তন্ময় বৰা, জিচু বৰা, প্ৰজ্ঞাসা শ্বৰনাজ পৰাশৰ, হৃতি গোস্বামী, হৰ্ষিতা শইকীয়া, স্বীকৃতি কাকতি, পূজা বৰা, প্ৰাচুৰ্য কলিতা, ধীৰাজ বৰা, শ্যামানুজ মুদৈ, হৰ্ষকিশোৰ বৰা, নিহাৰিকা হালৈ, প্ৰণয় কৌশিক বৰুৱা, মৌচম ভূঞা, লক্ষ্যজ্যোতি শইকীয়া, সুমন কৌশিক কাশ্যপ, চয়নিকা বৰা, ভাৰ্গবী কাশ্যপ চমুৱা, হৰ্ষিত কলিতা, বৰ্ণালী শইকীয়া, নিঞ্জাপ্ৰিয়া ভূঞা, হৰ্ষিত গোঁহাই বৰুৱা, চিম্পী কলিতা, বৃষ্টি বৰা, গায়ত্ৰী কলিতা, কপিলী গোঁহাই, আৰচাদ আহমেদ, ইনায়ত ৰায়াতুল হক, দিব্যা দেৱী, বৃষ্টি উলফট কাউচাৰ, নিহাৰিকা শইকীয়া, প্ৰাচুৰ্যপ্ৰাণ বৰা। দুয়োখন নাটকৰে প্ৰযোজনা নিয়ন্ত্ৰণ ৰবীন শইকীয়া, সীমান্ত কলিতা, সংগীত সংস্থাপন ৰঞ্জন কুমাৰ বৰা, কণ্ঠশিল্পী প্ৰণামী কলিতা, ৰঞ্জন কুমাৰ বৰা, সহযোগী পবিত্ৰ বৰা, দিশান্ত দিবং বৰা, পোহৰ পৰিকল্পনা আৰু নিয়ন্ত্ৰণ ৰাজেন ফুকন, দৃশ্যসজ্জা দ্বীপেন দাস, অনিল বৰা, হস্ত সৰঞ্জাম ৰবীন শইকীয়া, থানেশ্বৰ বৰা, ৰূপসজ্জা নেত্ৰকমল বৰা, সুস্মিতা শইকীয়া, সাজসজ্জা পৰিকল্পনা দীপক বৰা, সম্পাদন সন্তোষ বৰা, তুহিনকন্যা বৰা, শব্দ দীপ বৈৰাগী, নাট কৰ্মশালাৰ প্ৰশিক্ষকসকল ক্ৰমে সোণমণি শৰ্মা, পূৰবী শইকীয়া, ৰাজেন ফুকন, সীমান্ত কলিতা, জিতুমণি বৰা, পংকজ শৰ্মা আৰু দীপক বৰা। ব্যৱস্থাপনা প্ৰভাত শৰ্মা, বিপুল কলিতা, বিপিন বৰা, ভৰেন শৰ্মা, ললিত কলিতা, সীমান্ত কলিতা, অনিল বৰা, দীপেন দাস, ৰবীন শইকীয়া, দিগন্ত কুমাৰ বৰা, ৰাজেন ফুকন, পংকজ শৰ্মা, জিতুমণি বৰা। নাটক দুখনত শিশু আৰু চেমনীয়া প্ৰশিক্ষাৰ্থীসকলে সুন্দৰ অভিনয়ৰে উপস্থিত দৰ্শকসকলক মোহাচ্ছন্ন কৰিছিল।

## কৃষি বিশ্ববিদ্যালয়ৰ প্ৰশংসনীয় পদক্ষেপ

# মেলেংত পাঁচটা মহিলা গোটলৈ কেঁচু সাৰ প্ৰস্তুতৰ সঁজুলি প্ৰদান

**অসম বাৰ্তা, যোৰহাট, ১ আগষ্ট ঃ** টীয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত ২৮ নং মেলেং বালি চাপৰি গাঁও পঞ্চায়ত এলেকাৰ গড়গুৰী কৈৱৰ্ত গাঁৱত অসম কৃষি বিশ্ববিদ্যালয়ৰ আমাৰ গাঁও আমাৰ গৌৰৱ আঁচনিৰ যোগেদি পাঁচটা মহিলা গোটলৈ কেচু সাৰ প্ৰস্তুত ৰ বাবে বিনামূলীয়া কৈ সঁজুলি আৰু উন্নত কেচু অলপতে প্ৰদান কৰে। বিশ্ববিদ্যালয় খনৰ কৃষি বিজ্ঞানী তথা অধ্যাপক ডক্টৰ উৎপল বৰ্মন, ডক্টৰ চয়নিকা বৰা, ডক্টৰ গায়ত্ৰী গোস্বামীয়ে গাঁওখনত গৈ মহিলাসকলক স্বাৱলম্বীতাৰ পথ হিচাপে জৈৱিক ভাৱে কেচু সাৰ প্ৰস্তুত সম্পৰ্কে বুজাই কোৱাৰ উপৰিও সঁজুলি প্ৰদানৰো ব্যৱস্থা কৰে। উল্লেখযোগ্য যে সমাজকৰ্মী জগন্নাথ অগ্নি বৰাৰ পদক্ষেপত বিকশিত ভাৰত অভিযানৰ অংশ হিচাপে আমাৰ গাঁও আমাৰ গৌৰৱ আঁচনিত গড়গুৰী গাঁৱত মহিলা সকলক জড়িত কৰি কিছু উৎপাদন মূলক কাৰ্য্য সূচী গ্ৰহণ কৰিছে। কৃষি বনানীকৰণ, কৃষি অৰ্থনিতি, বয়ন শিল্প উন্নয়নৰ পৰিকল্পনাৰে গাঁও খনৰ মহিলা সকলক স্বাৱলম্বী হিচাপে গঢ়ি তোলাৰ এই আঁচনিৰ মুল লক্ষ্য। জানিব পৰা মতে বিশ্ববিদ্যালয়খনে আমাৰ গাঁও আমাৰ গৌৰৱ অভিযানৰ যোগেদি গাঁও খনত বহু কেইটা উন্নয়ন মূলক কাম কৰি আহিছে।

# বকো উন্নয়ন খণ্ডৰ অন্তৰ্গত বকো আঞ্চলিক পঞ্চায়তৰ গৃহ প্ৰৱেশ অনুষ্ঠান

**অসম বাৰ্তা, বকো, ১ আগষ্ট ঃ** কামৰূপ জিলাৰ বকো উন্নয়ন খণ্ডৰ বকো আঞ্চলিক গাঁও পঞ্চায়ত এলেকাৰ নৱনিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিৰ কাৰ্যালয়ত আজি বকো উন্নয়ন খণ্ড কাৰ্যালয়ত দায়িত্বভাৰ গ্ৰহণ কাৰ্যসূচী সম্পূৰ্ণ। বকো আঞ্চলিক গাঁও পঞ্চায়তৰ সভাপতি বিপুল ৰাভা আৰু উপ সভানেত্ৰী ইৰাৱতী ৰাভা লগতে আঞ্চলিক পঞ্চায়তৰ সদস্য সকল কাৰ্যালয়ত প্ৰৱেশ কৰে আৰু দায়িত্বভাৰ গ্ৰহণ কৰে। সভাত বকো অঞ্চলৰ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট লোকৰ লগতে বকো অঞ্চলৰ ১১টা গাঁও পঞ্চায়তৰ প্ৰতিনিধি সকলো উপস্থিত থাকে। উল্লেখ্য যে, অনাগত দিনত বকো আঞ্চলিক গাঁও পঞ্চায়তখনক স্বচ্ছ তথা দুৰ্নীতি মুক্ত আৰু জনমুখী কাম কৰি যোৱাৰ বাবে ৰাইজক আশ্বাস দিয়ে।

## কাৰ্যবাহী অভিযন্তাই গুৰুত্ব নিদিয়াৰ অভিযোগ

# চেঙাৰ বাঘমাৰা চৰত ভঙা কালভাৰ্ট-বিধ্বস্ত পথ মেৰামতিৰ দাবী



**অসম বাৰ্তা, শিমলীতোলা, ১ আগষ্ট ঃ** বৰপেটা জিলাৰ পূৰ্বৰ বাঘবৰ সমষ্টি আৰু বৰ্তমানৰ চেঙা সমষ্টিৰ এলেকাধীন ১ নং বাঘমাৰা চৰৰ পৰা ধাৰাবাশ্যা হৈ নায়েৰচৰ লৈ যোৱা প্ৰায় ৩.৯ কিল'মিটাৰ পকী পথটো নিৰ্মাণৰ কিছু দিন পিছতেই শোচনীয় হৈ পৰাত যাতায়াতৰ নামত চৰম হাৰাশাস্তিৰ সন্মুখীন হ'ব লগা হৈছে ৰাইজে। প্ৰায় ৩ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা পকী পথটো নিৰ্মাণৰ দায়িত্ব বিভাগীয়ভাৱে লাভ কৰিছিল ঠিকাদাৰ ৰফিজুল হকে। পথছোৱা নিৰ্মাণৰ এমাহৰ পিছতে বিধ্বস্ত হৈ পৰাৰ লগতে পথছোৱাত থকা এখন আৰ চি চি কালভাৰ্ট ঠিকাদাৰ গৰাকীয়ে অতিকৈ নিম্নমানদণ্ডৰে নিৰ্মাণ কৰাৰ বাবেই বানত উটি যোৱাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় একাংশ লোকে। পথটোৰ 'ছাইড বাম' ভালদৰে নিৰ্মাণ নকৰাৰ বাবেই সামান্য বৰষুণতে ৰেইনকাট হৈ পকী পথটোৰ বিভিন্ন অংশ খহি পৰি সুৰংগ ওলোৱাত পিছতো মেৰামতি নকৰাৰ ফলত পথটোত একাধিক বাৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ কথা ব্যক্ত কৰিছে স্থানীয় লোকে। জানিব পৰা মতে পকী পথটো ২০২০ বৰ্ষৰ পৰা ২০২৫ বৰ্ষলৈ ২০২০-২১ বৰ্ষত ১.৯৬ লাখ, ২০২১-২২ বৰ্ষত ১.২৫ লাখ, ২০২২-২৩ বৰ্ষত ৫.৩ লাখ, ২০২৩-২৪ বৰ্ষত ৬.৩ লাখ, ২০২৪-২৫ বৰ্ষত ৯ লাখ টকা মেইনটেইনেঞ্চ নাম আছিল যদিও আজিলৈ পকী পথটোৰ কোনো মেৰামতি নকৰি ওলোটাই নাম ফলক পৰিৱৰ্তন কৰি নতুনকৈ চকচকীয়া কৰা দেখা যায় যদিও নতুনকৈ নাম ফলক পৰিৱৰ্তন আৰু নাম ফলকৰ কাষতে নতুনকৈ মেইনটেনেঞ্চৰ বিৱৰণ আৰি থোৱাত ঠিকাদাৰে এক টকাৰ কাম নকৰাকৈ গোপনে মেইনটেনেঞ্চৰ নামত টকা উঠাই আত্মহাত কৰাৰ আশংকা ব্যক্ত কৰে স্থানীয় ৰাইজে। ইপিনে বাঘমাৰা চৰলৈ যোৱা পথৰ সংযোগ স্থলীত আৰ চি চি কালভাৰ্ট নিৰ্মাণ কৰা হৈছিল। কিন্তু নিম্নমানৰ সামগ্ৰীৰে কাম কৰাৰ ফলত এবছৰ সম্পূৰ্ণ নোহোৱাতে জহিখহি যোৱা পৰিলক্ষিত হয় যদিও পৰৱৰ্তী সময়ত প্ৰয়োজনীয় মেৰামতি নকৰাৰ ফলত স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীকে ধৰি ৰাইজে বিপদসংকুল অৱস্থাত ৰাইজে যাতায়াত কৰিবলগীয়া হৈছে। কালভাৰ্টখনৰ বিধ্বস্ত ৰূপৰ বাবেই গাড়ী-মটৰ দূৰৰে কথা, চাইকেলেৰেও চলাচল কৰিব নোৱাৰি। ফলত মাত্ৰ ৩০ মিটাৰ দূৰত্বৰ পথৰ পৰিৱৰ্তে একাংশই বাঘমাৰা চৰ বজাৰ হৈ প্ৰায় পাঁচ কিলোমিটাৰ অতিৰিক্ত পথ অতিক্ৰম কৰিব লগীয়া হোৱা বুলিও স্থানীয় ৰাইজৰ মন্তব্য প্ৰকাশ কৰে। ইফালে, সময়ৰ অপচয় বোধৰ বাবেই একাংশই জৰাজীৰ্ণ কালভাৰ্টৰ ওচৰতে বেলেগৰ ঘৰত মটৰচাইকেল অথবা গাড়ী-মটৰ ৰাখি বিধ্বস্ত কালভাৰ্টৰে যাতায়াত কৰি আহিছে। লোক নিৰ্মাণ বিভাগৰ দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ ৰফিজুল হকৰ এনে অৱহেলাৰ বিৰুদ্ধে ক্ষোভ ব্যক্ত কৰি অঞ্চলবাসীয়ে কয় যে, বিধ্বস্ত পকী পথছোৱা মেৰামতি কৰাৰ লগতে আজি পৰ্যন্ত মেইনটেইনেঞ্চ নকৰাৰ এক উচ্চ পৰ্যায়ৰ তদন্ত কৰি পথৰ সংযোগ স্থলীত নিৰ্মাণৰ পিছতেই ভাঙি যোৱা কালভাৰ্ট ঠাইত আৰ চি চি কালভাৰ্টটো পুনৰ মেৰামতি বা দলং নিৰ্মাণৰ কৰাৰ দাবী কৰাৰ লগতে ঠিকাদাৰ ৰফিজুল ৰফিজুল হকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে মুখ্যমন্ত্ৰী, জিলা আয়ুক্তৰ লগতে বিভাগীয় মন্ত্ৰীক দাবী জনাইছে।



নগাঁৱৰ দেওধৰ পঞ্চায়তৰ গৃহ প্ৰৱেশ কাৰ্যসূচী

# মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰহা সমষ্টিয়ে উন্নয়নৰ নতুন বাট দেখিছে

**অসম বাৰ্তা, নগাঁও, ১ আগষ্ট ঃ** নগাঁও জিলাৰ পাখীমৰিয়া-জামুগুৰি জিলা পৰিষদৰ অন্তৰ্গত দেওধৰ গাওঁ পঞ্চায়ত কাৰ্যালয়ত আজি গৃহ প্ৰৱেশ কাৰ্যসূচীটি সফলতাৰে সম্পন্ন হয়। এই গৃহ প্ৰৱেশ কাৰ্যসূচীটি আনুষ্ঠানিকভাৱে মুকলি কৰে ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে। কাৰ্যসূচীটি মুকলি কৰি বিধায়ক শশীকান্ত দাসে নিজৰ ভাষণ প্ৰসংগত কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৱল আৰু বলিষ্ঠ নেতৃত্বত ৰহা সমষ্টিয়ে নতুন বাট দেখা পাইছে। নৱ- গঠিত ৰহা সমষ্টিৰ বিভিন্ন স্থানৰ লগতে পাখীমৰিয়া-জামুগুৰি জিলা পৰিষদ সমষ্টিত উন্নয়ন তৰান্বিত হৈছে। অসম চৰকাৰৰ বিভিন্ন আচনিৰ লগতে অসম দৰ্শন আচনিৰ জৰিয়তে দেওধৰ পঞ্চায়তত কেই বাটাও ধৰ্মীয় অনুষ্ঠানক আৰ্থিকভাৱে সহযোগিতাৰ কথা উল্লেখ কৰে। বৰ্তমান পুনৰ বাকীথকা ধৰ্মীয় অনুষ্ঠান সমূহক অসম দৰ্শন আচনিত অন্তৰ্ভুক্ত কৰাৰ কথা সভাত উল্লেখ কৰে বিধায়ক শশীকান্ত দাসে। আজিৰ এই অনুষ্ঠানত বিগত পঞ্চায়ত নিৰ্বাচনত জয়লাভ কৰা প্ৰতিটো ওৱাডৰ সদস্য সকলক বিধায়ক শশীকান্ত দাসে একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনায়। এই সভাতে দেওধৰ পঞ্চায়তৰ নৱনিৰ্বাচিত সভাপতি ৰক্তিমজ্যোতি বৰাক সভাপতিৰ আসনত দায়িত্ব অৰ্পন কৰা হয়। সভাত পাখীমৰিয়া জামুগুৰি মণ্ডলৰ সভাপতি উজ্জ্বল জ্যোতি বৰুৱা, বিজেপি নগাঁও জিলাৰ বিষয়ববীয়া নীলমণি কাকতি, পাখীমৰিয়া উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মনশ্ৰী প্ৰিয়ম বৰুৱা, অভিযন্তা পুলিন নাথ, পাখীমৰিয়া জিলা পৰিষদ সমষ্টিৰ প্ৰাক্তন সদস্যা দিপিকা শইকীয়া, দেওধৰ পঞ্চায়তৰ প্ৰাক্তন সভাপতি মৃদুল ফুকন, আঞ্চলিক পঞ্চায়তৰ নবনিৰ্বাচিত সভানেত্ৰী সংগীতা ভূঞা, তুলসী দেউৰী গাঁও পঞ্চায়তৰ নৱনিৰ্বাচিত সভাপতি দীপক দাসৰ লগত ৰহা সমষ্টিৰ আন বহুকেইটা পঞ্চায়তৰ নৱনিৰ্বাচিত সভাপতি সকল উপস্থিত থকাৰ লগতে পঞ্চায়তটোৰ শতাধিক স্থানীয় ৰাইজ উপস্থিত থাকে। সাংস্কৃতিক কৰ্মী দুলাল ভূঞাই সামগ্ৰীক ভাৱে আতঁধৰা সভাৰ শেষত উপস্থিত সকলোৰে এক প্ৰীতি ভোজত অংশগ্ৰহণ কৰাৰ পাছতে অনুষ্ঠানৰ সফল সামৰণি পৰে। অনুষ্ঠানত অনাগত দিনত নৱনিৰ্বাচিত সভাপতি ৰক্তিমজ্যোতি বৰাই পঞ্চায়তটোৰ ৰাইজৰ লগত থাকি ৰাইজৰ এজন হৈ প্ৰতিদিনে ৰাইজৰ উন্নয়নৰ চিন্তা কৰিব বুলি উল্লেখ কৰে।

# ভাৰত স্কাউড এণ্ড গাইডৰ গ্ৰীষ্মকালীন শিবিৰ



**অসম বাৰ্তা, মৈৰাবাৰী, ১ আগষ্ট ঃ** ভাৰত স্কাউড এণ্ড গাইড মৈৰাবাৰী আঞ্চলিক সমিতিৰ উদ্যোগত আৰু "লেৰুৱাৰমুখ এম ই স্কুল" তথা লাহৰিঘাট আঞ্চলিক আপদা মিত্ৰৰ সহযোগত অনুষ্ঠিত হৈ যায় তিনিদিনীয়া এটি আৱাসিক গ্ৰীষ্মকালীন প্ৰশিক্ষণ শিবিৰ। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা আগমণ ঘটে প্ৰায় তিনি শতাধিক ছাত্ৰ-ছাত্ৰীৰ, যিসকলে লেৰুৱাৰমুখৰ দৰে অতি পিছপৰা আৰু বানাক্ৰান্ত অঞ্চলত আয়োজিত শিবিৰখনত অংশগ্ৰহণ কৰি স্কাউটিঙ-গাইডিঙৰ নানান দিশৰ ওপৰত প্ৰশিক্ষণ লাভ কৰে। শিবিৰ সফলভাৱে আয়োজনত মুখ্য ভূমিকা লয় ভাৰত স্কাউড এণ্ড গাইডৰ জিলা সহকাৰী প্ৰশিক্ষণ আয়ুক্ত কমৰুজ জামান আৰু জিলা সম্পাদক আজহাৰ উদ্দিন আহমেদে। তেওঁলোকক সহযোগিতা আগবঢ়ায় আঞ্চলিক প্ৰশিক্ষণ আয়ুক্ত হাৰুণ আল ৰচিদ, আঞ্চলিক সমিতিৰ সভাপতি আমিনুল হক, লগতে লেৰুৱাৰমুখ এম ই স্কুলৰ প্ৰধান শিক্ষক ফজলুল কৰিম, বিজ্ঞান শিক্ষক জিন্নাতুল ইছলাম, সহকাৰী শিক্ষক উমৰ ফাৰুক আৰু অন্যান্য শিক্ষক-শিক্ষয়িত্ৰী তথা স্থানীয় অভিভাৱক- ৰাইজে। উক্ত শিবিৰত মুখ্য অতিথি হিচাপে উপস্থিত থাকি উৎসাহ যোগায় দুৰ্য্যোগ প্ৰশমনৰ জিলা প্ৰকল্প বিষয়া ৰঞ্জু শৰ্মা, মৈৰাবাৰী প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি বদৰুজ জামান আকতাৰ, লগতে পাৰ্থ প্ৰতিম বৰা, আৰিফ জামান, ইছফাকুৰ ৰহমান (ৰুৱেল), নুৰুল শুদা (জাহাঙ্গীৰ) ফকৰুল ইছলাম, ৰিয়াজুল আকন্দ, ফৰিদ আহমেদ চৌধুৰী, জাৰ্চিজ আহমেদ, জামাদুল ইছলাম আৰু বহুতো সমাজসেৱী ব্যক্তিয়ে। তিনিদিনীয়া এই প্ৰশিক্ষণ শিবিৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে নেতৃত্ব লোৱা, শৃংখলাবদ্ধতা, সহযোগিতা আৰু একেলগে কাম কৰাৰ মূলমন্ত্ৰ অৰ্জন কৰে। শিবিৰ সফলভাৱে সমাপ্ত হোৱাৰ পাছত আয়োজক সকলে অতিথি, শিক্ষক, অভিভাৱক, স্বেচ্ছাসেৱক আৰু মিডিয়া প্ৰতিনিধি সকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

# চামগুৰি সমষ্টিৰ নৱগঠিত কৰৈগুৰি গাঁও পঞ্চায়তত এক বৃহৎ ৰেলীৰে পঞ্চায়ত গৃহ প্ৰৱেশ

**অসম বাৰ্তা, ৰূপহীহাট, ১ আগষ্ট ঃ** চামগুৰি সমষ্টিৰ কৰৈগুৰি গাওঁ পঞ্চায়তত আজি পুৱাৰ ভাগতে প্ৰতিটো ৱাৰ্ডৰ সদস্য সদস্যাক লগত লৈ ৰেলী কৰি পঞ্চায়ত কাৰ্যালয়ত প্ৰৱেশ কৰে সভানেত্ৰী চুলতানা ৰেজিয়াই। উক্ত পঞ্চায়তৰ নৱ নিৰ্বাচিত সভানেত্ৰী চুলতানা ৰেজিয়া আৰু পঞ্চায়ত সচিবৰ লগতে অঞ্চলটোৰ বিশিষ্ট গণ্য-মান্য ব্যক্তি সকলে ভাষণ প্ৰদান কৰে। পঞ্চায়তৰ তৰফৰ পৰা নৱ নিৰ্বাচিত সভানেত্ৰী গৰাকী আৰু ৱাৰ্ড সদস্য সদস্যা সকলক এখনি ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় পঞ্চায়তটোৰ সচিবৰ লগতে কৰ্মচাৰী সকলে। আজিৰ এই কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে চামগুৰি মণ্ডলৰ সভাপতি আৰিফুল কালাম। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ভাষণ প্ৰসংগত চৰকাৰী আঁচনিৰ কাম কাজ সম্পৰ্কে বহলভাৱে বুজাই দিয়ে আৰিফুল কালামৰ লগতে পঞ্চায়ত সচিবে। পঞ্চায়তৰ সভানেত্ৰী চুলতানা ৰেজিয়াই ভাষণ প্ৰসংগত ৰাইজৰ উন্নয়ন সম্পৰ্কে বহু মূল্যৱান কথা কয়। ইপিনে চামগুৰিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাৰ নেতৃত্বত কৰৈগুৰি গাঁও পঞ্চায়তখন দুৰ্নীতিৰ পৰা এশ কিলোমিটাৰ দূৰত থাকিব বুলি মন্তব্য আগবঢ়ায় ভাৰতীয় জনতা পাৰ্টীৰ যুৱ নেতা নুমান ইছলাম। লগতে তেওঁ কয় যে কোনো দুৰ্নীতি কৰা বিষয়াই এই পঞ্চায়তত আশ্ৰয় নাপায়। কৰৈগুৰি গাঁও পঞ্চায়তত চুলতানা ৰেজিয়াক সভানেত্ৰী হিচাপে পাই যথেষ্ট উৎফুল্ল হোৱা পৰিলক্ষিত হৈছে ৰাইজ।

## নগাঞা ওজাপালিৰ প্ৰশিক্ষণে পালে ব্যাপকজন সমৰ্থন

# পুৰণিগুদাম কলং কলা কেন্দ্ৰৰ তিনি প্ৰশিক্ষণৰ সামৰণি



**অসম বাৰ্তা, পুৰণিগুদাম, ১ আগষ্ট ঃ** ৰূপালী জয়ন্তী উদযাপনৰ অংশ হিচাপে পুৰণিগুদাম কলং কলা কেন্দ্ৰই অনুষ্ঠিত কৰা তিনিটিকৈ প্ৰশিক্ষণৰ আজি মুকলি সভাৰে সামৰণি মৰা হয়। নগাঁও জিলাৰ পুৰণিগুদামৰ কলং কলা কেন্দ্ৰ প্ৰাঙ্গণত যোৱা ১ জুলাইৰ পৰা ৮ জুলাইলৈ পৰম্পৰাগত মুখা শিল্প আৰু ১৬ জুলাইৰ পৰা ২৩ জুলাইলৈ পৰম্পৰা টেৰাকোটা শিল্পৰ প্ৰশিক্ষণ অনুষ্ঠিত কৰা কলং কলা কেন্দ্ৰই ২৬ জুলাইৰ পৰা অনুষ্ঠিত কৰে হেৰাই যাবলৈ ধৰা নগঞা ওজাপালিৰ বিশেষ প্ৰশিক্ষণ। ওজাপালি ছয়দিনীয়া প্ৰশিক্ষণৰ সামৰণি তথা আন দুটি প্ৰশিক্ষণৰ আনুষ্ঠানিক সমাপ্তি উপলক্ষে আয়োজিত সভাখনিত সভাপতিত্ব কৰে কলং কলা কেন্দ্ৰৰ ৰূপালী জয়ন্তী উৎসৱ উদযাপন সমিতিৰ সভাপতি কৃষ্ণ গোস্বামীয়ে। মুখা শিল্প আৰু টেৰাকোটা শিল্পৰ প্ৰশিক্ষণ চিত্তৰঞ্জন বৰাই প্ৰদান কৰাৰ বিপৰীতে নগএগ ওজাপালিৰ প্ৰশিক্ষণ প্ৰদান কৰে নগএগ ওজাপালিৰ অন্তিমগৰাকী প্ৰবীণ শিল্পী ভাবুৰাম কেওটে। সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাবুৰাম কেওটে কয় যে, নগএগ ওজাপালি মৰণ গহ্বৰলৈ গতি কৰা কথাটোৱে মোক দুখ দিছিল যদিও কলং কলা কেন্দ্ৰই অনুষ্ঠিত কৰা এই প্ৰশিক্ষণে মনলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। ওজাপালি প্ৰশিক্ষণত অংশ লোৱা প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীৰ দক্ষতাৰ কথা শলাগি তেওঁ আশা প্ৰকাশ কৰে যে, এইসকলৰ জৰিয়তে নগএগ ওজাপালিয়ে নতুন প্ৰাণ পাব। আনগৰাকী বিশিষ্ট অতিথি অৱসৰপ্ৰাপ্ত সংস্কৃত শিক্ষক প্ৰফুল্ল কলিতাই কলং কলা কেন্দ্ৰৰ ব্যতিক্ৰমী প্ৰচেষ্টাক শলাগ লৈ কয় যে, ৰাইজে, চৰকাৰে অনুষ্ঠানটোৰ মহত্ত্ব অনুধাৱন কৰি ইয়াক আগুৱাই নিয়া উচিত। সমজুৱা পিনৰ পৰা অনন্ত ভূঞাই ভাষণ প্ৰদান কৰি কয় যে, পুৰণিগুদাম অঞ্চলত নগএগ ওজাপালিৰ বিষয়ে প্ৰশিক্ষণ বা আলোচনা আগতে কেতিয়াও কৰা হোৱা নাই। অনিল বৈৰাগীয়ে ভাষণ প্ৰদান কৰি কয় যে, ২০১৪ চনতে অনুষ্ঠানটিয়ে ইয়াৰ প্ৰতিষ্ঠা দিৱসত নগএগ ওজাপালি প্ৰদৰ্শনৰ দিহা কৰি পুৰণিগুদামৰ ৰাইজৰ বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছিল। সভাপতিৰ ভাষণত কৃষ্ণ গোস্বামীয়ে পুৰণিগুদামত তাহানিতে হোৱা ওজাপালিৰ বিভিন্ন উদাহৰণ দাঙি ধৰি কয় যে, সেই সাধকসকলৰ শ্ৰম অথলে যাব যদি তাক ধৰি ৰাখি প্ৰাণৱন্ত ৰূপত ৰাখিব পৰা নাযায়। ওজাপালিৰ প্ৰশিক্ষাৰ্থী মমী গোস্বামী, বাণী বৰা বৈৰাগী আৰু প্ৰশান্ত গোস্বামীয়ে প্ৰশিক্ষণ কালত লাভ কৰা বিৰল অভিজ্ঞতা সমূহৰ বিষয়ে বিৱৰি কয়। সভাৰ শেষত সমূহ প্ৰশিক্ষাৰ্থী তথা ভাবুৰাম কেওটৰ পালি কেশৱ গগৈ আৰু দিবাকৰ বৰাই নগএগ ওজাপালি প্ৰদৰ্শন কৰে। বৰগীত বিশেষ গীতেৰে ওজা নৃত্য পৰিৱেশন কৰে মমী গোস্বামীয়ে। উল্লেখযোগ্য যে, মুখাশিল্পৰ প্ৰশিক্ষণ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰফুল্ল কলিতা, টেৰাকোটা শিল্পৰ প্ৰশিক্ষণ মধুপুৰ ধাম সত্ৰৰ ডেকা সত্ৰাধিকাৰ মাধৱদেৱ মহন্ত আৰু ওজাপালিৰ প্ৰশিক্ষণ লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণ গোস্বামীয়ে বন্তি প্ৰজ্বলন কৰি শুভ উদ্বোধন কৰিছিল।




# মাজিকুছি সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১ আগষ্ট ঃ** মাজিকুছি সমবায় সমিতী লিমিটেডৰ ২০২৫-২০২৬ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্নখন অনুষ্ঠিত হৈ যায়। দিনৰ ১১-৩০ বজাৰ পৰা অনুষ্ঠিত হোৱা সাধাৰণ সভাত সভাপতিত্ব কৰে মাজিকুছি সমবায় সমিতি লিমিটেডৰ সভাপতি ভূমিধৰ ৰাভাই। কেৱল ঋণমুক্ত অংশীদাৰ সকলৰ উপস্থিতিত সমবায় সমিতিৰ গুদান গৃহৰ সভাকক্ষত অনুষ্ঠিত সাধাৰণ সভাত দীৰ্ঘকালীন আঁচনি আৰু অনুলেখ গ্ৰহণ, বৰ্তমান বিত্তীয় বৰ্ষৰ কাৰ্যকৰী আঁচনি আৰু অনুলেখ গ্ৰহণ, যোৱা বিত্তীয় বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদন পাঠ আৰু পৰীক্ষিত, অৰিক্ষীত বছৰেকীয়া হিচাপ পৰীক্ষাৰ প্ৰতিবেদন দাখিল, যোৱা বিত্তীয় বৰ্ষৰ অনুলেখ বহিভুত খৰচৰ ওপৰত আলোচনা, বিগত বিত্তীয় বৰ্ষত ৰাহি হোৱা ধনৰ খৰচৰ ওপৰত আলোচনা, সংৰক্ষিত পুঁজি আৰু অন্যান্য পুঁজিৰ গঠনৰ ওপৰত আলোচনা, বিগত বিত্তীয় বৰ্ষত যদি পৰিচালনা ব্যয়ৰ ক্ষেত্ৰত কিবা ঘাটি আছে তাৰ ওপৰত আলোচনা, সংৰক্ষিত পুঁজি আৰু অন্যান্য পুঁজিৰ প্ৰকৃত ব্যৱহাৰৰ পৰ্যালোচনা, সঞ্চালক মণ্ডলীৰ কাৰ্যকৰী বৈঠকত অংশগ্ৰহণৰ আলোচনা, সমিতিৰ সেৱা সম্পৰ্কত সঞ্চালক মণ্ডলীৰ ভূমিকা, আভ্যন্তৰীণ হিচাপ পৰীক্ষক নিয়োগ লগতে সঞ্চালক মণ্ডলী সহ আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰ পাৰিতোষিক নিৰ্দ্ধাৰণ, সঞ্চালক মণ্ডলীৰ কাৰ্যকৰী কমিটিৰ বৈঠকত অংশগ্ৰহণৰ আলোচনা, সমিতিৰ সেৱা সম্পৰ্কত সঞ্চালক মণ্ডলীৰ ভূমিকা, সঞ্চালক মণ্ডলী, কৰ্মচাৰী আৰু সমিতিৰ সদস্যৰ শিক্ষা আৰু প্ৰশিক্ষণৰ বাবদ হোৱা খৰচৰ প্ৰতিবেদন দাখিল, সমিতিৰ উপবিধি অনুযায়ী অনান্য বিষয়ৰ ওপৰত আলোচনা, সদস্য বহিস্কৰণৰ ওপৰত আলোচনা, ২০২৫-২০২৬ চনৰ ঋণ গ্ৰহণৰ সৰ্ব্বোচ্চ সীমা নিৰ্ধাৰণ ওপৰত বিশেষভাৱে আলোচনা কৰা হয়। মাজিকুছি সমবায় সমিতি লিমিটেডৰ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সামগ্ৰী, পৰিবহণ কমিচনৰ, ছেভিংছৰ পৰা পোৱা সুত, ফি' ডিপজিট, সামূহিক সেৱা কেন্দ্ৰ, গাড়ী ভাড়া, দোকানঘৰৰ ভাড়া, পুখুৰী (মীন পালন), কৃষি ঋণ গ্ৰহণ, কৃষি ঋণৰ সুত, ঘূৰাই পোৱা কৃষি ঋণ, অনান্য আয়, ছেভিংছ ডেপজিত, ৰেকাৰিং ডিপজিত, আমাৰ দোকান, চৰকাৰী নতুন আঁচনি, যান বাহনৰ ঋণ, হাৰ্ডৱেৰ দোকান, ৰাইজ মিল অনুদান, অংশ বিক্ৰী ঋণ দানৰ সুত আদিৰ জমা খৰচৰ হিচাপ দাখিল কৰে সাধাৰণ সভাত। সমবায় সমিতিখনে বৃহত ব্যয়ৰ মাজতে কিন্তু বাৰ্ষিক ৬ লাখ টকা আয় দেখুৱাবলৈ সক্ষম হৈছে। সাধাৰণ সভাত ভেৰগাওঁ মহকুমাৰ সমবায় সমিতি সমূহৰ পৰিদৰ্শক দীনেশ গয়াৰী আৰু ধনপতি ৰায়ে পৰ্যবেক্ষক ৰূপে উপস্থিত থাকে।

## সম্পাদকীয়

# ট্ৰাম্পৰ একপক্ষীয় নীতি

বিগত কেইবাদিনো ধৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে বিভিন্ন দেশৰ ওপৰত শুল্ক আৰোপ কৰাৰ কথা কৈ আহিছে। ইয়াৰ প্ৰকৃত উদ্দেশ্য কি- বাণিজ্যিক সুবিধা নে ৰাজনৈতিক চাপ সৃষ্টি কৰা? এই প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ গ'লে দেখা যায় যে, শুল্কৰ নামত আমেৰিকাই এতিয়া ইয়াক অন্য দেশৰ নীতিক প্ৰভাৱিত কৰাৰ এক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিবলৈ লৈছে। বিশেষকৈ ভাৰতৰ ক্ষেত্ৰত এই নীতি অধিক স্পষ্ট হৈ পৰিছে।

অতি সম্প্ৰতি ট্ৰাম্পে ভাৰতৰ পৰা আমদানি কৰা বহুতো সামগ্ৰীৰ ওপৰত ২৫ শতাংশ শুল্ক আৰোপ কৰাৰ ঘোষণা দিছে। লগতে ৰাছিয়াৰ পৰা তেল কিনিলে ভাৰতক জৰিমনা দিবলগীয়া হ'ব বুলিও সতৰ্কবাণী দিয়া হৈছে। এই সিদ্ধান্তৰ পৰাই স্পষ্ট হয় যে, আমেৰিকাই ভাৰতৰ ওপৰত বাণিজ্যিক চাপ বৃদ্ধি কৰিব বিচাৰিছে। কিন্তু প্ৰশ্ন হ'ল- যেতিয়া ভাৰত আৰু আমেৰিকাৰ মাজত বাণিজ্য চুক্তিৰ আলোচনা সক্ৰিয়ভাৱে চলি আছে, তেনেস্থলত এইদৰে হঠাতে অতিৰিক্ত শুল্ক ঘোষণা কৰাৰ প্ৰয়োজনীয়তা কি?

ট্ৰাম্পৰ এই নীতি নতুন নহয়। ইয়াৰ আগতে কানাডাৰ ওপৰত ৩৫ শতাংশ শুল্ক আৰোপ কৰা হৈছিল, যিটো আলোচনাৰ মাজতেই কৰা হৈছিল। একেখিনি সময়তে ভাৰতৰ সৈতে চুক্তিৰ আলোচনা চলি থকাৰ পৰিপ্ৰেক্ষিতত এই একপক্ষীয় সিদ্ধান্তে আমেৰিকাৰ বাণিজ্য নীতিৰ দ্বৈততা ফুটাই তুলিছে। আনহাতে, আমেৰিকাৰ প্ৰতিনিধি দলে আগষ্ট মাহৰ ২৫ তাৰিখে ভাৰতলৈ আহি আলোচনা কৰিব বুলি জনা গৈছে। তেনেস্থলত, আলোচনাৰ আগতেই শুল্কৰ দাবী কৰাটোৱে আমেৰিকাই ভাৰতক চাপৰ তলত ৰাখিব বিচাৰে বুলিয়েই ধৰিব লাগিব নেকি?

এটা যুক্তি দিয়া হৈছে যে, ভাৰতৰ উচ্চ শুল্কৰ বাবেই আমেৰিকাৰ বাণিজ্য সীমিত হৈ আছে। যদি তেনেকুৱা হয়, তেন্তে ইয়াৰ সমাধান হ'ল আলোচনাৰ মাজেৰে উভয় পক্ষই সন্মত হ'ব পৰা সমাধানলৈ আগবাঢ়ি যোৱা। কিন্তু পোনপটীয়াকৈ শুল্কৰ ভাবুকি দেখুওৱাটোৱে আমেৰিকাৰ বাণিজ্যিক নীতিৰ একপক্ষীয়তা আৰু অস্থিৰতাকে সূচায়।

আন এটা উদ্বেগৰ বিষয় হ'ল- পাকিস্তানৰ সৈতে আমেৰিকাই তেলৰ ভঁৰাল বিকাশ কৰাৰ চুক্তি কৰা বুলি খবৰ ওলাইছে। ভাৰতে যদি ৰাছিয়াৰ পৰা তেল কিনিব নোৱাৰে, তেন্তে এই চুক্তিয়ে ভাৰতৰ শক্তিৰ সুৰক্ষাত বাধাৰ সৃষ্টি কৰিব পাৰে। গতিকে, এই নীতিক কেৱল বাণিজ্যিক চাপ বুলি নধৰি ভাৰতৰ স্বাৰ্থৰ বিৰুদ্ধে এক ৰাজনৈতিক খেল বুলিও ধৰিব পাৰি।

ভাৰতই ইতিমধ্যে নিজৰ অৰ্থনীতি আৰু কূটনীতিক শক্তি সুদৃঢ় কৰিছে। তেনেস্থলত, আমেৰিকাৰ এই নীতিৰ প্ৰতি ভাৰতে কঠোৰ প্ৰত্যুত্তৰ দিব পাৰে। বাণিজ্য যুদ্ধৰ ফলাফল সদায় ধনাত্মক নহয়। গতিকে, উভয় দেশে আলোচনাৰ মাজেৰে সমাধানলৈ আহিব লাগিব। আমেৰিকাই যদি ভাৰতক এটা গুৰুত্বপূৰ্ণ মিত্ৰ বুলি গণ্য কৰে, তেন্তে একপক্ষীয় সিদ্ধান্তৰ পৰিৱৰ্তে সহযোগিতাৰ মনোভাৱেৰে আগবাঢ়িব লাগিব।

শেষত ক'বলগীয়া যে, বাণিজ্যৰ ক্ষেত্ৰত পাৰস্পৰিক সন্মান আৰু সহযোগিতা হ'ল সুস্থ সম্পৰ্কৰ মূল ভেটি। আমেৰিকাই যদি ভাৰতৰ সৈতে সুস্থ বাণিজ্য সম্পৰ্ক ৰাখিব বিচাৰে, তেন্তে চাপৰ নীতিৰ পৰিৱৰ্তে আলোচনাৰ পথতেই আগবাঢ়িব লাগিব।

> আন্তৰ্জাতিক পুঁজিৰ আগ্ৰাসনৰ বিৰুদ্ধে মানুহ বিক্ষুব্ধ হৈছে, কিন্তু এই বিক্ষোভ যাতে সংগঠিত ৰাজনৈতিক বিক্ষোভলৈ ৰূপান্তৰিত নহয় তাৰ বাবে শাসক গোষ্ঠীয়ে সমাজৰ মূল সমস্যাসমূহক আঁতৰত ৰাখি অগৌণ সমস্যাসমূহক মুখ্য সমস্যা হিচাপে দাঙি ধৰিবলৈ ন ন বিষয় বা ইছুৰ সৃষ্টি কৰিছে। কাল্পনিক ইছুবোৰত বিভিন্ন তথ্য আৰু ৰহণ সানি সেইবোৰকেই মুখ্য বুলি বুলি সমাজত বিয়পাই দিয়া হৈছে। এইবোৰ মিছাক সঁচা প্ৰতিপন্ন কৰিবলৈ বিভিন্ন প্ৰযুক্তি, বিভিন্ন সামাজিক মাধ্যম, ইউ-টিউব, কৃত্ৰিম বুদ্ধিমত্তা, সামাজিক-ৰাজনৈতিকভাৱে প্ৰতিস্থিত চতুৰ প্ৰবক্তা আদিক ব্যৱহাৰ কৰা হৈছে। বৰ্তমান তিনিটা মূল সমস্যাই আমাৰ সাধাৰণ গাঁৱলীয়া মানুহক জুৰুলা কৰিছে- কৰ্মসংস্থানহীনতা, ভূমিহীনতা আৰু ক্ৰয়ক্ষমতাহীনতা।

## ৰাষ্ট্ৰীয় প্ৰতিৰক্ষাৰ দিশত এক নতুন যুগৰ সূচনা

# কোৱাণ্টাম যোগাযোগ ব্যৱস্থাৰ সফলতা

**বেদান্ত বৰা**

ভাৰতীয় প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংগঠন (DRDO) আৰু ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, দিল্লীৰ যৌথ গৱেষণাত দেশত প্ৰথমবাৰৰ বাবে কোৱাণ্টাম এনটেঙ্গলমেণ্ট-ভিত্তিক মুক্ত আকাশ যোগাযোগ ব্যৱস্থাৰ সফল পৰীক্ষা হৈছে। ই ভাৰতৰ কেৱল বৈজ্ঞানিক শ্ৰেষ্ঠতাই নহয় ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা, চাইবাৰ সুৰক্ষা আৰু গুপ্তচৰ সংস্থাৰ গোপন যোগাযোগৰ ক্ষেত্ৰত এক যুগান্তকাৰী পৰিৱৰ্তন সূচনাকাৰী সফলতা।

কোৱাণ্টাম এনটেঙ্গলমেণ্ট হৈছে এজন ব্যক্তিৰ পৰা আন এজনলৈ তথ্য প্ৰেৰণ কৰাৰ এক সম্পূৰ্ণ নতুন আৰু সুৰক্ষিত পদ্ধতি। ইয়াত দুটা কণিকা—বিশেষকৈ ফ'টন—একে সময়তে এনেকৈ সংযুক্ত হৈ থাকে যে, এটা কণিকাৰ অৱস্থাগত কোনো পৰিৱৰ্তন ঘটিলেই একে সময়তে আনটো কণিকাৰ অৱস্থাতো তৎক্ষণাত একেই ধৰণৰ পৰিৱৰ্তন ঘটে। মূল কথা হৈছে এই পৰিৱৰ্তনৰ ওপৰত দূৰত্বৰ কোনো প্ৰভাৱ নাথাকে। কণিকাদুটি হাজাৰ কিল'মিটাৰ আঁতৰত থাকিলেও সেই সংযুক্তি একেবাৰে অটুট থাকে।

ফ'টন কণিকাৰ এই বিশেষ গুণটো ব্যৱহাৰ কৰি স্থাপিত কোনো যোগাযোগ ব্যৱস্থাত অবৈধ অনুপ্ৰৱেশ—যেনে তথ্য চুৰি, সংকেত হেকিং বা গুপ্ত-শ্ৰৱণ আদি অসম্ভৱ হৈ পৰে। কোৱাণ্টাম যোগাযোগৰ দ্বাৰা প্ৰেৰিত কোনো সংকেত যদি কোনোবাই চোৰাংভাৱে পঢ়িবলৈ বা উদ্ধাৰ কৰিবলৈ চেষ্টা কৰে তেতিয়া বাৰ্তাবাহক কণিকাৰ প্ৰাকৃতিক অৱস্থা সলনি হয় আৰু সেই সময়তে সন্দেহজনক কাৰ্যকলাপ ধৰা পৰে। ফলত এই পদ্ধতি হৈছে একেবাৰে হেক প্ৰুফ আৰু সম্পূৰ্ণ সুৰক্ষিত বুলি গণ্য কৰা হয়।

ভাৰতত কোৱাণ্টাম গৱেষণাৰ ইতিহাসৰ সূচনা হয় ২০১০-২০১৫ চনৰ ভিতৰত। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (IIT), টাটা মৌলিক গৱেষণা প্ৰতিষ্ঠান (TIFR), আৰু ৰামন ৰিছাৰ্চ ইনষ্টিটিউট আদিৰ বিজ্ঞানীসকলৰ মৌলিক গৱেষণা এই যাত্ৰাৰ আধাৰ স্বৰূপ। ২০২০ চনৰ জানুৱাৰীত DRDO-এ প্ৰথম "কোৱাণ্টাম কী বিতৰণ" (QKD) সম্পন্ন কৰে আৰু তাৰ পাছতে ভাৰতীয় বায়ুসেনা আৰু সেনাৰ মাজতো ইয়াৰ পাইলট প্ৰকল্প চলায়। ইয়াৰ পিচতে IIT Delhi, IISER কলকাতা, আৰু SN Bose National Centre-ৰ বিজ্ঞানীগৰাকীয়ে Quantum Key Distribution, কোৱাণ্টাম লিংক আৰু উপগ্ৰহীয় সংযোগ স্থাপন কৰাৰ বাবে DRDO-ৰ সহায়ত গৱেষণা আৰম্ভ কৰে। পৰৱৰ্তী সময়ত কেন্দ্ৰীয় চৰকাৰে ২০২০ চনৰ বাজেটত কোৱাণ্টাম প্ৰযুক্তিক অন্যতম গৱেষণা প্ৰাধান্য ঘোষণা কৰি নেশ্যনেল মিশ্যন ফৰ কোৱাণ্টাম টেকনোলজি আৰু প্ৰয়োগ (NMQTA) আৰম্ভ কৰিছিল। এই মিশ্যনৰ বাবদ ধাৰ্য কৰা হৈছিল ৮, ০০০ কোটি টকাৰ বাজেট। ইয়াৰ উদ্দেশ্য আৰু লক্ষ্য আছিল Quantum Communication, Computing, Encryption, Sensor আৰু Network গঠনৰ দিশে ভাৰতক আত্মনিৰ্ভৰ কৰি বিশ্বমঞ্চত প্ৰতিষ্ঠা কৰা। ভাৰতীয় মহাকাশ অনুসন্ধান সংগঠন (ISRO) -য়ে ২০২২ চনৰ পৰাই Quantum Satellite Communication link স্থাপনৰ কাম আৰম্ভ কৰিছে, আৰু তেওঁলোকৰ এই যাত্ৰাত প্ৰতিৰক্ষা অনুসন্ধান তথা বিকাশ সংগঠন (DRDO)ও পদে পদে জড়িত হৈ আছে। অৱশেষত কিছু দিন পূৰ্বে DRDO আৰু IIT Delhi-ৰ গৱেষকসকলে এক কিলোমিটাৰ দূৰত্বৰ ভিতৰত মুক্ত-আকাশযোগে কোৱাণ্টাম সংকেত সফলভাৱে প্ৰেৰণ কৰাৰ লগতে সংযুক্ত ফ'টনৰ সহায়ত যোগাযোগ স্থাপন কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে, এই পদ্ধতিত কোনো ফাইবাৰ অপ্টিক কেবোল অথবা উপগ্ৰহৰ সহায় লোৱা হোৱা নাছিল। এই সফলতা সম্পূৰ্ণৰূপে স্বদেশী কৌশল আৰু গৱেষণাৰ ওপৰত আধাৰিত, যাৰ দ্বাৰা ভাৰতে নিজৰ সম্পদৰে এক স্বকীয়, স্বাধীন কোৱাণ্টাম যোগাযোগ প্ৰণালী গঢ়ি তোলাত সক্ষম হৈছে।



এই প্ৰযুক্তিৰ প্ৰয়োগে ভাৰতীয় প্ৰতিৰক্ষা ব্যৱস্থাত নিশ্চয় এক নতুন অধ্যায় আৰম্ভ কৰিব। সেনা বাহিনীৰ বিভিন্ন শাখা—থলসেনা, বায়ুসেনা, নৌসেনা, আৰু ৰ'ৰ দৰে গুপ্তচৰ সংস্থাৰ মাজত যোগাযোগ স্থাপনৰ ই অতি সুৰক্ষিত আহিলা হিচাবে পৰিগণিত হ'ব। কোৱাণ্টাম সংকেত ভাঙিবলৈ কোৱাণ্টাম কম্পিউটাৰো অক্ষম। ইয়াৰ বাবে ভাৰতৰ সেনাৰ যিকোনো অপাৰেশ্যন, ড্ৰোন নিয়ন্ত্ৰণ, আৰু ৰ'বটৰ সহায়ত কৰা যিকোনো AI ভিত্তিক সামৰিক কাৰ্যসূচী সুৰক্ষিত যোগাযোগ ব্যৱস্থাৰ জৰিয়তে নিয়ন্ত্ৰণ আৰু ৰূপায়ণ কৰিব পাৰিব। চাইবাৰ যুদ্ধৰ ক্ষেত্ৰতো এই প্ৰযুক্তিৰ ভূমিকাই সম্ভাৱনাময় দিশ উন্মোচন কৰিছে। শত্ৰু ৰাষ্ট্ৰৰ চাইবাৰ সেনা বা হেকাৰ সকলে প্ৰতিৰক্ষা সংস্থাৰ তথ্য চুৰি বা বিকৃতি ঘটোৱাত বিফল হ'ব। এই ব্যৱস্থাৰ আন এক গুৰুত্বপূৰ্ণ ব্যৱহাৰ হ'ব বিশেষ সামৰিক অভিযানত - surgical strike বা গুপ্তচৰ জড়িত কাৰ্যত। সম্প্ৰতি উপলব্ধ যোগাযোগ ব্যৱস্থা এনেধৰণৰ অভিযানৰ এটা ডাঙৰ দুৰ্বলতা আছিল। কিয়নো সংকেত ধৰা পৰাৰ আশংকা সদায় থাকে। কিন্তু কোৱাণ্টাম সংকেত ব্যৱহাৰ কৰিলে তেনে সম্ভাৱনা সমূলি নোহোৱা হ'ব।

এই প্ৰযুক্তিৰ প্ৰভাৱ কেৱল সেনা বা চৰকাৰী স্তৰতেই সীমিত নহয়। আগন্তুক বছৰবোৰত সাধাৰণ জনগণৰ জীৱনতো ই ব্যতিক্ৰমী প্ৰভাৱ পেলাব। স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত ৰোগীৰ তথ্যৰ গোপনীয়তা নিশ্চিত কৰাৰ ক্ষেত্ৰত কোৱাণ্টাম এনক্ৰিপচন অনন্য হ'ব। দূৰাৰোগ নিৰ্ণয় আৰু নিৰাময়, টেলিমেডিচিন আৰু গ্ৰামীণ চিকিৎসা কেন্দ্ৰসমূহৰ মাজত তথ্যৰ আদান-প্ৰদানৰ ক্ষেত্ৰত এই প্ৰযুক্তিয়ে এক অধিক সুৰক্ষিত তথা বিশ্বাসযোগ্য যোগাযোগৰ সুবিধা প্ৰদান কৰিব। কৃষি ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত বীজ, জলবায়ু তথা অৱহাৱাৰ খবৰ নতুবা বজাৰ যোগাযোগ সংক্ৰান্ত তথ্য কম সময়ত আৰু হেক-প্ৰুফ ৰূপে খেতিয়কলৈ প্ৰেৰণ কৰি উন্নত ফল নিশ্চিত কৰিব পৰা যাব। শিক্ষাৰ ক্ষেত্ৰত ডিজিটেল পাঠদান, গৱেষণা তথ্য, আৰু ছাত্ৰ-শিক্ষকৰ যোগাযোগ অধিক সুৰক্ষিত আৰু গোপনীয় হব। গঢ়ি উঠা অধিক গ্ৰহণযোগ্য আৰু বিশ্বাসযোগ্য ডিজিটেল দপ্তৰসমূহৰ সহায়ত সাধাৰণ নাগৰিকে বিভিন্ন চৰকাৰী সেৱা সুৰক্ষিতভাৱে লাভ কৰিব পাৰিব।

কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে National Mission on Quantum Technologies and Applications (NMQTA)-ৰ অধীনত বহু নতুন Quantum Research Centre, Incubator Hub, আৰু পৰীক্ষণ কেন্দ্ৰ স্থাপন কৰিছে। IIT, IISER, DRDO, আৰু ISRO-ৰ যৌথ অংশগ্ৰহণেৰে ২০৩০ চনৰ ভিতৰত এক পূৰ্ণাঙ্গ কোৱাণ্টাম নেটৱৰ্ক গঢ়ি তোলাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

কোনো বিদেশী প্ৰযুক্তি বা আমদানিৰ ওপৰত নিৰ্ভৰ নকৰাকৈ DRDO আৰু IIT Delhi-ৰ গৱেষকসকলে যুটীয়াভাৱে এনে এক সংবেদনশীল আৰু জটিল ব্যৱস্থা গঢ়ি তুলিবলৈ সক্ষম হোৱাটো সমূহ দেশবাসীৰ বাবে এক গৌৰৱৰ বিষয়। এই প্ৰযুক্তিৰ সহায়ত ভাৰতক "কোৱাণ্টাম চুপাৰপাৱাৰ" হিচাপে বিশ্ব মানচিত্ৰত স্থাপন কৰা সম্ভৱ। এই সফলতা ভাৰতীয় বিজ্ঞান, প্ৰতিভা আৰু আত্মনিৰ্ভৰতাৰ এক জীৱন্ত প্ৰমাণ। যি ক্ষেত্ৰত বিশ্বৰ কেৱল ৩-৪খন ৰাষ্ট্ৰইহে এই প্ৰযুক্তি গঢ়ি তোলাত সফল হ'ব পাৰিছে তেনে সময়ত ভাৰতৰ এনে এক স্বাধীন সফলতাই দেশবাসীক আশাবাদী কৰি তুলিছে।

## সম্পাদকলৈ চিঠি

# অসম সাহিত্য সভাৰ যুৱ সংসদৰ অনলাইন কৰ্মশালাৰ পদক্ষেপ

মাননীয় সম্পাদক মহোদয়,

অসম সাহিত্য সভা কেন্দ্ৰীয় যুৱ সংসদ উপ-সমিতিয়ে আয়োজন কৰা ২৫ জুলাইৰ পৰা ৩০ জুলাইলৈ অনুষ্ঠিত ছয়দিনীয়া অনলাইন 'প্ৰবন্ধ লিখন শৈলী' কৰ্মশালাখন নিঃসন্দেহে এক সফল, দিশনিৰ্দেশনামূলক আৰু সময়োপযোগী পদক্ষেপ হিচাপে বিবেচনা কৰিব পাৰি।

৩০ জুলাইৰ সন্ধিয়া ৭ বজাৰ পৰা ৯.৩০ বজালৈ অনুষ্ঠিত সামৰণি অনুষ্ঠানটোৱে ছয় দিনীয়া কৰ্মশালাৰ সফল সমাপ্তি চিহ্নিত কৰে। অনুষ্ঠানটোৰ আৰম্ভণিতে শিল্পী জ্যোতি দিহিঙ্গীয়াই "অসম সাহিত্য সভা"ৰ শীৰ্ষ গীত "চিৰ চেনেহী মোৰ ভাষা জননী" পৰিৱেশন কৰে। অসম সাহিত্য সভা কেন্দ্ৰীয় যুৱ সংসদ উপ-সমিতিৰ সহ-আহ্বায়ক অচ্যুত গগৈ আৰু উপ-সভাপতি অনিতা গগৈয়ে আঁত ধৰা সামৰণি অনুষ্ঠানৰ সভাখনত সভাপতিত্ব কৰে যুৱ সংসদ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি জীৱমণি নাথে। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, উপ-সভাপতি পদুম ৰাজখোৱা আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰাই সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি বহুমূল্য আৰু উৎসাহজনক ভাষণ আগবঢ়ায়। এই সভাত বগেন গগৈ, ড° জ্যোতিৰেখা হাজৰিকা, ড° নিভা ৰাণী ফুকন, ড° কস্তুৰী নাথ, হৃদয়ানন্দ গগৈ, আকাশদ্বীপ্ত ঠাকুৰ আদিয়ে সমল ব্যক্তি হিচাপে গুৰুত্বপূৰ্ণ আলোচনা আগবঢ়ায়। এই ধৰণৰ গঠনমূলক কৰ্মশালাই যুৱ প্ৰজন্মক প্ৰবন্ধ লিখনৰ কলা-কৌশল আয়ত্ত কৰাৰ এক অনন্য সুযোগ প্ৰদান কৰিছে। ইয়াৰ ফলত সাহিত্য চৰ্চাৰ ক্ষেত্ৰত গুণগত পৰিৱৰ্তনৰ সূচনা হ'ব বুলি আশা কৰিব পাৰি। এনে সুচিন্তিত পদক্ষেপ গ্ৰহণ কৰাৰ বাবে অসম সাহিত্য সভা কেন্দ্ৰীয় যুৱ সংসদ উপ-সমিতিক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। ভৱিষ্যতে এনে প্ৰয়োজনীয় অনলাইন কৰ্মশালাসমূহৰ ধাৰাবাহিকতা বজাই ৰখাৰ বাবে সভাৰ যুৱ সংসদক বিশেষভাৱে অনুৰোধ জনালোঁ। সাহিত্য চৰ্চাৰ বিভিন্ন শাখা, যেনে- কবিতা, গল্প, নাটক, সমালোচনা আদিৰ ক্ষেত্ৰতো এনে কাৰ্যসূচী আয়োজন কৰিলে যুৱ সমাজে অধিক উপকৃত হ'ব।

কৰ্মশালাৰ ৰেকৰ্ডিংসমূহ ইউটিউব, ফেচবুক, ইনষ্টাগ্ৰাম আদি প্লেটফৰ্মত আপলোড কৰিলে যিকোনো সময়ত, যিকোনো ঠাইৰ পৰা যুৱসমাজে ইয়াক আহৰণ কৰিব পাৰিব। বিশেষকৈ বিভিন্ন কাৰণত অনলাইন কৰ্মশালাত অংশগ্ৰহণ কৰিব নোৱৰাসকলে ৰেকৰ্ডিং চাই জ্ঞান আহৰণ কৰিব পাৰিব। এই গুৰুত্বপূৰ্ণ দিশটোত অসম সাহিত্য সভা কেন্দ্ৰীয় যুৱ সংসদ উপ-সমিতিয়ে মনোযোগ দিব বুলি আশা প্ৰকাশ কৰিছো।

**ড° বুলজিৎ বুঢ়াগোহাঁই**
কেৰিয়াৰ পৰামৰ্শদাতা তথা
মুৰব্বী, যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগ,
অসম ডন বস্ক' বিশ্ববিদ্যালয়

## সমাজৰ পৰিৱৰ্তনৰ প্ৰতিফলন

# কিতাপৰ পৰা মদৰ আলমাৰীলৈ

**টুৱাৰাম দত্ত**

সামাজিক মাধ্যমত ভিডিঅ' এটা ঘূৰি আছিল। এখন প্ৰভাৱশালী ঘৰৰ এটা আলমাৰীৰ ভিডিঅ'। দেশী-বিদেশী দামী ব্ৰেণ্ডৰ নানানটা মদৰ বটলৰে পৰিপুৰ্ণ আলমাৰী। এসময়ত আমাৰ সমাজত য'ত কিতাপ আৰু কিতাপৰ আলমাৰী শিক্ষিত ঘৰৰ পৰিচয়ৰ প্ৰতীক হিচাপে গণ্য হৈছিল, তাত আজি মদৰ আলমাৰীয়ে সেই স্থান দখল কৰিছে। এই পৰিৱৰ্তন কেৱল বাহ্যিক নে আমাৰ সংস্কৃতিৰ গভীৰ পৰিৱৰ্তনৰ প্ৰতিফলন? মদৰ বটলৰ শাৰীবোৰ কি কেৱল ডেকোৰেশনৰ অংশ, নে আমাৰ জীৱনশৈলী আৰু আচৰণৰ প্ৰকাশ? এই প্ৰশ্নবোৰে আমাক আমাৰ সমাজৰ মূল্যবোধ, পৰিচয় আৰু ভৱিষ্যতৰ দিশৰ ওপৰত পুনৰ চিন্তা কৰিবলৈ বাধ্য কৰে। এই পৰিৱৰ্তনৰ পিছফালে কি কাৰণ লুকাই আছে? ই কি আমাৰ সংস্কৃতিৰ পৰিচয়ৰ অংশ, নে কেৱল "Status Symbol"ৰ এক খেল? আৰু যদি এইটো কেৱল বাহ্যিক প্ৰদৰ্শনৰ অংশ, তেন্তে ইয়াৰ পৰিণাম কি হ'ব পাৰে?

কিতাপ এখন কেৱল কাগজৰ পাতৰ সংকলন নহয়। ই জ্ঞানৰ ভঁৰাল, চিন্তাৰ পোহৰ আৰু মানৱীয় মূল্যবোধৰ প্ৰতিফলন। কিতাপৰ আলমাৰী এটা ঘৰৰ শিক্ষা, সংস্কৃতি আৰু বুদ্ধিবৃত্তিক সমৃদ্ধিৰ প্ৰতীক আছিল। এখন শিক্ষিত ঘৰৰ পৰিচয় আছিল তাৰ কিতাপৰ সংগ্ৰহৰ গভীৰতা। কিন্তু আজিৰ দিনত সেই স্থানত মদৰ বটলৰ শাৰীয়ে ঠাই লৈছে। এই পৰিৱৰ্তন কেৱল ফেশ্বনৰ পৰিৱৰ্তন নে আমাৰ সমাজৰ মূল্যবোধৰ অৱক্ষয়ৰ ইংগিত? এই প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ হ'লে আমি আমাৰ সমাজৰ গতিশীলতা আৰু জীৱনশৈলীৰ পৰিৱৰ্তনৰ দিশত দৃষ্টি দিব লাগিব।

আধুনিক সমাজত মদৰ আলমাৰীক বহুতে "Status Symbol" হিচাপে গণ্য কৰে। ধন-সম্পত্তি, বিলাসী জীৱনশৈলী আৰু সামাজিক প্ৰভাৱৰ প্ৰদৰ্শনৰ এক অংশ হৈ পৰিছে এই বটলৰ শাৰী। বহু ঘৰত এনে আলমাৰী কেৱল ব্যৱহাৰৰ বাবে নহয়, বৰঞ্চ অতিথিৰ সন্মুখত নিজৰ সামাজিক স্থিতি প্ৰকাশৰ এক মাধ্যম হৈ পৰিছে। এই প্ৰদৰ্শনৰ মাজত আমি হয়তো আমাৰ প্ৰকৃত সংস্কৃতিৰ পৰা আঁতৰি গৈছো। যি সমাজে জ্ঞান আৰু শিক্ষাক সৰ্বোচ্চ স্থান দিছিল, তাত আজি বাহ্যিক প্ৰদৰ্শনকামীতা আৰু ভোগবাদী জীৱনশৈলীয়ে প্ৰাধান্য লাভ কৰিছে। মদৰ বটলৰ শাৰী এটা ঘৰৰ সৌন্দৰ্য্যৰ অংশ হ'ব পাৰে, কিন্তু ই কি আমাৰ সমাজৰ মূল্যবোধৰ প্ৰতিফলন?

ব্যক্তিগত পছন্দ এটা নিজৰ কথা হ'ব পাৰে। কি খাব, কি ৰাখিব, ক'ত ৰাখিব- এই সিদ্ধান্ত প্ৰত্যেকৰে নিজৰ। কিন্তু যেতিয়া কোনো প্ৰভাৱশালী ব্যক্তিৰ কথা আহে, তেতিয়া তেওঁৰ পছন্দই সমাজৰ ওপৰতো প্ৰভাৱ পেলায়। এজন প্ৰভাৱশালী ব্যক্তিৰ ঘৰত থকা মদৰ আলমাৰীয়ে তেওঁৰ জীৱনশৈলীৰ প্ৰতিফলন ঘটায় আৰু তাৰ পৰা সমাজৰ একাংশ, বিশেষকৈ যুৱ প্ৰজন্ম, প্ৰভাৱিত হয়। এই প্ৰভাৱে এনে এক ধাৰণা গঢ়ি তুলিব পাৰে যে মদৰ বটলৰ শাৰী এটা আধুনিকতাৰ প্ৰতীক। কিন্তু এই ধাৰণাৰ পিছফালে লুকাই থাকে এক ভয়ংকৰ সত্য। মদৰ বটলত হয়তো ক্ষণিকৰ আনন্দ থাকিব পাৰে, কিন্তু তাৰ পৰিণাম প্ৰায়ে ভয়ংকৰ।



মদৰ কু-প্ৰভাৱৰ কথা আমি সকলোৱে জানো। ই শাৰীৰিক স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলোৱাৰ লগতে মানসিক স্বাস্থ্যৰো ক্ষতি কৰে। পৰিয়ালৰ সম্পৰ্ক, সামাজিক স্থিতিশীলতা আৰু ব্যক্তিগত জীৱনৰ ওপৰতো ই নেতিবাচক প্ৰভাৱ পেলায়। বহু ক্ষেত্ৰত মদৰ অত্যধিক সেৱনে পৰিয়ালৰ ভাঙোন, সামাজিক অশান্তি আৰু অপৰাধৰ সৃষ্টি কৰে। যি সমাজে মদৰ আলমাৰীক গৌৰৱৰ প্ৰতীক হিচাপে গণ্য কৰিবলৈ আৰম্ভ কৰে, তাত জ্ঞান, শিক্ষা আৰু মানৱীয় মূল্যবোধৰ স্থান ক্ৰমশঃ সংকুচিত হৈ আহে। এই পৰিৱৰ্তন আমাৰ সংস্কৃতিৰ পৰিচয় নহয়, বৰঞ্চ ই এক প্ৰকাৰৰ সামাজিক বিভ্ৰান্তিৰ প্ৰতিফলন।

আমাৰ সমাজৰ এই পৰিৱৰ্তনৰ পিছফালে আছে বিশ্বায়নৰ প্ৰভাৱ। পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱত আমি আমাৰ মূল সংস্কৃতিৰ পৰা আঁতৰি গৈছো। বিশ্বায়নে আমাক আধুনিকতাৰ নামত বহু কিছু দিছে, কিন্তু তাৰ লগতে আমাৰ পৰম্পৰাগত মূল্যবোধৰো ক্ষয় ঘটাইছে। মদৰ আলমাৰীৰ উত্থান এই বিশ্বায়নৰেই এক ফল। পশ্চিমীয়া সমাজত মদৰ সংস্কৃতিৰ প্ৰচলন আমাৰ সমাজতো প্ৰৱেশ কৰিছে। কিন্তু পশ্চিমীয়া সমাজৰ সৈতে আমাৰ সমাজৰ সামাজিক-সাংস্কৃতিক পৰিস্থিতিৰ পাৰ্থক্য আছে। আমাৰ সমাজত পৰিয়ালৰ গুৰুত্ব, সম্প্ৰদায়ৰ ঐক্য আৰু নৈতিক মূল্যবোধৰ স্থান সদায় উচ্চ আছিল। কিন্তু মদৰ সংস্কৃতিৰ প্ৰভাৱে এই মূল্যবোধবোৰৰ ওপৰত আঘাত হানিছে।

এই পৰিস্থিতিত আমি প্ৰত্যেকে নিজৰ মনত প্ৰশ্ন কৰিব লাগিব—আমি কি ধৰণৰ সমাজ গঢ়িব বিচাৰো? এনে এখন সমাজ, য'ত মদৰ বটলৰ শাৰীয়ে আমাৰ পৰিচয় নিৰ্ধাৰণ কৰিব, নে এনে এখন সমাজ, য'ত জ্ঞানৰ পোহৰে আমাক পথ দেখুৱাব? এই পৰিৱৰ্তনৰ বিৰুদ্ধে আমি কি কৰিব পাৰো? প্ৰথমতে, আমি আমাৰ যুৱ প্ৰজন্মক শিক্ষা আৰু সংস্কৃতিৰ গুৰুত্বৰ বিষয়ে সচেতন কৰিব লাগিব। শিক্ষাৰ মাধ্যমেৰে আমি তেওঁলোকক এনে মূল্যবোধৰ প্ৰতি আকৰ্ষিত কৰিব পাৰো, যিয়ে আমাৰ সমাজৰ মৌলিকত্বক সুৰক্ষিত ৰাখিব। দ্বিতীয়তে, আমি আমাৰ পৰিয়াল আৰু সম্প্ৰদায়ৰ মাজত মদৰ কু-প্ৰভাৱৰ বিষয়ে সজাগতা বিয়পাব লাগিব। তৃতীয়তে, আমি আমাৰ সংস্কৃতিৰ গুৰুত্বপূৰ্ণ উপাদানসমূহক পুনৰ জাগ্ৰত কৰিব লাগিব- যেনে সাহিত্য, শিল্প, সংগীত আৰু পৰম্পৰাগত মূল্যবোধ।

আমাৰ পছন্দই আমাৰ ভৱিষ্যত নিৰ্ধাৰণ কৰে। এটা কিতাপৰ আলমাৰীয়ে আমাক জ্ঞানৰ জগতলৈ লৈ যায়, আমাৰ চিন্তাশক্তিক প্ৰসাৰিত কৰে আৰু আমাক এজন উন্নত মানুহ হিচাপে গঢ়ি তোলে। আনহাতে, মদৰ আলমাৰীয়ে হয়তো ক্ষণিকৰ আনন্দৰ সৈতে আমাক অন্ধকাৰৰ দিশলৈ টানি নিয়ে। এতিয়া পছন্দ আমাৰ হাতত। আমি কি বাছি ল'ম, তাৰ ওপৰত নিৰ্ভৰ কৰিব আমাৰ সমাজৰ ভৱিষ্যতৰ পৰিচয়। আমি যদি আমাৰ মূল সংস্কৃতিৰ প্ৰতি সচেতন হৈ, জ্ঞান আৰু শিক্ষাক পুনৰ আমাৰ জীৱনৰ কেন্দ্ৰবিন্দু কৰি তুলিব পাৰো, তেন্তে আমি এখন উন্নত সমাজ গঢ়ি তুলিব পাৰিম। নহ'লে, মদৰ বটলৰ শাৰীৰ পিছত দৌৰি আমি আমাৰ পৰিচয় হেৰুৱাব পাৰো।

# আধুনিকতা আৰু বৰ্তমানৰ সমাজ ব্যৱস্থা

**ডাঃ মৃণাল দাস**

সময়ৰ প্ৰবাহৰ সৈতে সমাজ ব্যতিক্ৰম নহয়। যুগে যুগে সমাজ ব্যৱস্থাত নানা ধৰণৰ পৰিৱৰ্তন দেখা গৈছে, যাৰ ফলস্বৰূপেই আজিৰ আধুনিক সমাজ গঢ় লৈ উঠিছে। আধুনিকতা শব্দটোৱে মূলতঃ নতুন চিন্তাধাৰা, বিজ্ঞান-প্ৰযুক্তিৰ অগ্ৰগতি, জীৱন যাত্ৰাৰ উন্নতি, আৰু মানৱ সমাজৰ সামগ্ৰিক বিকাশক বুজায়। বৰ্তমান যুগটো তথ্য-প্ৰযুক্তিৰ যুগ, য'ত প্ৰতিটো খণ্ডত গতি, দক্ষতা আৰু আধুনিক ব্যৱস্থাপনাই সমাজক আগুৱাই লৈ গৈছে। আধুনিকতাৰ অন্যতম দান বুলি ক'লেই বিজ্ঞানৰ বিস্ময়কৰ উন্নতিৰ কথা ক'ব লাগিব। যোগাযোগ ব্যৱস্থাৰ গতি, চিকিৎসা বিজ্ঞানৰ বিকাশ, শিক্ষা আৰু তথ্যৰ বিস্তাৰ আদি সকলোৰে কেন্দ্ৰবিন্দুতে আছে প্ৰযুক্তি। ইন্টাৰনেট, মোবাইল ফোন, কৃত্ৰিম বুদ্ধিমত্তা, অনলাইন শিক্ষা আদি আধুনিক সমাজ ব্যৱস্থাৰ অংশ হৈ পৰিছে। আগতে যি কামৰ বাবে দিনযোৰা সময় লাগিছিল, আজিকালি সেই কাম মুহূৰ্ততে শেষ কৰিব পৰা যায়। এনেধৰণৰ আধুনিক জীৱনপদ্ধতিয়ে মানুহৰ জীৱনক সহজ, সুৰক্ষিত আৰু আৰামদায়ক কৰি তুলিছে। শৈক্ষিক ক্ষেত্ৰত ডিজিটেল শিক্ষা, চিকিৎসালয়ত ৰ'বটিক ছাৰ্জাৰী, পঢ়াশালাৰ পৰিৱৰ্তে অনলাইন পাঠদান, মেট্ৰ' চহৰৰ সৰ্বজনীন পৰিবহণ ব্যৱস্থা আদি সকলো আধুনিকতাৰ দৃষ্টান্ত। লগতে, সমাজত মহিলাৰ অৱস্থান, লিংগ সমতা, শিশুৰ অধিকাৰ, আৰু বয়োজ্যেষ্ঠৰ সুৰক্ষাৰ ক্ষেত্ৰতো সচেতনতা আৰু পৰিবৰ্তন আহি পৰিছে।

কিন্তু এই আধুনিকতাৰ মাজতে কিছু ভাবুকিও সৃষ্টি হৈছে। সমাজ ব্যৱস্থাত ব্যক্তিকেন্দ্ৰিকতা বৃদ্ধি পাইছে, যাৰ ফলত মানুহৰ মাজৰ আন্তঃসম্পৰ্ক আৰু সহানুভূতিৰ অৱনতি হৈছে। পৰিয়ালৰ সদস্যসকলে আজিকালি একে ঘৰতে থাকিও মোবাইল ফোন বা সামাজিক মাধ্যমত বৰ বেছি ব্যস্ত হৈ থাকে। যাৰ ফলত, বাস্তৱিক বন্ধুত্ব, মানৱীয় স্পৰ্শ, আৰু আন্তৰিক সংলাপ হ্ৰাস পাইছে। আধুনিকতা ভোগ আৰু বিলাসিতাক উৎসাহিত কৰিছে। মানুহে প্ৰয়োজনতকৈ অধিক উপভোগৰ সন্ধান কৰিছে, যাৰ ফলত সমাজত নৈতিক অধঃপতন ঘটিছে। মানুহৰ মনৰ পৰা সহমৰ্মিতা, আদৰ্শ আৰু সাংস্কৃতিক মূল্যবোধ অলপ অলপকৈ আঁতৰ হৈ আছে। অকলে খোৱাৰ, নিজৰ স্বাৰ্থ উদ্ধাৰৰ মনোভাৱ বাঢ়ি গৈছে।

বিশ্বায়নৰ প্ৰভাৱত স্থানীয় ভাষা-সংস্কৃতি, পৰম্পৰা আৰু নৈতিকতাৰ পৰিচয় হ্ৰাস পাইছে। অসমৰ দৰে সাংস্কৃতিকভাৱে সমৃদ্ধ অঞ্চলতো অন্য ভাষা, সংস্কৃতি আৰু পশ্চিমীয়া ধাৰাৰ আধিপত্য বৃদ্ধি পাইছে। যাৰ ফলত নতুন প্ৰজন্মে অসমীয়া জাতীয় জীৱনৰ পৰম্পৰা পাহৰি পেলাবলৈ ধৰিছে।

সেয়ে আধুনিকতাৰ সদ্ব্যৱহাৰেই হ'ব লাগে সমাজৰ লক্ষ্য। আধুনিকতা আৰু পৰম্পৰাৰ মাজত এক সুন্দৰ সমন্বয় ঘটাব লাগিব। যুগৰ প্ৰৱাহৰ সৈতে খাপ খুৱাই উন্নতিৰ দিশে আগুৱাই যোৱাটোৱেই সত্য আধুনিকতা। সমাজ ব্যৱস্থাত যদি বিজ্ঞান, প্ৰযুক্তি, নৈতিকতা আৰু মানুহৰ মাজৰ সম্প্ৰীতি একেলগে আগবাঢ়ে, তেনেহলে এনে সমাজ ব্যৱস্থা সততে সুস্থ, উন্নত আৰু মানৱিক সমাজ ৰূপে গঢ় লৈ উঠিব।

# গৰম বন্ধ

ইভা গন্ধীয়া ফুকন

স্কুলীয়া জীৱনত গৰম বন্ধটো এটা উৎসৱ যেন লাগিছিল অৰুণীমাৰ। গৰম বন্ধ দিয়া দিনা কিমান যে ফুৰ্তি, ঘৰলৈ আহি পঢ়া টেবুলত কিতাপৰ বেগ থৈ কিবা খালে কি নাখালে চিধাই খেলিবলৈ দৌৰ। পিছদিনাৰ পৰা এক মাহলৈ স্কুল যাব নালাগে গতিকে স্কুল বেগ টেবুলতে পৰি ৰয়। গৰম বন্ধ দিন কেইটা বাৰীৰ আম, কঁঠাল, পনীয়ল, থেৰেজু আদি খাই খাই বৰ আনন্দৰে পাৰ কৰিছিল। শাওণৰ বোকা পথাৰৰ বোকাৰ মাদকতা ন- ভূঁই ৰোৱা আদিত ভাগ লোৱা, হেলছ গুটি, তৰা গছ, কচু গছে বন্তিগছি জ্বলাই গুৰুক দিম ভকতক দিম বুলি গুজেই গজালি হৈ খেতিডৰা নদন বদন হওক বুলি সেৱা জনোৱা, কোনো কোনোৱে পকা কঁঠালৰ ফুটা আগ বঢ়ায়। এইবিলাক উপভোগ কৰি আনন্দ পোৱা অৰুণীমা শৈশৱৰ দেওনা পাৰ হৈ ভৰ যৌৱনা হ'ল। পঢ়া -শুনাও সমাপ্ত কৰিলে বিশ্ববিদ্যালয়লৈকে পঢ়ি। মাক দেউতাকে তাইক বিয়াৰ বাবে জোৰ দিছে।

বিয়া শব্দটো মন পুলকিত কৰা এটি মিঠা শব্দ। বিয়া মানে দুটি মন এক হৈ হাজাৰ স্বপ্ন দিঠক কৰা। দুটি পৰিয়াল এক কৰাৰ লগতে দুখন ঠাইৰ নিয়ম নীতি আচাৰ ব্যৱহাৰ আদিৰ লগত পৰিচয় হোৱা। বিয়া শব্দটো শুনি অৰুণীমাৰ অন্তৰতো অজান পুলক নজগোৱা নহয়। ভয় হয় জনোচা তাইৰ মনৰ মানুহজন তাই ভবাৰ দৰে নহয়। বিয়া এখন নীলা চাদৰ নহয় যে মন গ'লে গাত মেৰিয়াই ল'ব আৰু মন ভৰিলে দলিয়াই দিব। তাই মাক দেউতাকক কৈ দিছে তোমালোকে পছন্দ কৰা ল'ৰালৈকে বিয়াত বহিম। চাবা যাতে ল'ৰাজন বহল মনৰ গৰাকী হয়। অৱশেষত মাক দেউতাকে চাই দিয়া এজন কলেজৰ প্ৰফেছাৰৰ লগত বিয়া ঠিক হ'ল। তায়ো কোনো আপত্তি নকৰিলে। ঘৰৰ এক মাত্ৰ ল'ৰা অৰুণাভ বায়েক দুজনী ইতিমধ্যে বিয়া হৈ গৈছে। মাক দেউতাক আৰু অৰুণাভ। নীতি নিয়মেৰে দুয়োখন ঘৰৰ অহা যোৱা আৰু মত বিনিময়ত বিয়াখন সুকলমে হৈ গ'ল।

নতুন ঘৰৰ নতুন পৰিৱেশত মিলি যাবলৈ অৰুণীমাৰ বেছি অসুবিধা নহ'ল। তাই শিক্ষিতা ছোৱালী কাক কেনেকৈ ব্যৱহাৰ কৰিব লাগে সেইটো তাই জানে। এইদৰে দিন পাৰ হৈ দুবছৰৰ পিছত তাই এটি পুত্ৰ সন্তানৰ মাতৃত্বৰ গৌৰৱ অৰ্জন কৰিলে। অৰুণীমা গৃহস্থী সংসাৰত ব্যস্ত হৈ পৰিল। তাৰ দুবছৰৰ পিছত শহুৰ দেউতাকৰ মৃত্যু হ'ল বেমাৰত পৰি। লাহে লাহে আৰুহে ব্যস্ত হৈ পৰিল তাই শাহু মাক আৰু সন্তানৰ আলপৈচান ধৰা আদি ঘৰুৱা কামত। নিজৰ জন্ম ঘৰখনলৈ যাবলৈও সময় নোহোৱা হৈ পৰিল। কেতিয়াবা ক'ৰবাত যাব ইচ্ছা জাগিলেও মনতে সামৰিব লগা হয়। অৰুণীমাৰ পঢ়া চাৰ্টিফিকেট বোৰ আলমাৰীৰ জেগা বন্দী কৰি পৰি ৰ'ল।

যেতিয়া অৰুণাভ আৰু ল'ৰাৰ গৰম বন্ধ আহে তেতিয়া অৰুণীমাৰো সেই শৈশৱৰ গৰমৰ বন্ধৰ দিন বোৰলৈ বৰকৈ মনত পৰে। অৰুণীমাই সৰু কালৰ ৰং ধেমালিৰে ভৰা দিনবিলাকৰ মাদকতা নিজৰ সন্তানকো দিব খোজে। কিন্তু যুগৰ পৰিবৰ্তন আজিকালি ল'ৰা ছোৱালী বিলাক বাহিৰৰ খেল ধেমালিতকৈ মোবাইল ফোনৰ লগতহে খেলি ভাল পায়। সেয়ে অৰুণীমাই বন্ধ দিনকেইটা নিজৰ সন্তানক বাহিৰৰ জগত খনৰ প্ৰাকৃতিক পৰিবেশৰ লগত চিনাকি কৰি তুলিব মন কৰে।



কেইদিন মানৰ কাৰণে ভ্ৰমণ কৰিব ইচ্ছা থাকিলেও শাহু মাকক এৰি যোৱাটো সম্ভৱ নহয়। লগত লৈ যাবলৈও নোৱাৰে কাৰণ তেখেতৰ দেহাই নোৱাৰে। বায়েকহঁতৰ লগত থৈ যাবলৈও তেওঁলোক নিজৰ নিজৰ সংসাৰত ব্যস্ত থাকে। এই বাৰ গৰম বন্ধত অলপ বিদেশ ভ্ৰমণ কৰিম বুলি অৰুণাভৰ আগত কথা উলিয়াব খুজিও ৰৈ যায়।

এদিন সকলোৱে ডাইনিং টেবুলত ভাত খাই থাকোঁতে অৰুণীমাই সাহ কৰি কথাটো উলিয়ালে। এই গৰম বন্ধতে আমি অলপ বাহিৰত ফুৰি আহিম বুলি ভাবিছোঁ। লৰাই ফুৰ্তিতে বৰ ভাল হ'ব, মা ক'ত যাম আমি বুলি মাকক সাৰটি ধৰিলে। শাহু মাকে ক'লে তোমালোক গ'লে মই কাৰ লগত থাকিম তোমালোকৰ লগতো মই যাব নোৱাৰিম মোৰ দেহাই নাটানে। অৰুণাভে “তাকেইটো” বুলি কথা সামৰিলে। অৰুণীমাই আৰু কথা আগনবঢ়ালে। তাইৰ মনৰ আশা মনতে ৰ'ল। খাই বৈ পাকঘৰ সামৰি অৰুণীমাই টিভিৰ আগত বহিল। টিভিটো নামত হে খুলি থৈছে তাই মনতে ভুৰভুৰাই আছে – বিয়াৰ মধুচন্দ্ৰিকা নিশা “দুয়ো দুয়োৰে সুখ দুখৰ প্ৰতি খিয়াল ৰখাৰ প্ৰতিশ্ৰুতি দিয়াৰ” কথা এইডালে (অৰুণাভ ) কিয় পাহৰিলে? মোৰ কথাটো অলপো ভাবি নাচালে।

দুদিনৰ পিছত অৰুণাভৰ বায়েকহঁত গৰম বন্ধ কটাবলৈ মাকৰ ঘৰলৈ আহিম বুলি খবৰ দিলে। মাকৰ বৰ স্ফুৰ্তি জীয়েক নাতি নাতিনীহঁত আহিব বুলি। আলহী ৰূমত এ চি (Air cooler) লগাবলৈ পুতেকক কৈছে। গৰমত যাতে কষ্ট নাপায় ছোৱালী নাতি নাতিনীতহঁতে। মাকৰ কথামতে ৰূমত এ চি লগাই পৰ্দা, বিছনা চাদৰ সকলো নতুন কৰি চাফ চিকুন কৰি ৰাখিলে। বায়েকহঁত থকা কেইদিন অৰুণীমা আৰু বেছি ব্যস্ত হৈ পৰিল তেওঁলোকৰ মনপছন্দৰ খানা চাহ আদিৰ যোগান ধৰা এইবোৰত। নানা ধৰণৰ ব্যঞ্জন ৰান্ধি সকলোৱে মিলিজুলি সময় পাৰ কৰিছে। অৰুনিমা বায়েকহঁতক পাই নানা ধৰণৰ কথা বতৰা পাতি আনন্দ লভিছে যদিও ভিতৰি সুখী নহয়। তাই এইকেইদিন নিজৰ ফোনটো চাবলৈও সময় পোৱা নাই।

ঘৰুৱা কাম বন কৰি থাকে যদিও অৰুণীমাৰ মনটো অনুসন্ধীৎসু হৈ থাকে। তাই আজৰি পালে ফেচবুক, হোৱাতছ এপত পুৰণা কলেজৰ দিনৰ বন্ধু বান্ধৱী সকলৰ লগত গঠন মূলক কথা আলোচনা কৰি ভাল পায়। কলেজৰ বন্ধু নীলভৰ লগত প্ৰায়ে কথা বতৰা হৈ থাকে, বৰ্তমান কি কৰিছা এইবিলাকৰ খবৰ ৰাখে। নীলভে ACS exm (Assam Civil Survice)ৰ প্ৰস্তুতি কৰি আছোঁ বুলি জনালে। অৰুণীমাইও ACS exm দিবৰ বাবে প্ৰয়োজনীয় কিতাপ অনলাইন অৰ্ডাৰ কৰি প্ৰস্তুতি চলাই পৰীক্ষাত বহিছিল।

নিশা ভাত পানী খাই শুবৰ সময়ত অৰুণীমাই অৰুণাভক ক'লে হেৰা মই কথা এটা ভাবিছোঁ কওঁ নে? তুমি বা কি কোৱা, অৰুণাভে ক'লে কোৱা। বাইদেউহঁত কেইদিনমান আমাৰ ঘৰত থাকিব যেতিয়া আমি অলপ বাহিৰত ফুৰি আহিলে কেনে হয়? অৰুণাভে কথাটো অলপ ভাবি চাই বেয়া নহয় বাৰু, কালিলৈ মাৰ আগত কথাটো উলিয়াম দিয়া। অৰুণীমাই কৈছে মায়ে কি বুলি ভাবে আকৌ অৰুণাভে হ'ব দিয়া মই মাক পতাই ল'ম তুমি চিন্তা কৰিব নালাগে এতিয়া শুই থাকা। মাক কেনেকৈ পতাব লাগে মই জানো। কথামতে পিছদিনা অৰুণাভে মাকৰ কাষত গৈ কথাটো ক'লে - মা বাইদেউহঁত ইয়াত থাকোঁতে আমি অলপ বাহিৰত ফুৰি আহোগৈ বুলি ভাবিছোঁ। বাবাটো জন্ম হোৱাৰ পৰা ক'লৈকো ফুৰিবলৈ বুলি যোৱা হোৱা নাই। গৰম বন্ধ শেষ হ'লে আকৌ যাব নোৱাৰিম। মাকেও হ'ব তেনে বুলি একো আপত্তি নকৰিলে।

লগে লগে অনলাইনত এৰোপ্লেনৰ টিকট বুক কৰিলে। দিল্লীলৈকে গৈ তাতে দুদিন কটাই দিল্লীৰ ইণ্ডিয়া গেট, লালকিল্লা, কুটুব মিনাৰ, লটাচ টেম্পল আদি পৰিদৰ্শন কৰি পিছদিনা কাশ্মীৰলৈ বুলি উৰা মাৰিলে। তাতে কাশ্মীৰৰ সৌন্দৰ্য উপভোগ কৰি থাকোঁতে অৰুণীমাৰ ফোনটো বাজি উঠিল তাই চাই দেখে নীলভৰ ফোন। ফোনটো ৰিছিভ কৰি হেল বুলি কোৱাৰ লগে লগে ইফালৰ পৰা নীলভৰ কণ্ঠ “হেই পাৰ্টি খাব আহি আছোঁ” - অৰুণীমা আচৰিত হৈ ক'লে কিহৰ পাৰ্টি লাগে ফুৰিব আহিলে কি পাৰ্টি দিয়ে নেকি?

নীলভ ঃ কি কোৱা হে ক'ত আছা তুমি। আজি বাতৰি কাকত চোৱা নাই নেকি, মই পাৰ্টি লাগে বুলি কোৱা কাৰণে নজনাৰ ভাও ধৰিছা।

অৰুণীমা ঃ খুলি কোৱা চোন নীলভ কি হৈছে।

নীলভ ঃ আজি ACS Exmৰ ৰিজাল্ট ওলাল তুমি পাছ কৰিছা।

অৰুণীমা ঃ আৰু তুমি, তোমাৰ ৰিজাল্ট কোৱা।

নীলভ ঃ ময়ো পাছ কৰিলোঁ।

অৰুণীমা ঃ ৱাও বৰ মজা খবৰ দিলা। মই বৰ্তমান কাশ্মীৰত আছোঁ ঘৰলৈ আহি পাৰ্টি কৰিম দিয়া। খবৰটো দিয়াৰ বাবে বহুত বহুত ধন্যবাদ জনালোঁ নীলভ বুলি ফোন কাটিলে।

খবৰটো অৰুণাভক ক'লে। ৱাও মোৰ ৰাণী তোমাক মানিছো কিন্তু ইমান কামৰ মাজতো তুমি কেতিয়া পঢ়া শুনা কৰি পৰীক্ষা দিছিলা তুমিহে জানা আৰু। আজি মই বহুত সুখী তোমাৰ দৰে এগৰাকী নাৰী মোৰ জীৱন সঙ্গী পায় এইবুলি কাষলৈ টানি আনি চুমা এটা দি দিলে গালতে। কাষতে যে নিজৰ ল'ৰা আছিল ভাবিয়ে নাচালে। সাত বছৰীয়া সন্তানে মা-দেউতা মই একো দেখা নাই কিন্তু, বৰফ গ'লা হে চাই আছোঁ বুলি কোৱাতহে সচেতন হ'ল।

অৰুণাভে কিছু চিন্তা কৰি অৰুণীমা তুমি চাকৰি কৰিব গ'লে মাক কোনে চাব? অৰুণীমা - সেই তুমি কিনো ভাবি আছা ফুৰি লওঁ এতিয়া ফুৰাৰ আনন্দ লোৱা। ঘৰলৈ গৈ ভাবিম। মই সকলো চম্ভালি ল'ম মাক চাবৰ বাবে মাৰ লগত থকাকৈ এগৰাকী মানুহ বিচাৰি ল'ম। এইবোৰ মোৰ ওপৰত এৰি দিয়া।

# নোকোৱা কথাবোৰ

কিছুমান কথা নোকোৱাকৈয়ে আজীৱন বুকুৰ ভিতৰত ৰৈ যায়। তেনেদৰে ৰৈ গ'ল লাৱণ্যক কম বুলি ভবা কথাখিনি যে মই তোমাক.........। কেতিয়াবা যদি লাজে আৱৰি ধৰে, কেতিয়াবা মুখৰ ভিতৰৰ পৰা ওলাই নাহে। কম বুলি মনটোক সাজু কৰোঁতেই সকলো খেলি - মেলি হৈ যায়।

প্ৰেমৰ পৰিণতিত আজি দুকুৰি বছৰৰ আগতে লাৱণ্য আৰু উদয়াদিত্যৰ বিয়া হৈছিল। দুটা ল'ৰা - ছোৱালীৰে এখন সুখৰ সংসাৰ। কেতিয়াও প্ৰকাশ নকৰাকৈয়ে তেওঁলোকৰ প্ৰেমে পূৰ্ণতা পাইছিল। যেতিয়া হৃদয়ে কথা পাতে, হৃদয়ৰ মিলন হয়, প্ৰেম প্ৰকাশ কৰিবলৈ শব্দৰ প্ৰয়োজন নহয়। কিন্তু এতিয়া উদয়াদিত্যই বুকুৰ সাঁচতীয়া কথাবোৰ কৈ দিব খোজে। কিন্তু কবলৈ লওঁতে লাজ, ভয়, সংকোচে বাট ভেটি ধৰে।

এনেদৰেই দিন, মাহ, বছৰ পাৰ হৈ গ'ল। মূৰৰ চুলিকেইডালেও বৰণ সলালে। মাজে মাজে হৈ থকা কাহটো যেন এতিয়া বেছিকৈ হবলৈ ধৰিছে। লাৱণ্যই মন কৰিলে তেওঁৰ যেন মাতটো বহি গৈছে।

-এনেকৈ নহ'ব। তুমি ডাক্তৰৰ ওচৰলৈ যোৱা। অনুমানত দৰৱ খাই থাকিলে নহ'ব। পত্নীৰ আদেশত পুত্ৰৰ লগত উদয়াদিত্য ডাক্তৰৰ ওচৰলৈ গ'ল। সেইদিনাই আহিল অনাকাংক্ষিত খবৰটো। উদয়াদিত্যৰ ডিঙিত কেন্সাৰ হৈছে। ডাক্তৰে পৰামৰ্শ দিলে মুম্বাইলৈ গৈ চিকিৎসা কৰিলে ভাল হ'ব। যিহেতু ৰোগটো আৰম্ভণি পৰ্যায়তে আছে গতিকে চিকিৎসা কৰিলে ভাল হ'ব।

কথাবোৰ শুনি লাৱণ্য অলপ সময় থৰ হৈ থাকিল। তাৰ পাছত মুখখন ঢাকি কান্দিবলৈ ধৰিলে। তাৰ পাছৰ দুদিনতে মুম্বাইলৈ যাবলৈ সকলো যোগাৰ হ'ল। উদয়াদিত্য যোৱাৰ আগদিনা জীয়েক ঘৰলৈ আহিল। তাই এইকেইদিন মাকৰ লগতে থাকিব। লাৱণ্যও যাবলৈ ওলাইছিল। কিন্তু ঘৰখন কোনে চম্ভালিব? ঘৰৰ দায়িত্ব লাৱণ্যক দি উদয়াদিত্য আৰু তেওঁৰ পুত্ৰ মুম্বাইলৈ ওলাল।

মুম্বাইৰ ডাক্তৰে ক'লে অপাৰেচন কৰিলে ভাল হৈ যাব। কিন্তু উদয়াদিত্যই চিৰদিনৰ বাবে তেওঁৰ মাততো হেৰুৱাব। বহুত দেৰি একেথৰে তেওঁ বহি থাকিল। পুতেকক ক'লে, “মাৰলৈ ফোন কৰচোন। আজিৰ পৰা আৰু মাৰৰ লগত কথা পাতিব নোৱাৰিম।

- দেউতা, নেটৱৰ্ক প্ৰব্লেম। ফোন লগা নাই।

- তই চেষ্টা কৰি থাকচোন। ফোন লাগিলে মোক দিবি।

উদয়াদিত্যৰ বুকুখন গধুৰ হৈ আহিল। কিয় যে লাৱণ্যক লগত লৈ নাহিল। আজি তোমাৰ বৰ প্ৰয়োজন আছিল লাৱণ্য।

পিছদিনা অপাৰেচন সুকলমে হৈ গ'ল। উদয়াদিত্যই চিৰদিনৰ বাবে মাতটো হেৰুৱালে। তেওঁক দেখিলে লাৱণ্যই কি কৰিব? উদয়াদিত্যই তাকে ভাবিলে। তেওঁলোক ঘৰ আহি পোৱাত লাৱণ্যৰ মনত বহুত স্ফূৰ্তি। এইকেইদিন উদয়াদিত্য নথকাত ঘৰখনত ঘটা সকলো ঘটনা তেওঁ এফালৰ পৰা কৈ গ'ল।

ৰাতি ভাত খাই সকলো বিছনাত পৰিল। তেনেতে পুতেকে এখন বহী আৰু কলম দি থৈ গ'ল। “মা, দেউতাৰ কথা বুজি নাপালে এই বহীখনতে লিখি দিবলৈ ক'বা।” এইবুলি কৈ সি ৰুমৰ পৰা ওলাই গ'ল।

লাৱণ্যই নিজকে বাধা দি ৰাখিব নোৱাৰিলে। হুকহুকাই কান্দি উঠিল। তেওঁ লাৱণ্যক দুবাহুত ধৰি ওচৰ চপাই আনিলে। চাদৰৰ আঁচলেৰে লাৱণ্যই তেওঁৰ চকুপানী মচি দিলে। লাৱণ্যই ক'লে-“তুমি মাতটোহে হেৰুৱাইছা। একো নহয় দিয়া, তুমি আগৰ দৰেই একে আছা। তুমি নকলেও তোমাৰ মনৰ কথা মই সকলো বুজোঁ।”

উদয়াদিত্যই লাৱণ্যক সাৱটি ধৰিলে। বুকুত মুখ গুজি লাৱণ্যই কৈ গ'ল-“আজি দুকুৰি বছৰে তোমাক কথা এটা কম বুলিও কব নোৱাৰিলোঁ। ইমান দিনে সেই ভাৱ মই বুকুত বান্ধি লৈ ফুৰিছোঁ। মই তোমাক ভাল পাওঁ। বহুত....... ভাল....... পাওঁ।

*দুলুমণি গগৈ*
*মৰাণ, ডিব্ৰুগড়*

# অনুগল্প

## চোলা

**যো**গ্যজনে ভোগ কৰে, নহয় আজিকালি অযোগ্যজনে তৈলমৰ্দন কৰি যোগ্যতা লাভ কৰে।

দুই বন্ধুৰ নিমিলা অংকত খামখেয়ালী।

প্ৰথম বন্ধু ঃ পৃথিৱীখন তোমাৰ তুমি কিদৰে সজোৱা তোমাৰ কথা, হয়টো তুমি আত্মঅহংকাৰী হৈ সীমাহীন উচ্চাকাংক্ষাৰ স্বাৰ্থত নিজৰ লগতে আনকো নিঃশেষ কৰা নতুবা তুমি হোৱা দানী, যিজনে কেৱল বিলাবলৈ জানে পৰিৱৰ্তে আনৰ পৰা কিবা প্ৰাপ্তিৰ আশা নকৰে।

দ্বিতীয় বন্ধু ঃ (তত্ত্বগধুৰ কথাবোৰ মূৰৰ ওপৰেৰে পাৰ হ'ল) আজি বিধায়ক ডাঙৰীয়াই বৰভোজৰ আয়োজন কৰিছে, পৰিৱৰ্তে আমি তেখেতে অনাগত দিনত তেখেতৰ নেতৃত্বত মুকলি হ'ব লগা জনকল্যাণমুলক আঁচনি সমূহৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰিব লাগে। এতিয়া ভোজ উদাই পুৰাই খোৱাৰ হে কথা এতিয়াই সময় কাৰণ নিৰ্বাচন সমাগত। বিশিষ্ট টেলিভিছন চেনেলৰ সংবাদকৰ্মী জনৰ কথাত ভাবিবলৈ বাধ্য হ'লো “ওপৰৰ পৰা পৰিল চিলা, গোটে গোটে মানুহ গিলা”।



**শৈলেন কুমাৰ**
**ঠিকনা - মিৰ্জা (কামৰূপ)**

## জাপি

**ব**ৰষুণৰ বতৰ আহিলেই প্ৰিয়াৰ মনত দুখৰ সীমা নাইকিয়া হয় ।উচুপি উঠিলেও বুজ লোৱা ব্যক্তিৰ অভাৱ। ঘৰত আহি পোৱাৰ পাছত দেউতাকে সুধিলে,

ঃ মাজনী, মনটো কিয় মাৰি আছা ।গা ভাল নহয় নেকি?

ঃ দেউতা, আজি স্কুললৈ গৈ থাকোঁতে ইমান ডাঙৰ বৰষুণ দিছিল,সকলোৱে নিজৰ নিজৰ ছাতিত সোমাল। মই আৰু দলিয়ে তিতি জুৰুলি-জুপুৰি হৈ স্কুল পালোঁগৈ। কোনোৱেই আমাক ছাতিত সোমাব নিদিলে।

দুখত ম্ৰিয়মাণ প্ৰিয়াক দেউতাকে মৰমেৰে কৈছে,

ঃ মাজনী, তুমি মন বেয়া কৰি থাকিলে ভগৱানে কষ্ট পাব ।মন বেয়া নকৰিবা। মোৰ পথাৰলৈ লৈ যোৱা জাপিটোকে কাইলৈ পৰা লৈ যাবা। মই পুৰণি জাপিটোকে বৰষুণ দিলে ল'ব পাৰিম।

ঃ ঠিক আছে, দেউতা।

**ৰশ্মি ৰেখা দুৱৰা**

## লাখুটি

**না**মঘৰ সভা সমিতি সকলোতে বিদেশত পঢ়ি থকা পুত্ৰৰ গুণ বখানি জহ মাৰি মৌজাদাৰনীৰ ৰক্ষাই নাই...

মাষ্টৰনী বাইদেৱে নিজকে দুখী দুখী অনুভৱ কৰে...

পো-বোৱাৰী চাকৰিলৈ যোৱাৰ পিছতে নাতিৰ লগত আনন্দত বিভোৰ হৈ থকাৰ সময়তে অকশৰীয়াকৈ দিন পাৰ কৰা মৌজাদাৰনীয়ে আহি কলে “লৰা গাৱঁতে পঢ়ালা বৰ ভাল কৰিলা বুই ছানে মাষ্টৰনী, কঁকালে ভাঁজ লোৱা বিয়লিৰ পৰত লাখুটি এডালৰ সৌভাগ্য ভাগ্যশালীজনৰ ভাগ্যত হে মিলে!”

**দীপ্তি মণি গোস্বামী**

# সপোন

ড° আৰ কে বেজবৰুৱা

চাৰৰ আছিল নে নাছিল, নাজানো।

প্ৰকৃততে 'ডাঙৰ মানুহ' বুলি আমাৰ নিৰ্দিষ্ট কোনো ধাৰণা নাছিল।

সিদিনা আমাক স্কুলৰ পৰা আনুষ্ঠানিক ভাৱে বিদায় দিয়াৰ সময়ত, চাৰে বৰ ডাঙৰ সপোন এটা যেন চকু আঁকি দিলে- 'ডাঙৰ মানুহ' হোৱাৰ সপোন।

এটা সম্ভাৱনাৰ জন্ম-যন্ত্ৰণা মোৰ মনত আৰম্ভ হৈ গ'ল - যাৰ কোনো আকাৰ, আয়তন অথবা স্বৰূপ আজিলৈকে কোনোৱে সূত্ৰৰ মাধ্যমত উপস্থাপন কৰিব পৰা নাই।

প্ৰায় এমাহৰ পিছত কোনোবাই ক'লে - “অহা কালিলৈ ৰিজাল্ট দিব।” আমি বেছিভাগেই গৈ স্কুলত উপস্থিত হ'লোঁ।

এমাহৰ পিছত আকৌ এবাৰ সকলো লগা-লগি হৈ বৰ ভাল লাগিল। আমি পাহৰি গ'লোঁ- আজিৰ পৰা যে আমি বহুতেই হয়তো জীৱনত কেতিয়াও লগা-লগি হ'বলৈ নাপাম! সেয়া কেৱল বিধতা নামৰ পুৰুষ এজনে জানে!

পাছ কৰা ল'ৰা-ছোৱালীৰ নামবোৰ এফালৰ পৰা চাৰে মাতি গ'ল।

প্ৰথমে ক-শ্ৰেণীৰ পৰা খ-শ্ৰেণীলৈ উত্তীৰ্ণ হোৱা সকলৰ নাম মাতিলে। তাৰ পিছত খ- শ্ৰেণীৰ পৰা প্ৰথম, দ্বিতীয়, তৃতীয় - এনেকৈ মাতি গ'ল। সকলো নাম মতা হোৱাৰ পিছত চাৰে মোৰ ফালে চাই ক'লে - “তই বৃত্তি পোৱাটো প্ৰায় খাটাং হৈছে। দুই-এদিনতে কাগজ আহিব। আগলৈও মন লগাই পঢ়িবি। কাইলৈ চাৰ্টিফিকেটখন লৈ যাবি হি। মই আজি কাউণ্টাৰ চাইন কৰি আনিম।”

পৰীক্ষাৰ ৰিজাল্ট ওলোৱাৰ পিছতে সকলোৰে মাজত এটাই মাথোঁ চিন্তা - কোন স্কুলত নাম লিখিম?

আমাৰ আশে-পাশে দুখন এম. ই, দুখন হাইস্কুল আছিল। এম. ই. দুখন ভেঞ্চাৰ। দুয়োখনৰ চাৰে আহি তাত মোৰ নাম লিখাবৰ বাবে দেউতাক অনুৰোধ কৰিলে। হাইস্কুল দুখন অলপ আঁতৰত। আৰু এখন এম. ভি. স্কুল আছে। আমাৰ ঘৰৰ পৰা প্ৰায় সাত কিলোমিটাৰ দূৰত। কিন্তু শিক্ষা ভাল বুলি সকলোৱে কয়। দেউতাই তাতেই মোৰ নাম লিখাই দিব বিচাৰিছে।

সেই সময় এনেকুৱা আছিল, য'ত আমাৰ নিজৰ অস্তিত্ব পানীৰ দৰেই। যি পাত্ৰত ৰখা হয়, সেই পাত্ৰৰে আকৃতি আৰু ৰঙ ধৰে। গতিকে, দেউতাৰ মতেই, এদিন মোৰ ঘৰৰ পৰা দূৰৰ, এম. ভি. স্কুলতেই নামভৰ্তি কৰিছিলোঁ। প্ৰধান শিক্ষকে মাতি কৈছিল - “তোৰ মাৰ্ক চীটখন দেখিছোঁ। ভাল। ইয়াতো ভালদৰে পঢ়া শুনা কৰিবি। দেউতাৰৰ নাম উজ্জ্বল কৰিব লাগিব। অহা সোমবাৰৰ পৰা ক্লাছ হ'ব। ক্ষতি নকৰিবি।”

কাৰোবাৰ নাম কেনেকৈ উজ্জ্বল কৰে তাকো জনা নাছিলোঁ।

তথাপিও এটা নতুন উদ্যম, হেঁপাহ আৰু সপোন সানি নতুন স্কুলত মোৰ পঢ়াশালীয়া জীৱনে আকৌ এবাৰ কুঁহিপাত মেলাৰ দৰে মেল খালে।

ল'ৰাবোৰতকৈ মোৰ প্ৰতি ছোৱালীবোৰৰ উৎসাহ আছিল বেছি। কোনোবাই ভাবিছিল - “চোকা ল'ৰা, অলপ বেছি ওচৰ চাপি পঢ়া-শুনাৰ কথা আলোচনা কৰিম। নোট বিচাৰিম। মোৰো পঢ়া-শুনা ইমপ্ৰুভ হ'ব।”

আন কোনোবাই ভাবিছিল -

“চোকা ল'ৰা, তাৰ সৈতে ঘনিষ্ঠ হৈ নিজৰ ইম্প্ৰেছন বঢ়াম। বহুতে জ্বলিব!”

আৰু এজনীয়ে ভাবিছিল -

“চোকা ল'ৰা, তাক মই দূৰে দূৰে চাই থাকিম। সময় সুবিধা বুজি ভাল পোৱাৰ কথা জনাম। সি যেতিয়া পঢ়ি-শুনি ভাল ৰিজাল্ট কৰিব, মোৰ ফিউচাৰ চিকিওৰ্ড কৰিম।”

মই সকলোৰে লগত মিলি যাবলৈ চেষ্টা কৰিছিলোঁ, কোনো ব্যগ্ৰতা, কোনো ইমোচন নেদেখুৱাই। এদিন এজনী এজনীকৈ সকলো আঁতৰি গৈছিল। যিজনীয়ে ভাবিছিল- ফিউচাৰ চিকিওৰ্ড হ'ব বুলি, তাই শেষলৈ ৰৈ আছিল। এদিন কওঁ-নকওকৈ ভাল পোৱাৰ কথাটো মোক কৈছিল। মই মাত্ৰ তাইৰ চকুলৈ চাই আছিলোঁ।

পঢ়া-শুনা মই ঠিকেই কৰিছিলোঁ। বিশ্ববিদ্যালয়ৰ ৰিজাল্টো ভাল হৈছিল। সাধাৰণ এটা চাকৰিৰ বাবে এপ্লিকেচন দিওঁতে দিওঁতে যেতিয়া বাৰটা বছৰৰ অভিজ্ঞতা হ'ল - চাকৰি নোপোৱাৰ, তেতিয়ালৈকে চৰকাৰী চাকৰিৰ বাবে বয়সৰ উচ্চ সীমায়ো বিদায় লৈছিল। তায়ো অৱশ্যে জীৱনত প্ৰতিষ্ঠিত হৈছিল। গতিকে, তেতিয়া আৰু তাইৰ বাবে চোকা ল'ৰা এজন অপ্ৰাসংগিক হৈ পৰিছিল।

“ইয়াত এনেদৰে থাকি তই কি কৰিবি? ব'ল গুৱাহাটীলৈ যাওঁ। তোৰ হাত দুখন আছে, তাত কলম এটা কিনি ল'বি। মই ভাবোঁ, তোক আৰু একো নালাগে।” - একেলগে পঢ়া ল'ৰা এজনে কৈছিল। বহুকেইটা ৰাতিত হোৱা মনৰ যুদ্ধত হাৰ মানি এদিন গুৱাহাটীলৈ গুচি গ'লোঁ।

আৰম্ভ হ'ল - আধা পেট ভাতৰ সৈতে সহযোগিতা। পানবজাৰৰ 'মহামায়া'ত পাঁচ টকা দি এক প্লেট প'লাওৰে দিনটো চলে আৰু ৰাতি দাইলত আলু দি ভাত। ভাত আৰু মই - দুয়ো দুয়োৰে পৰিপূৰক। তাৰ মাজতে জীৱন। বিবণ! বিস্বাদ বুলি নকওঁ, কাৰণ তাৰ মাজতে জীয়াই থকাৰ যুঁজখন চলি থাকে।

এটা- দুটাকৈ শিকিলোঁ বাতৰি কাকতত লিখাৰ কৌশল। কিছুমান দিন পাৰ হোৱাৰ পিছত দুই-এটা মানুহ মোৰ ওচৰলৈ আহে। নবীন লিখক। হয়তো মোক ডাঙৰ মানুহ বুলি ভাবে। কেতিয়াবা তেওঁলোকৰ বাবে লেখা দিবলৈ অনুৰোধ কৰে। কেতিয়াবা আহে নিজৰ লেখা কাকতত ছঁপা কৰাৰ অনুৰোধ লৈ। লেখা পঢ়ি তাৰ বিষয়ে সমালোচনা আগবঢ়োৱাৰ অনুৰোধ কৰে।

আজি কিছুদিনৰ পৰা মোক বিচাৰি অহা মানুহৰ সংখ্যা বাঢ়িবলৈ লৈছে। কোনোবাই নিমন্ত্ৰণ কৰে তেওঁলোকৰ সভালৈ। কোনোবাই অনুৰোধ কৰে - নিজৰ ল'ৰাটোক আলোচনী-বাতৰি কাকতত কিবা কাম দিয়াৰ বাবে।

তেনেকৈয়ে সময়বোৰ পাৰ হৈ হৈ গৈ থাকিল। মোৰ ডাঙৰ মানুহ হোৱাৰ সপোনটো ক'ৰবাত এদিন হেৰাই থাকিল। ডাঙৰ মানুহ হোৱাৰ সপোনটো এতিয়া মোৰ বাবে অপ্ৰয়োজনীয় হৈ পৰিছে। দেউতাৰ নামটো উজ্জ্বল কৰিব পাৰিলোঁ নে নাই, তাকো নাজানিলোঁ। কাৰ বাবে কি কৰিলোঁ, তাকো নাজানিলোঁ। এতিয়া মোৰ এটাই চিন্তা - সমাজত মানুহ হৈ জীয়াই থাকিব পাৰিলেই হ'ল!

# মৰমৰ ডোল

লোপা দুৱৰা বৰুৱা

**স**ময়বোৰ অতি ক্ষিপ্ৰতাৰে গতি কৰিছিল। সৌ সিদিনা জন্ম হোৱা ছোৱলীজনী আজি এঘৰলৈ উলিয়াই দিবলৈ আগবাঢ়িছো। মাক নোহোৱা ছোৱালীজনীৰ একো উজৰ আপত্তি নাছিল কেতিয়াও। দিনটো আইতাকৰ পাছে পাছে ঘূৰি ফুৰিয়েই তাই জীয়ৰী কাল আদৰিলে। কোনো এটা বস্তু লাগ বুলি তাই আজিকোপটি কৈ নাপালে যেনেকৈ পাইছে, তাই তাতেই যেন সুখী। বৰ সৰুতেই তাই পৰিপক্ক যেন জীৱনৰ যুঁজখনত। মই বাহিৰত থকা মানুহটোলৈ তাইৰ কোনোদিনেই আক্ষেপ নাই। দেউতাক হিচাপে দিব পৰাখিনি দিবলৈ চেষ্টা কৰিছোঁ কিন্তু সৰুৰে পৰা তাইক তেনেকৈ কোলাত বোকোচাত লোৱা নহল। সেয়ে চাগৈ তাই মোক দেউতা বুলি মাতে সঁচা, কিন্তু দেউতাকৰ সতে তাই একান্ত হ'ব নোৱাৰে। ময়ো আচলতে তাইক দিবলগীয়া মৰমখিনি দিবলৈ চেষ্টা কৰিলোঁ জানো। তাইৰ মুখখন দেখিলেই যে মোৰ মানুহজনীলৈ বৰকৈ মনত পৰে সেয়ে পৰাপক্ষত তাইৰ পৰা নিজকে নিলগাই ৰাখিছিলো। আজি কিবা এটা বুজাব নোৱাৰা শোকে খুন্দা মাৰি ধৰিছে। আজিও তাই, আইতাকৰ লগতে পাকঘৰত সোমাই কিবাকিবি কৰি আছে। কাইলৈ তাইক চাবলৈ মানুহ আহিব। আইতাকৰ বুজনিৰ শেষ নাই, ইটো নকৰিবি সিটো নকৰিবি নতুন ঘৰখনত আদি অনেক শিকনি। তাই মাথোঁ মূৰ দুপিয়াই শুনি যায়। এজনী জীয়ৰী ছোৱালী ইমান উজৰ আপত্তি নোহোৱাকৈ থাকেনে? নকৰিবলগীয়া একো কামেইটো তাই আজিলৈকে কৰা নাই।

পুৱাৰে পৰা আইতাক আৰু ওচৰৰ খুড়ীয়েকৰ ব্যস্ততাৰ অন্ত নাই। লৰাঘৰীয়া পাবহিয়েই লাগে অলপ পাছতে। মুনুহে আজি বৰ মৌন হৈ আছে। লাহেকৈ তাই মাকৰ ফটোখনৰ কাষত চাকি এগছি জ্বলালে। আইতাকে যতনাই দিয়া জিকাফুলীয়া কপাহী কাপোৰ এজোৰ পিন্ধিছে, কাপোৰজোৰে মুনুক তুলি ধৰিছে ডিঙিত মাকৰে পোৱালমনিৰে গোঠা ডুগডুগী এডাল পিন্ধিছে।

মোৰ চকুযোৰ সেমেকি উঠিল। আজি তাই ইমান বিষণ্ন কিয়? কিবা ক'বলগীয়া কথা তাই ক'ব পৰা নাই নেকি? লাহেকৈ তাইৰ কাষ চাপি গলো মোলৈ তাই চকুতুলি চালে- সুধিলো তোৰ কিবা কবলগীয়া আছে নেকি? তাই লাহেকৈ নাই বুলি বুজাবলৈ মূৰ জোকাৰিলে। আকৌ ক'লো আজি তোৰ কিবা এটা ক'বলগীয়া কথা আছে যেন লাগিছে মোৰ... তই নাই বুলিছ যেতিয়া নাই বাৰু আৰু যদি কিবা আছেও তই মোক খুলি ক'ব পাৰ... অলপ সময় তেনেকৈ পাৰ হ'ল তাইৰ মুখখন তললৈ কৰি আছিল। সেয়ে তাইৰ মুখখন ভালকৈ সেয়ে ধৰিব পৰা নাছিলো তাইৰ অভিব্যক্তি কি আছিল। দুটোপাল চকুপানী সৰি মাটিত পৰা কিন্তু মোক চকুৰ পৰা সাৰি নগ'ল। বুকুখনৰ কৰবাত বিষ এটা অনুভৱ কৰিলোঁ। একেবাৰে কাষ চাপি তাইৰ পিঠিত হাত থৈ মাত লগালোঁ। তই কান্দিছ কিয় মাজনী? যদি তোৰ বিয়া হ'বলৈ মন নাই কৈ দে দৰাঘৰীয়াক আহিবলৈ মানা কৰি দিওঁ... তাই পতকৈ মোৰ বুকুত সোমাই দেউতা বুলি হুকহুকাই কান্দিবলৈ ললে। লাহেকৈ তাইক মই সাৱটি ধৰিলো। অজান পুলকে চুই গল সমগ্ৰ আত্মা.. আজি মই পিতৃত্বৰ গৌৰৱেৰে গৌৰৱান্বিত। তাইৰ চুলি কোচা মোহাৰি দিলোঁ আৰু তাইক কান্দিবলৈ দিলোঁ যিমান কান্দে আজি কান্দক তাই। তাইক মই সকলো দিছিলোঁ মৰমো যথেষ্ট কৰোঁ কিন্তু কোনোদিনে তাইক মই বুকুত আকোঁৱালি লোৱা নাছিলোঁ। তাইৰ মুখখনে মোক তাইৰ মাকৰ স্মৃতি সজীৱ কৰে বুলিয়েই তাইক নিলগাই ৰাখিলো, কিমান চাগে তাই মন কৰিছিল মোৰ সতে একাত্ম হ'বলৈ। মই অকল দায়িত্ব কৰিয়েই শান্ত হৈ আছিলোঁ। আজি এক আচৰিত অনুভূতিয়ে চুই গৈছে সমগ্ৰ আত্মা। বাপেক জীয়েকৰ এই বান্ধোন সেয়ে হয়তো অটুট বুলি কয় মানুহে। লাহেকৈ তাই মাতিলে দেউতা- মই ভাব সাগৰৰ পৰা ওলাই আহিলোঁ - ক মুনু?

মোক তুমি সৰুৰে পৰা কিয় আঁতৰাই ৰাখিলা। মোৰ কিমান মন যায় জানানে তোমাৰ সতে মনৰ কথা পাতিবলৈ মই কেতিয়াবা আগবাঢ়ি যাওঁ কিন্তু মোক আগবাঢ়ি যোৱা দেখিলে তুমি উঠি গুচি যোৱা সেই সময়ত মোক খুব দুখ লাগে। এনে লাগে মই আহিয়েই তোমাৰ জীৱনত গ্ৰহণ লগালোঁ। মা মোৰ বাবেই পৃথিৱী এৰিব লগা হ'ল। সেই কথাটোৱে মোক আজিকোপটি কষ্ট দিয়ে।

আজি ভাবিছো কিয়নো মই ছোৱালীজনীক ইমান কষ্ট দিলো। তাইক মই মোৰ জীৱনতকৈয়ো বেছি ভাল পাওঁ কিন্তু উমান পাবলৈ নিদিলো। আলেঙে আলেঙে তাইৰ প্ৰতিটো প্ৰয়োজন পূৰণ কৰি গ'লো... কিন্তু মৰম কিমান দিলো তাই গম পোৱাকৈ?

বুকুখন যে ভাঙি গৈছে। মুমুৰ মুখখন চাবলৈ আজি মোৰ সাহস হোৱা নাই।

মুনু তই মোৰ ক্ষমা কৰি দে- মই এজন উপযুক্ত পিতৃ হ'ব নোৱাৰিলো। তোক তোৰ প্ৰাপ্য মৰমৰ পৰা বঞ্চিত কৰা এজন ব্যৰ্থ পিতৃ।

তাই দেউতাকৰ হাত দুখন ধৰি কলে - দেউতা তেনে কথা তুমি কেতিয়াও নকবা তোমাৰ প্ৰতি মোৰ ক্ষোভ নথকা নহয় তথাপি তোমাক মই বহুত ভাল পাওঁ, তুমি আঁতৰি থাকিলেও তোমাৰ প্ৰতিটো প্ৰয়োজনৰ উমান মই পাওঁ। কেনেকৈ আওপকীয়াকৈ হলেও মোক মৰমেৰে বুৰাই ৰাখিছিলা। মোৰ কাৰণেই তুমি ঘৰৰ সকলো সদস্যৰ ইমান হেঁচা প্ৰয়োগৰ পাছতো দ্বিতীয় বিবাহৰ কথা নাভাবিলা জানোচা মোৰ কষ্ট হয়, জীৱনৰ অমূল্য সময়বোৰ তুমি মোৰ কাৰণেই ত্যাগ কৰি গলা। দেউতা কথা এটা কওঁ-

ক মুনু?

মোক তুমি ২ বছৰ মানৰ পাছত বিয়া দিব নোৱাৰানে! তুমি যালৈকে বিয়া দিয়া মই তালৈকে বিয়া হ'ম মাথোঁ অলপ দিন তোমাৰ সতে মোক থাকিবলৈ দিয়া। সৰুৰে পৰা থকা মোৰ আশা বোৰ অলপ হ'লেও পূৰণ কৰিবলৈ চেষ্টা কৰোঁ।



মই আৰু নিজকে ৰখাব নোৱাৰিলো। হুকহুকাই কান্দি দিলো, তই এতিয়া বিয়া হব নালাগে অ মাজনী, তোৰ যেতিমাই মন যায় তেতিয়াই তোক বিয়া দিম। 'তোৰ সতে বহুত কথা পাতিম, ফুৰিম, খেলিম - তই মোক বেয়া পাই নাথাকিবি অ 'মুনু'...

বাপেক জীয়েকৰ এই মিলনৰ দৃশ্য দেখি মুনুৰ আইতাকে এক স্বস্তিৰ নিশ্বাস পেলালে। কৃত্ৰিম খঙৰে কলে যদি বিয়াই হবলৈ মন নাই আৰু তোৰ জীয়েৰক বিয়া দিয়াত মন নাই তেন্তে মোক বুঢ়ী জনীক ইমান কষ্ট কিহলৈ দিলি এই কেইদিন...মুনু আৰু মই হাঁহি দিলোঁ আমাক দেখি মায়েও মিচিকিয়াই দিলে।

## সুদূৰ পৰাহত ছয়

যিখন বিধানসভাৰ অনুমোদনৰ পিছত কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ প্ৰেৰণ কৰা হ'ব। কিন্তু এই প্ৰতিশ্ৰুতিৰ মাজতো পূৰ্বৰ নিৰাশাজনক অভিজ্ঞতাৰ বাবে জনগোষ্ঠীসমূহৰ মাজত সন্দেহৰ সৃষ্টি হৈছে। বিগত কেইবছৰ ধৰি অসমৰ ৰাজনৈতিক মঞ্চত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিশ্ৰুতি এটা প্ৰধান নিৰ্বাচনী বিষয় হৈ আহিছে। বিজেপি চৰকাৰে ক্ষমতাত অধিষ্ঠিত হোৱাৰ পিছত এই জনগোষ্ঠীসমূহক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদানৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু বাস্তৱত এই প্ৰতিশ্ৰুতি এতিয়াও পূৰণ হোৱা নাই, যাৰ ফলত জনগোষ্ঠীসমূহৰ মাজত হতাশা আৰু ক্ষোভৰ সৃষ্টি হৈছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ সময় ওচৰ চাপি অহাৰ লগে লগে এই বিষয়টোৱে পুনৰ গুৰুত্ব লাভ কৰিছে। শেহতীয়াকৈ লোকসভাত কংগ্ৰেছ সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু ৰকিবুল হুছেইনৰ প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা বিভাগৰ ৰাজ্যমন্ত্ৰী দুৰ্গাদাস উইকিয়ে স্বীকাৰ কৰে যে ২০১৯ চনত ৰাজ্যসভাত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ সম্পৰ্কীয় এখন বিধেয়ক উত্থাপন কৰা হৈছিল। ইয়াৰ পিছত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি ৰাজ্য চৰকাৰে দুটা পৃথক মন্ত্ৰীগোট গঠন কৰিছিল। কিন্তু আচৰিত কথা যে এই মন্ত্ৰীগোট দুটাৰ কোনোটোৱে এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰা নাই। এই তথ্যই ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ জনজাতিকৰণৰ প্ৰতি আন্তৰিকতাৰ ওপৰত প্ৰশ্নৰ সৃষ্টি কৰিছে। সংসদত এই বিষয়টোৱে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ পিছত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলত ঘোষণা কৰে যে অক্টোবৰ-নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া বিধানসভাৰ অধিৱেশনত মন্ত্ৰীগোটৰ প্ৰতিবেদন দাখিল কৰা হ'ব। তেওঁ কয়, "আমি যোৱা চাৰি বছৰ ধৰি ছয় জনগোষ্ঠীৰ সৈতে বিস্তৃত আলোচনা চলাই আহিছো। বিধানসভাৰ প্ৰস্তাৱৰ ভিত্তিত এই প্ৰক্ৰিয়া আৰম্ভ হৈছিল। অধিৱেশনত প্ৰতিবেদন উপস্থাপন কৰি অনুমোদনৰ পিছত আমি ইয়াক নতুন দিল্লীলৈ পঠিয়াম।" তেওঁ আৰু জানায় যে ২০২৪ চনৰ ৪ জুলাই আৰু ২০২৫ চনৰ ১ মাৰ্চত গঠন কৰা মন্ত্ৰীগোটৰ প্ৰতিবেদনসমূহে বৰ্তমানৰ অনুসূচিত জনজাতিৰ স্বাৰ্থ ক্ষুণ্ণ নকৰাকৈ নতুন শ্ৰেণী গঠনৰ পৰামৰ্শ দিছে। ভাৰতীয় সংবিধানৰ ৩৪২ নং অনুচ্ছেদ অনুসৰি, ৰাষ্ট্ৰপতিয়ে ৰাজ্যপালৰ সৈতে পৰামৰ্শ কৰি কোনো জাতি বা জনগোষ্ঠীক অনুসূচিত জনজাতি হিচাপে ঘোষণা কৰিব পাৰে। সংসদৰ ক্ষমতাৰ বলত এই তালিকাত নতুন জনগোষ্ঠী অন্তৰ্ভুক্ত বা বৰ্জন কৰাৰ বিধান আছে। ১৯৫০ চনৰ The Constitution (Scheduled Tribe) Order অনুসৰি অসমৰ কিছু জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰা হৈছে। কিন্তু নতুন জনগোষ্ঠীৰ অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত বৰ্তমানৰ জনজাতিসমূহৰ মাজত সংৰক্ষণৰ অংশীদাৰিত্বৰ প্ৰশ্নই জটিলতাৰ সৃষ্টি কৰিছে। ৰাজ্য চৰকাৰৰ প্ৰতিবেদনে এই জটিলতা সমাধানৰ বাবে নতুন শ্ৰেণী গঠনৰ পৰামৰ্শ দিলেও, কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন আৰু সাংবিধানিক সংশোধনীৰ প্ৰক্ৰিয়া এতিয়াও বাকী আছে। ২০১৯ চনৰ ৰাজ্যসভাৰ বিধেয়কখনৰ পিছতো কোনো অগ্ৰগতি নোহোৱাৰ বাবে ছয় জনগোষ্ঠীৰ মাজত হতাশা বৃদ্ধি পাইছে।

## তিনিচুকীয়াত 'কৌশল

ৰে'লৱে ষ্টেচনত বিবেক এ'প্ৰেছৰ এছ-১ কোচৰ পৰা ২৭জনী কিশোৰী-যুৱতীক উদ্ধাৰ কৰা হৈছে, আৰু পাঁচজন সন্দেহভাজনক আটক কৰা হৈছে। জিলা শিশু সুৰক্ষা বিষয়া সত্য নাৰায়ণ বৰুৱাই জানায়, "আমি ৰে'লৱে প্ৰটেকচন ফ'ৰ্চৰ পৰা এক সন্দেহজনক তথ্য পাও যে ডিব্ৰুগড় ৰে'লৱে ষ্টেচনৰ পৰা ২৭জনী কিশোৰী-যুৱতীক তামিলনাডুৰ তিৰুপ্পুৰলৈ লৈ যোৱা হৈছে। ৰে'লৱে টিকট পৰীক্ষকৰ সন্দেহৰ পিছত তেওঁলোকে টিকট আৰু আধাৰ কাৰ্ড পৰীক্ষা কৰে। পৰীক্ষাত দেখা যায় যে ২২ জনৰ আধাৰ কাৰ্ড ভুৱা, আৰু টিকটত উল্লিখিত নামৰ সৈতে তেওঁলোকৰ প্ৰকৃত নামৰ অমিল আছে।" সোধপোছৰ সময়ত দুই-এজনীৰ মুখৰ পৰা প্ৰকৃত তথ্য প্ৰকাশ পোৱাত নথিপত্ৰৰ জালিয়াতিৰ বিষয়টো নিশ্চিত হয়। তিনিচুকীয়া ৰে'লৱে ষ্টেচনত ট্ৰেইনখন পোৱাৰ লগে লগে ৰে'লৱে আৰক্ষী, জি আৰ পি, আৰু শিশু সহায়ক লাইনৰ যৌথ অভিযানত ২৭জনী কিশোৰী-যুৱতীক উদ্ধাৰ কৰা হয়। তদন্তত বিদ্যুৎ দত্তক এই চক্ৰৰ মূল কাৰ্যকৰ্তা হিচাপে চিনাক্ত কৰা হৈছে, আৰু তেওঁ আধাৰ কাৰ্ডৰ জালিয়াতিৰ কথা স্বীকাৰ কৰিছে। এই চক্ৰটোৱে দীনদয়াল উপাধ্যায় গ্ৰামীণ কৌশল বিকাশ যোজনাৰ নাম ব্যৱহাৰ কৰি কিশোৰী-যুৱতীসকলক চিলাইৰ প্ৰশিক্ষণৰ প্ৰতিশ্ৰুতি দি সংগ্ৰহ কৰিছিল। তেওঁলোকক ৩ৰ পৰা ৬ মাহৰ প্ৰশিক্ষণৰ সময়ত মাহিলি ১৩ হাজাৰ টকা প্ৰদানৰ প্ৰলোভন দেখুওৱা হৈছিল। কিন্তু তদন্তত পোহৰলৈ আহিছে যে মাৰ্চ মাহৰ পৰা এই যোজনাৰ কাৰ্যকলাপ বন্ধ আছে। চক্ৰটোৱে কিশোৰী-যুৱতীসকলক বাছৰ জৰিয়তে তিনিচুকীয়াৰ পৰা ডিব্ৰুগড়লৈ লৈ গৈছিল আৰু তিনিচুকীয়াৰ পৰিৱৰ্তে ডিব্ৰুগড় ৰে'লৱে ষ্টেচনৰ পৰা ট্ৰেইনত উঠাইছিল। এই কৌশলৰ জৰিয়তে স্থানীয় প্ৰশাসনৰ নিৰীক্ষণ এৰাই চলাৰ চেষ্টা কৰা হৈছিল। উদ্ধাৰ হোৱা ২৭জনী কিশোৰী-যুৱতী শিৱসাগৰ, ধেমাজি, ডিব্ৰুগড়, আৰু তিনিচুকীয়াৰ দুৰ্গম অঞ্চলৰ। তেওঁলোকৰ পৰিয়ালৰ অজ্ঞাতে ভুৱা নথিপত্ৰৰ জৰিয়তে তামিলনাডুলৈ প্ৰেৰণৰ ব্যৱস্থা কৰা হৈছিল। বৰ্তমান তেওঁলোকক শিশু অনাথ আশ্ৰমত ৰখা হৈছে, আৰু পৰিয়ালৰ সৈতে যোগাযোগৰ প্ৰক্ৰিয়া চলি আছে। ৰে'লৱে আৰক্ষী, জি আৰ পি, আৰু তিনিচুকীয়া জিলা প্ৰশাসনে এই ঘটনাৰ গভীৰ তদন্ত অব্যাহত ৰাখিছে। জিলা শিশু সুৰক্ষা সমিতিয়ে সন্দেহ কৰিছে যে এই চক্ৰৰ সৈতে আৰু বহু লোক জড়িত থাকিব পাৰে, আৰু দুজন সদস্য ইতিমধ্যে পলায়ন কৰিছে। জিলা শিশু সুৰক্ষা বিষয়া বৰুৱাই কয়, "এইটো এটা সংগঠিত মানৱ সৰবৰাহৰ চক্ৰ। তদন্তৰ জৰিয়তে আমি চক্ৰৰ অন্যান্য সদস্যৰ বিষয়ে তথ্য সংগ্ৰহ কৰিছোঁ। প্ৰকৃত ঘটনাৰ বিশদ তথ্য পোহৰলৈ আহিব।" এই ঘটনাই উজনি অসমৰ জনসাধাৰণৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছে। X প্লেটফৰ্মত বহুতে এই চক্ৰৰ বিৰুদ্ধে কঠোৰ শাস্তিৰ দাবী জনাইছে। স্থানীয় সংগঠন আৰু নাগৰিক সমাজে দুৰ্গম অঞ্চলৰ যুৱতী-কিশোৰীসকলৰ দুৰ্বলতাৰ সুবিধা লোৱা এনে কাৰ্যকলাপৰ বিৰুদ্ধে সজাগতা বৃদ্ধি আৰু প্ৰশাসনৰ কঠোৰ নিৰীক্ষণৰ পোষকতা কৰিছে। এই ঘটনাই কৌশল বিকাশৰ নামত চলা কাৰ্যকলাপৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে আৰু চৰকাৰী আঁচনিৰ নিৰীক্ষণৰ প্ৰয়োজনীয়তাক পুনৰবাৰ উজ্জ্বল কৰিছে।

## ৪০ লাখ হিতাধিকাৰীৰ

হাতত লৈছে। অৰুণোদয় আঁচনিৰ তৃতীয় সংস্কৰণৰ (অৰুণোদয় ০.৩) লগতে নিযুত মইনা আঁচনিৰ পৰিসৰ বৃদ্ধি কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰে জনকল্যাণমূলক পদক্ষেপৰ ৰূপৰেখা ঘোষণা কৰিছে। শুকুৰবাৰে দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত এক সংবাদমেলত মুখ্যমন্ত্ৰীয়ে এই আঁচনিসমূহৰ বিশদ বিৱৰণ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে জানায় যে অৰুণোদয় আঁচনিৰ দ্বিতীয় সংস্কৰণ (অৰুণোদয় ০.২) জুলাই মাহত সমাপ্ত হৈছে। তৃতীয় সংস্কৰণৰ (অৰুণোদয় ০.৩) বাবে হিতাধিকাৰী বাছনি প্ৰক্ৰিয়া শেষ হৈছে, আৰু এইবাৰ ৪০ লাখ পৰিয়ালক এই আঁচনিৰ আওতাত আনা হ'ব। তেওঁ কয়, "আগষ্ট মাহত হিতাধিকাৰীসকলে অৰুণোদয়ৰ আৰ্থিক সাহায্যৰ ধন লাভ নকৰে। তাৰ পৰিৱৰ্তে জিলা আয়ুক্তৰ প্ৰতিনিধি আৰু পঞ্চায়তৰ প্ৰতিনিধিয়ে ঘৰে ঘৰে গৈ মুখ্যমন্ত্ৰীৰ এখন পত্ৰ আৰু এখন গ্ৰন্থ প্ৰদান কৰিব। এই প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পিছত ১৭ ছেপ্টেম্বৰত, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ দিনা, অৰুণোদয় ০.৩ আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব।" অৰুণোদয় আঁচনিৰ সৈতে এইবাৰ এক নতুন পৰীক্ষামূলক উদ্যোগ যোগ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয়, "অৰুণোদয়ৰ হিতাধিকাৰী পৰিয়ালসমূহে ৰন্ধন গেছ ক্ৰয়ৰ বাবে অতিৰিক্ত ২৫০ টকাৰ ৰাজসাহায্য লাভ কৰিব। এই সাহায্য কেৱল গেছ ক্ৰয় কৰা পৰিয়ালেহে পাব। অৰ্থাৎ অৰুণোদয়ৰ মাহিলি ১২৫০ টকাৰ সৈতে গেছৰ বাবে ২৫০ টকা অতিৰিক্ত প্ৰদান কৰা হ'ব। গেছ ক্ৰয় নকৰিলে এই ধন প্ৰদান কৰা নহ'ব।" তেওঁ জানায় যে হিতাধিকাৰীসকলক প্ৰদান কৰা মুখ্যমন্ত্ৰীৰ পত্ৰৰ সৈতে গেছ ৰাজসাহায্যৰ বাবে এখন ফৰ্ম দিয়া হ'ব, য'ত ৰন্ধন গেছৰ সংযোগ নম্বৰ উল্লেখ কৰিব লাগিব। এই তথ্যৰ জৰিয়তে আই অ' চি (Indian Oil Corporation)-ৰ সৈতে সমন্বয় সাধন কৰা হ'ব। "এই পৰীক্ষামূলক আঁচনি সফল হ'লে ভৱিষ্যতে ইয়াক স্থায়ীভাৱে কাৰ্যকৰী কৰা হ'ব", তেওঁ কয়। নিযুত মইনা আঁচনিৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে জানায়, "৬ আগষ্টৰ পৰা এই আঁচনিৰ প্ৰপত্ৰ বিতৰণ আৰম্ভ হ'ব। প্ৰপত্ৰ পূৰণৰ পিছত যোগ্য ছাত্ৰীসকলে অক্টোবৰ মাহৰ পৰা ১০ মাহৰ বাবে আৰ্থিক সাহায্য লাভ কৰিব।" তেওঁ জনায় যে এই আঁচনিৰ পৰিসৰ বৃদ্ধি কৰা হৈছে। এতিয়াৰ পৰা তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু অসম বিশ্ববিদ্যালয়ত অধ্যয়নৰত ছাত্ৰীসকলৰ লগতে প্ৰাদেশিকীকৃত কলেজৰ Self-Financing Course-ত অধ্যয়নৰত ছাত্ৰীসকলেও এই আঁচনিৰ সুবিধা লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে কিছু নতুন নিয়মৰ বিষয়েও স্পষ্ট কৰি কয় যে পূৰ্বে স্নাতক প্ৰথম বৰ্ষত নিযুত মইনাৰ সুবিধা লাভ কৰা ছাত্ৰীসকলে দ্বিতীয় বৰ্ষত পুনৰ প্ৰপত্ৰ পূৰণ কৰিব লাগিব। আৰু স্নাতক শ্ৰেণীত অধ্যয়নৰ সময়ত বিবাহিত হোৱা ছাত্ৰীসকলে এই আঁচনিৰ সুবিধা লাভ নকৰে। তদুপৰি স্নাতকোত্তৰ শ্ৰেণীত বিবাহ হ'লে তেওঁলোকে সুবিধা লাভৰ যোগ্য হ'ব। উচ্চতৰ মাধ্যমিকৰ ফলাফলৰ ভিত্তিত স্কুটী লাভ কৰা ছাত্ৰীসকলে নিযুত মইনা আঁচনিৰ সুবিধাৰ বাবে আবেদন কৰিব নোৱাৰিব। সংবাদমেলত মুখ্যমন্ত্ৰীৰ সৈতে কেইগৰাকীমান কেবিনেট মন্ত্ৰী উপস্থিত আছিল। এই ঘোষণাসমূহে ৰাজ্যৰ জনকল্যাণমূলক আঁচনিৰ পৰিসৰ বৃদ্ধিৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰিছে। X প্লেটফৰ্মত এই ঘোষণাৰ পিছত জনসাধাৰণৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়া পৰিলক্ষিত হৈছে। কিছুমানে এই পদক্ষেপক ৰাজ্যৰ দৰিদ্ৰ আৰু ছাত্ৰীসকলৰ কল্যাণৰ বাবে গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিছে, আনহাতে কিছুমানে নিৰ্বাচনৰ প্ৰাক্‌কালত এই আঁচনিৰ সময়োপযোগিতাৰ বিষয়ে প্ৰশ্ন উত্থাপন কৰিছে।

## খিলঞ্জীয়াৰ হাতত মাৰণাস্ত্ৰ

ড০ হিমন্ত বিশ্ব শৰ্মাৰ সিদ্ধান্তক জনসাধাৰণে উৎসাহেৰে গ্ৰহণ কৰিছে বুলি মন্তব্য কৰিছে সামাজিক ন্যায় আৰু সবলীকৰণ, তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই। শুকুৰবাৰে সংবাদ মাধ্যমৰ সৈতে আলোচনাৰ সময়ত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, "মুখ্যমন্ত্ৰীৰ এই পদক্ষেপ খিলঞ্জীয়া সম্প্ৰদায়ৰ সুৰক্ষাৰ বাবে অতি প্ৰয়োজনীয়। সন্দেহজনক ব্যক্তিৰ হাতৰ পৰা নিজৰ জীৱন ৰক্ষাৰ বাবে এই ব্যৱস্থা গুৰুত্বপূৰ্ণ, আৰু মই ইয়াক সম্পূৰ্ণ সমৰ্থন জনাইছো।'' এই সিদ্ধান্তই অসমৰ ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। য'ত শাসকীয় দলৰ নেতা-মন্ত্ৰীসকলে মুখ্যমন্ত্ৰীৰ এই উদ্যোগক সমৰ্থন কৰিছে, তাতে বিৰোধী দলসমূহে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছে। X প্লেটফৰ্মতো এই বিষয়ক লৈ বিতৰ্ক চলিছে, কিছুমানে ইয়াক খিলঞ্জীয়া সম্প্ৰদায়ৰ সুৰক্ষাৰ বাবে এক জৰুৰী পদক্ষেপ বুলি মন্তব্য কৰিছে, আন কিছুমানে সমাজত অস্ত্ৰৰ বিস্তাৰৰ সম্ভাৱনাৰ প্ৰতি উদ্বেগ প্ৰকাশ কৰিছে। ইপিনে, একেদিনাই মন্ত্ৰী পীযুষ হাজৰীকাই গুৱাহাটীত উত্তৰ-পূব দক্ষতা কেন্দ্ৰত অসম দক্ষতা বিকাশ অভিযানৰ অধীনত প্ৰশিক্ষণপ্ৰাপ্ত ২৩৩ গৰাকী শিক্ষাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰে। এই অনুষ্ঠানত দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনো উপস্থিত আছিল। এই শিক্ষাৰ্থীসকলৰ ভিতৰত ১১৪ গৰাকী অনুসূচিত জাতিৰ শিক্ষাৰ্থী, যিসকলক সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ অধীনত অনুসূচিত জাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত বিনামূলীয়াকৈ প্ৰশিক্ষণৰ সুবিধা প্ৰদান কৰা হৈছিল। এই শিক্ষাৰ্থীসকলে বিগত এবছৰ ধৰি উত্তৰ-পূব দক্ষতা কেন্দ্ৰত বিভিন্ন শিতানত প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। ইয়াৰ ফলত ৫৪ গৰাকী শিক্ষাৰ্থীয়ে বিদেশৰ প্ৰতিষ্ঠানৰ পৰা আৰু বাকীসকলে দেশৰ বিভিন্ন নামীদামী প্ৰতিষ্ঠানৰ পৰা নিযুক্তিৰ প্ৰস্তাৱ লাভ কৰিছে। অনুষ্ঠানত মন্ত্ৰী হাজৰীকাই শিক্ষাৰ্থীসকলক নিযুক্তিপত্ৰ বিতৰণ কৰি তেওঁলোকৰ ভৱিষ্যৎ কেৰিয়াৰৰ সফলতাৰ বাবে শুভকামনা জনায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰী হাজৰীকাই কয়, "আমাৰ যুৱ শক্তিৰ দক্ষতা বিকাশৰ জৰিয়তে দেশৰ অৰ্থনৈতিক প্ৰগতিত অৰিহণা যোগোৱাৰ এই পদক্ষেপ অতি গুৰুত্বপূৰ্ণ। আমাৰ ল'ৰা-ছোৱালীয়ে দেশ-বিদেশৰ বিভিন্ন প্ৰতিষ্ঠানত কাম কৰি অসম তথা ভাৰতৰ সুনাম বৃদ্ধি কৰিব।'' তেওঁ লগতে উল্লেখ কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত দক্ষতাভিত্তিক শিক্ষাক বিশেষ গুৰুত্ব দিয়া হৈছে। তেওঁৰ মতে, আধুনিক পৰিৱৰ্তিত পৰিস্থিতিত দক্ষতাৰ ওপৰত ভিত্তি কৰি শিক্ষা ব্যৱস্থা গঢ়ি তোলাটো অতি জৰুৰী। মন্ত্ৰীগৰাকীয়ে আন্তৰ্জাতিক প্ৰেক্ষাপটত ভাৰতীয় মূলৰ ব্যক্তিৰ সফলতাৰ উদাহৰণ দি কয়, "বিশ্বৰ উন্নত ৰাষ্ট্ৰসমূহত ভাৰতীয় প্ৰতিভাই নিজৰ যোগ্যতাৰ পৰিচয় দিছে। আমাৰ শিক্ষাৰ্থীসকলেও এই পথ অনুসৰণ কৰি নিজৰ কেৰিয়াৰত সফলতা অৰ্জন কৰিব।'' অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগে ২০২৫-২৬ বৰ্ষৰ বাবে ২৪০ গৰাকী অনুসূচিত জাতিৰ শিক্ষাৰ্থীৰ বাবে বিভিন্ন দক্ষতাভিত্তিক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। এই পদক্ষেপৰ জৰিয়তে ৰাজ্যৰ যুৱ সমাজক আৰ্থিকভাৱে স্বনিৰ্ভৰ কৰাৰ লগতে দেশৰ অৰ্থনৈতিক উন্নয়নত অৰিহণা যোগোৱাৰ প্ৰচেষ্টা অব্যাহত থাকিব। মুখ্যমন্ত্ৰীৰ মাৰণাস্ত্ৰৰ অনুজ্ঞাপত্ৰৰ সিদ্ধান্তই য'ত সমৰ্থন লাভ কৰিছে, তাতে বিৰোধী দলৰ তীব্ৰ সমালোচনাওৰ সন্মুখীন হৈছে। X পে-টফৰ্মত এই বিষয়ে মিশ্ৰিত প্ৰতিক্ৰিয়া পৰিলক্ষিত হৈছে। কিছুমানে এই পদক্ষেপক খিলঞ্জীয়া সম্প্ৰদায়ৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় বুলি মন্তব্য কৰিছে, আন কিছুমানে সমাজত অস্ত্ৰৰ ব্যৱহাৰ বৃদ্ধিৰ সম্ভাৱনাৰ প্ৰতি আশংকা প্ৰকাশ কৰিছে। দক্ষতা বিকাশৰ ক্ষেত্ৰত অসম চৰকাৰৰ এই উদ্যোগক সৰ্বত্ৰ প্ৰশংসা কৰা হৈছে। শিক্ষাৰ্থীসকলৰ নিযুক্তিপত্ৰ প্ৰাপ্তিৰ খবৰে ৰাজ্যৰ যুৱ সমাজৰ মাজত উৎসাহৰ সঞ্চাৰ কৰিছে। এই পদক্ষেপে অসমৰ অৰ্থনৈতিক আৰু সামাজিক প্ৰেক্ষাপটত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

## আদানিৰ দৰে পুঁজিপতিৰ

"গুৱাহাটী বিমানবন্দৰৰ সন্মুখত প্ৰায় ৪০০-৫০০ বিঘা ভূমি অধিগ্ৰহণৰ পৰিকল্পনা কৰা হৈছে। কিন্তু এই ভূমি অধিগ্ৰহণৰ উদ্দেশ্যক আদানি গোষ্ঠীৰ সৈতে জড়িত বুলি সংবাদ মাধ্যমে ভুলভাৱে উপস্থাপন কৰিছে। আমাৰ মূল লক্ষ্য হৈছে এই ভূমি চৰকাৰৰ নিয়ন্ত্ৰণত ৰাখি ভৱিষ্যতে ব্যক্তিগত প্ৰতিষ্ঠানৰ, যেনে আদানিৰ, হাতত চলে যোৱা ৰোধ কৰা। এই ভূমিত অসম চৰকাৰৰ তিনিটা গুৰুত্বপূৰ্ণ প্ৰকল্প স্থাপন কৰা হ'ব।" তেওঁ স্পষ্ট কৰে যে এই ভূমি গুৱাহাটীৰ কিছুমান ডাঙৰ ব্যৱসায়ীৰ হাতত আছে, যিসকলে ইয়াক ভৱিষ্যতে ব্যক্তিগত প্ৰতিষ্ঠানৰ, যেনে আম্বাণী বা আদানিৰ, ওচৰত উচ্চ মূল্যত বিক্ৰী কৰিব পাৰে। "চৰকাৰে এই ভূমি অধিগ্ৰহণ কৰি তিনিটা প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ উন্নয়নৰ কামত ব্যৱহাৰ কৰিব। স্থানীয় লোকৰ উচ্ছেদৰ কোনো পৰিকল্পনা নাই", তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে ভূমি অধিগ্ৰহণৰ জৰিয়তে পৰিকল্পিত তিনিটা প্ৰকল্পৰ বিষয়ে বিশদভাৱে জনায় কয় যে "অসমত কনচাৰ্ট ইক'নমিৰ সম্ভাৱনাৰ কথা বিবেচনা কৰি আমি এখন আন্তঃৰাষ্ট্ৰীয় মানৰ ডাঙৰ ষ্টেডিয়াম নিৰ্মাণ কৰিব বিচাৰিছো। দিল্লীৰ ভাৰত মণ্ডপমৰ আদৰ্শত গুৱাহাটীত এখন কনভেনচন চেণ্টাৰ স্থাপন কৰা হ'ব, যিয়ে বৃহৎ সভা-সমিতিৰ আয়োজনৰ সুবিধা প্ৰদান কৰিব। ইউনিভাৰ্চেল ষ্টুডিঅ'ৰ দৰে এটা এণ্টাৰটেইনমেণ্ট জ'ন স্থাপনৰ পৰিকল্পনা কৰা হৈছে, যিয়ে পৰ্যটন আৰু বিনোদনৰ ক্ষেত্ৰত অসমৰ সম্ভাৱনাক বৃদ্ধি কৰিব।" সংবাদ মাধ্যমৰ সমালোচনা কৰি মুখ্যমন্ত্ৰীয়ে কয়, "সংবাদ মাধ্যমে এই ভূমি অধিগ্ৰহণৰ বিষয়ে ভুল তথ্য প্ৰচাৰ কৰি মানুহৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। প্ৰতিটো বিষয়ত আদানি বা আম্বাণীৰ নাম জড়িত কৰাৰ প্ৰয়োজন নাই। আমাৰ বিনিয়োগকাৰীৰ প্ৰয়োজন আছে, কিন্তু এনে ভুল তথ্যৰ ফলত বিনিয়োগৰ পৰিৱেশৰ ক্ষতি হ'ব পাৰে।" তেওঁ উল্লেখ কৰে যে উৰিয়ামঘাট বা পাইকানৰ দৰে অঞ্চলত কোনো উচ্ছেদ পৰিকল্পনা নাই, কিয়নো উৰিয়ামঘাট সীমান্ত অঞ্চল আৰু পাইকান সংৰক্ষিত বনাঞ্চল। তেওঁ আৰু কয়, "মই দুখেৰে ক'ব লাগিছে যে সংবাদ মাধ্যমে ভুল তথ্যৰ জৰিয়তে বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। এনে কৰিলে সংবাদ মাধ্যমৰ বিশ্বাসযোগ্যতা হ্ৰাস পায়। আমি অসমৰ সংবাদ মাধ্যমৰ মান অৱনমিত হোৱাটো নিবিচাৰো। চৰকাৰকো নিজৰ স্থিতি স্পষ্ট কৰাৰ সুযোগ দিয়া উচিত।" X প্লেটফৰ্মত এই বিষয়ে চৰ্চা চলি থকাৰ সময়ত কিছুমানে মুখ্যমন্ত্ৰীৰ এই স্পষ্টীকৰণক স্বাগত জনাইছে, আনহাতে কিছুমানে ভূমি অধিগ্ৰহণৰ প্ৰকৃত উদ্দেশ্যৰ বিষয়ে অধিক স্বচ্ছতাৰ দাবী কৰিছে। মুখ্যমন্ত্ৰীৰ ঘোষণাই স্থানীয় লোকৰ উচ্ছেদৰ আশংকা কিছু পৰিমাণে হ্ৰাস কৰিলেও, প্ৰকল্পসমূহৰ বাস্তৱায়নৰ প্ৰক্ৰিয়া আৰু ইয়াৰ স্থানীয় অৰ্থনীতিত প্ৰভাৱৰ বিষয়ে জনমানসত কৌতূহল বিৰাজমান।

## আদিত্যম শইকীয়াৰ

দিল্লীত ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ে আয়োজিত এক সংবাদমেলত ২০২৩ চনৰ বাবে এই পুৰস্কাৰৰ বিজয়ীসকলৰ নাম ঘোষণা কৰা হয়। ৭১তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ বিভিন্ন শাখাত অসমৰ কেইবাখনো চিনেমা, তথ্যচিত্ৰ, আৰু চুটিছবিয়ে উল্লেখযোগ্য সফলতা অৰ্জন কৰিছে। অসমীয়া চলচ্চিত্ৰৰ সমৃদ্ধি আৰু সৃজনশীলতাৰ প্ৰমাণ হিচাপে 'ৰঙাটাপু'ই ৰজত কমলৰ দৰে প্ৰতিষ্ঠিত স্বীকৃতি লাভ কৰিছে। এই চলচ্চিত্ৰখনে অসমৰ সংস্কৃতি, সমাজ আৰু জীৱনৰ গভীৰ দিশসমূহৰ সুন্দৰ প্ৰতিফলনৰ বাবে জুৰীৰ প্ৰশংসা লাভ কৰিছে। ইয়াৰ সমান্তৰালভাৱে, উৎপল দত্তৰ সমালোচনাৰ ক্ষেত্ৰত অৱদানৰ স্বীকৃতিস্বৰূপে তেওঁক শ্ৰেষ্ঠ চলচ্চিত্ৰ সমালোচকৰ বঁটা প্ৰদান কৰা হৈছে। তেওঁৰ গভীৰ বিশ্লেষণ আৰু চিনেমাৰ শৈল্পিক তথা সামাজিক গুৰুত্বৰ ওপৰত সূক্ষ্ম পৰ্যবেক্ষণে অসমীয়া তথা ভাৰতীয় চলচ্চিত্ৰৰ মানদণ্ড উন্নীত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। নতুন দিল্লীত আয়োজিত সংবাদমেলত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ে ৭১তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ বিজয়ীসকলৰ তালিকা প্ৰকাশ কৰে। এই বঁটাসমূহৰ জৰিয়তে ভাৰতৰ বিভিন্ন ভাষাৰ চলচ্চিত্ৰ, তথ্যচিত্ৰ, আৰু চুটিছবিৰ শ্ৰেষ্ঠত্বক স্বীকৃতি দিয়া হয়। অসমৰ প্ৰতিনিধিত্বকাৰী 'ৰঙাটাপু'ৰ সফলতাই ৰাজ্যৰ চলচ্চিত্ৰ নিৰ্মাণৰ সম্ভাৱনাক ৰাষ্ট্ৰীয় মঞ্চত উজ্জ্বল কৰিছে। 'ৰঙাটাপু'ৰ ৰজত কমল বঁটা অসমীয়া চলচ্চিত্ৰৰ কাৰিগৰী আৰু শৈল্পিক উৎকৰ্ষৰ এক উৎকৃষ্ট নিদৰ্শন। এই চিনেমাখনে দৰ্শক তথা সমালোচকৰ মন জয় কৰাৰ লগতে অসমৰ সাংস্কৃতিক ঐতিহ্যৰ গভীৰতাৰ প্ৰতিফলন ঘটাইছে। ইয়াৰ নিৰ্মাণ শৈলী, কাহিনীৰ গঠন, আৰু পৰিবেশনাই জুৰীৰ প্ৰশংসা লাভ কৰিছে। অন্যহাতে, উৎপল দত্তৰ সমালোচনাৰ জৰিয়তে অসমীয়া চলচ্চিত্ৰৰ সামাজিক আৰু শৈল্পিক মূল্যৰ বিষয়ে গভীৰ আলোচনাৰ পথ মুকলি হৈছে। তেওঁৰ লেখনীয়ে চলচ্চিত্ৰৰ বিভিন্ন দিশৰ ওপৰত নতুন দৃষ্টিভংগী প্ৰদান কৰিছে, যিয়ে নিৰ্মাতা আৰু দৰ্শকৰ মাজত গঠনমূলক সংলাপৰ সৃষ্টি কৰিছে। ৭১তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ ঘোষণাৰ পিছত অসমৰ চলচ্চিত্ৰ প্ৰেমী আৰু শিল্পী সমাজৰ মাজত উৎসাহৰ জোৱাৰ দেখা গৈছে। X প্লেটফৰ্মত বহুতে 'ৰঙাটাপু'ৰ সফলতা আৰু উৎপল দত্তৰ সমালোচনাৰ স্বীকৃতিক উৎসৱমুখৰ প্ৰশংসা কৰিছে। কিছুমানে এই সফলতাক অসমীয়া চলচ্চিত্ৰৰ নৱজাগৰণৰ সূচনা বুলি অভিহিত কৰিছে। অসমৰ চলচ্চিত্ৰ নিৰ্মাতাসকলে এই স্বীকৃতিক ভৱিষ্যতে আৰু উৎকৃষ্ট কৰ্মৰ প্ৰেৰণা হিচাপে গ্ৰহণ কৰিছে। এই বঁটাই অসমৰ চলচ্চিত্ৰ উদ্যোগক ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক স্তৰত প্ৰতিনিধিত্ব কৰাৰ ক্ষেত্ৰত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। 'ৰঙাটাপু' আৰু উৎপল দত্তৰ এই সফলতা অসমৰ শিল্পী আৰু সৃজনশীল সম্প্ৰদায়ৰ বাবে গৌৰৱৰ বিষয় হৈ পৰিছে।

## সম্প্ৰসাৰিত অভিযানত ৪০০

প্ৰশাসন আৰু আৰক্ষীৰ সক্ৰিয় সহযোগত অনুষ্ঠিত চতুৰ্থ দিনটোৰ অভিযানত ২নম্বৰ আৰু ৩নম্বৰ দয়ালপুৰ, ৩নম্বৰ দলনীপথাৰ, খেৰবাৰী, ২নম্বৰ মধুপুৰ আৰু বিদ্যাপুৰৰ অধিকাৰবিহীন বসতিসমূহ সম্পূৰ্ণৰূপে উচ্ছেদ কৰা হয়। উক্ত অভিযানৰ মাজতে প্ৰশাসনৰ বুলড'জাৰ চলিল দয়ালপুৰৰ হামীদ আলী নামৰ এটা কুখ্যাত অপৰাধীৰ প্ৰসাদোত্তম অট্টালিকাত। নিজকে ভূমিহীন সজাই বনাঞ্চলৰ শ শ বিঘা ভূমি বেদখল কৰি মাফিয়াৰাজ চলাই আহিছিল দয়ালপুৰৰ এইজন হামীদ আলীয়ে। লগত অবৈধ মাৰণাস্ত্ৰ ৰাখি সন্ত্ৰাস চলোৱা হামীদক এবছৰৰ পূৰ্বে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল এজন ব্যক্তিৰ ওপৰত গুলী চালনা কৰাৰ অপৰাধত। সেইজন হামীদ আলীৰে ঘৰত আজি প্ৰশাসনে বুলড'জাৰ চলাই সম্পূৰ্ণৰূপে তচনচ কৰি পেলাই। চতুৰ্থ দিনৰ উচ্ছেদ অভিযানটো কোনো অপ্ৰত্যাশিত ঘটনা অবিহনে শান্তিপূৰ্ণভাৱে সম্পন্ন হয়, যিয়ে পৰিকল্পিত, আইনগত আৰু মানৱীয় দৃষ্টিভংগীৰে পৰিচালিত প্ৰশাসনিক ব্যৱস্থাপনাৰ সফল দৃষ্টান্ত স্থাপন কৰিছে। প্ৰতিটো পৰ্যায়ত প্ৰয়োজনীয় আইনশৃংখলা, সুৰক্ষা ব্যৱস্থা আৰু আইনী প্ৰটোকল কঠোৰভাৱে অনুসৰণ কৰা হয়। অভিযান পৰ্যবেক্ষণৰ বাবে বিশেষ মুখ্য সচিব এম.কে.যাদৱ, আৰক্ষী মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিং, গোলাঘাট জিলাৰ জিলা আয়ুক্ত পুলক মহন্ত আৰু জেষ্ঠ আৰক্ষী অধীক্ষক আদি সকলোৱে প্ৰত্যক্ষ উপস্থিতিয়ে চৰকাৰে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা সংকল্পৰ প্ৰতিফলন ঘটায়। সংবাদ মাধ্যমৰ সৈতে বাৰ্তালাপত বিশেষ মুখ্য সচিব এম.কে.যাদৱে উল্লেখ কৰে যে, আজিৰ অভিযানৰ জৰিয়তে প্ৰায় ৪০০ হেক্টৰ বনভূমি পুনৰুদ্ধাৰ কৰা হৈছে। তেওঁ আন্তঃৰাজ্যিক সীমা সংলগ্ন অঞ্চলখনৰ সংবেদনশীলতাৰ কথা উল্লেখ কৰি আগন্তুক দিন সমূহতো দায়িত্বশীলভাৱে আগবাঢ়ি যোৱাৰ চৰকাৰী নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। গোলাঘাটৰ জিলা আয়ুক্ত পুলক মহন্তই জনায় যে বিগত চাৰিদিনত মুঠ ৮ হাজাৰ বিঘাৰো অধিক বনাঞ্চল অবৈধ বেদখলমুক্ত কৰা হৈছে। তেওঁ এক যোগসূত্ৰত বহু বিভাগৰ অন্তহীন পৰিশ্ৰম আৰু সহযোগিতাৰ শলাগ লয়, যাৰ ফলত এই অভিযান শান্তিপূৰ্ণভাৱে সফল হোৱাৰ পথ প্ৰশস্ত হৈছে। সুৰক্ষাৰ ক্ষেত্ৰতো প্ৰশাসনে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিছিল। চিআৰপিএফ আৰু ৰাজ্যিক আৰক্ষীৰ শক্তিশালী উপস্থিতিৰে গোটেই দিনটো আইনশৃংখলা নিশ্চিত কৰা হয়। জেষ্ঠ বিষয়াসকলে উচ্ছেদিত স্থানত উপস্থিত থাকি অভিযানৰ প্ৰতি মুহূৰ্তৰ পৰ্যবেক্ষণ কৰে। চলিত অভিযানৰ গতি, পৰিসৰ আৰু স্থানীয় সহযোগিতাৰ পৰিপ্ৰেক্ষিতত আগন্তুক দিনবোৰতো এই অভিযান অব্যাহত থাকিব। এই অভিযানৰ জৰিয়তে চৰকাৰে ৰেংমা সংৰক্ষিত বনাঞ্চলৰ পুনৰুদ্ধাৰ আৰু সংৰক্ষণৰ প্ৰতি নিজৰ দৃঢ় প্ৰতিশ্ৰুতি পুনৰ প্ৰমাণিত কৰিছে।

## বিধায়কৰ ধমক কাৰ্যভাৰ

শেহতীয়াকৈ ক্ৰমে চেৰেপাই, পকাজৰা, জেংৰাই, ৰতনপুৰ মিৰি, লুইতপৰীয়া, শ্ৰীৰাম, চিলাকলা, শ্ৰীলোহিত, কৰতিপাৰ, ৰঙাচাহী, ফুলনি, গড়মূৰ, লোহিত খাবলি, দক্ষিণ কমলাবাৰী, দক্ষিণপাট গাঁও পঞ্চায়তৰ সভাপতি আৰু পঞ্চায়ত প্ৰতিনিধিৰ দায়িত্বভাৰ গ্ৰহণ আৰু কাৰ্যালয় প্ৰৱেশৰ প্ৰক্ৰিয়া অব্যাহত আছে। শাসকীয় দলৰ নেতৃত্বত গঠন হোৱা পঞ্চায়ত সমূহ গঠন আৰু প্ৰতিনিধিৰ দায়িত্বভাৰ গ্ৰহণত পঞ্চায়তে পঞ্চায়তে গৈ মাজুলীৰ বিধায়ক ভুৱন গাম আৰু জিলা বিজেপিৰ সভাপতি দীপক গোস্বামীয়ে বিশেষ অগ্ৰাধিকাৰ দি যোৱা কেইটামান দিনৰ পৰা কাৰ্যসূচী অব্যাহত ৰখাৰ মাজতে আজিও কমলাবাৰী গাঁও পঞ্চায়তত মাজুলীৰ বিধায়ক ভুৱন গাম উপস্থিত হৈ পঞ্চায়তটোৰ প্ৰতিনিধিৰ দায়িত্বভাৰ গ্ৰহণৰ অনুষ্ঠানত অংশ লয়। পঞ্চায়টোৰ নতুন প্ৰতিনিধিয়ে দায়িত্বভাৰ গ্ৰহণৰ কাৰ্যসূচীলৈ বুলি পঞ্চায়টোত যথা সময়ত বিধায়ক গৰাকী উপস্থিত হ'ল পঞ্চায়টোৰ নৱ-নিৰ্বাচিত সভাপতি গৰাকীয়েই পঞ্চায়টোত উপস্থিত নোহোৱাত খংত অগ্নি শৰ্মা হৈ পৰে বিধায়ক ভুৱন গাম। পঞ্চায়ত সভাপতিয়ে দায়িত্ব ভাৰ গ্ৰহণৰ বাবে সভাপতিৰ কোঠা সজাই পৰাই থোৱাৰ মাজতে সভাপতিৰ কোঠাৰ পৰাই ফোন যোগে বিধায়ক গৰাকীয়ে পঞ্চায়টোৰ নৱ-নিৰ্বাচিত সভাপনেত্ৰী ৰূপা বৰুৱাক সময়ৰ মূল্য বুজি নোপোৱা বুলি কটু বাক্য শুনাই ধমক দিয়ে। অৱশ্যে কিছু পলমকৈ হলেও নৱ-নিৰ্বাচিত সভানেত্ৰী গৰাকী পঞ্চায়টোত উপস্থিত হোৱাৰ পিছত দায়িত্বভাৰ গ্ৰহণৰ কাৰ্যসূচী সমাপন হয়। ইফালে সভানেত্ৰী গৰাকীক বিধায়ক গৰাকীয়ে পলমকৈ অহাৰ পৰিপ্ৰেক্ষিতত দিয়া ধমকৰ দৃশ্য কেমেৰাত বন্দী কৰাৰ পৰিপ্ৰেক্ষিতত সাংবাদিককো বিজেপি নেতাই দুঃব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপিত হৈছে। ইফালে আজি বিধান গৰাকীয়ে দক্ষিণ কমলাবাৰী আৰু গড়মূৰ গাঁও পঞ্চায়তৰো পঞ্চায়ত প্ৰতিনিধিৰ কাৰ্যভাৰ গ্ৰহণৰ কাৰ্যসূচীত অংশ লয়। আনহাতে মাজুলীৰ ৰতনপুৰ মিৰি গাঁও পঞ্চায়ত, লুইত পৰীয়া গাঁও পঞ্চায়ত আৰু শ্ৰীৰাম গাঁও পঞ্চায়তৰ সভাপতি প্ৰমুখ্যে কৰি নৱ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধি সকলৰ আনুষ্ঠানিক ভাৱে কাৰ্য্যভাৰ গ্ৰহণ অনুষ্ঠানত পঞ্চায়ত প্ৰতিনিধিক উদ্দেশ্যি বিধায়ক ভুৱন গামে ভাষণ প্ৰসংগত কোৱা মন্তব্যই চৰ্চা লাভ কৰিছে। সেইদিনা বিধায়ক গৰাকীয়ে কৈছিল যে দুৰ্নীতি ৰাজ্য গঢ়াৰ কাৰণে কংগ্ৰেছক যি দৰে ৰাইজে ব্ৰহ্মপুত্ৰত উটুৱাই দিলে ঠিক তেনে দৰে বিজেপিকো ব্ৰহ্মপুত্ৰত দলিয়াই দিব যদি দুৰ্নীতি কৰে বুলি নৱ - নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলক তেওঁ সকিয়নী প্ৰদান কৰিছিল। পূৰ্বেও মাজুলীৰ প্ৰায় সকলো পঞ্চায়তেই বিজেপিৰ দখলত আছিল যদিও তেতিয়াও প্ৰতিটো পঞ্চায়ততে সততে দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছিল।

## নন্দিনী কাশ্যপৰ বাহনত

দিছপুৰ আৰক্ষীয়ে তেওঁৰ বলেৰো বাহনখন জব্দ কৰিছিল, যিখন বাহনৰ আগফালে সংবাদ মাধ্যমৰ একটি ষ্টিকাৰ লগোৱা আছিল। এই ঘটনাই প্ৰশ্নৰ সৃষ্টি কৰিছে যে এগৰাকী অভিনেত্ৰীয়ে, যি সংবাদ মাধ্যমৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত নহয়, তেওঁ কেনেকৈ নিজৰ বাহনত 'প্ৰেছ' ষ্টিকাৰ ব্যৱহাৰ কৰিব পাৰে। এই বিতৰ্কৰ পিছত মন্ত্ৰী হাজৰীকাৰ এই তদন্তৰ নিৰ্দেশে বিষয়টোৰ গুৰুত্বৰ ওপৰত পোহৰ পেলাইছে। শুকুৰবাৰে বেতকুছিত আয়োজিত দক্ষতা বিকাশ কেন্দ্ৰৰ নিযুক্তি পত্ৰ বিতৰণ অনুষ্ঠানত মন্ত্ৰী পীযুষ হাজৰীকাৰ সৈতে উপস্থিত আছিল দক্ষতা, নিযুক্তি আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন। এই অনুষ্ঠানত ভাৰত তথা বিদেশৰ বিভিন্ন উদ্যোগ প্ৰতিষ্ঠানত নিযুক্তি লাভ কৰা ২৩৩জন প্ৰশিক্ষাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। প্ৰশিক্ষাৰ্থীসকলক সৌন্দৰ্য আৰু সুস্থতা, খুচুৰা সেৱা, খাদ্য আৰু পানীয় সেৱা, আৰু আতিথ্য-গৃহ পৰিচালনাৰ দৰে ক্ষেত্ৰত বছৰজোৰা প্ৰশিক্ষণ প্ৰদান কৰা হৈছিল। এই প্ৰশিক্ষণৰ ফলত ডুবাই, বাহৰেইন, আৰু চিংগাপুৰৰ বিভিন্ন প্ৰতিষ্ঠানত অসমৰ যুৱক-যুৱতীসকলে নিযুক্তি লাভ কৰিছে। মন্ত্ৰী হাজৰীকাই অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰি কয়, "অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগে যোৱা বছৰ নৰ্থ-ইষ্ট স্কিল চেণ্টাৰত ২০০জন অনুসূচিত জাতিৰ (SC) ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণৰ সুযোগ প্ৰদান কৰিছিল, যাৰ মাজত ১৫০জনে প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। এই বছৰ আমি ২৪০ জনক এই কেন্দ্ৰলৈ পঠিয়াইছো। ইতিমধ্যে ১০০০জন যুৱক-যুৱতীয়ে তিনিমাহীয়া প্ৰশিক্ষণ সম্পূৰ্ণ কৰি নিযুক্তি লাভ কৰিছে।" অনুষ্ঠানৰ সময়ত APDCL (Assam Power Distribution Company Limited)ৰ অস্থায়ী কৰ্মচাৰীৰ নিযুক্তিৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী প্ৰশান্ত ফুকনে কয়, "এই বিষয়ত মুখ্যমন্ত্ৰীয়ে সকলো অস্থায়ী কৰ্মচাৰীৰ কথা চিন্তা কৰি পৰিকল্পনা প্ৰস্তুত কৰিছে। মই মন্ত্ৰী হ'লেও এই মুহূৰ্তত এই বিষয়ে বিশদভাৱে মন্তব্য কৰিব পৰা অৱস্থাত নাই। মুখ্যমন্ত্ৰীয়ে এই বিষয়ত স্তৰে স্তৰে সঠিকভাৱে চিন্তা-চৰ্চা কৰিছে।" নন্দিনী কাশ্যপৰ বাহনত 'প্ৰেছ' ষ্টিকাৰৰ ব্যৱহাৰে সংবাদ মাধ্যমৰ বিশ্বাসযোগ্যতা আৰু সাংবাদিকতাৰ নৈতিকতাৰ প্ৰশ্ন উত্থাপন কৰিছে। X প্লেটফৰ্মত এই বিষয়ে ব্যাপক চৰ্চা চলিছে, য'ত বহুতে এই ষ্টিকাৰৰ অপব্যৱহাৰৰ তদন্তৰ দাবী জনাইছে। মন্ত্ৰী হাজৰীকাৰ তদন্তৰ নিৰ্দেশে এই বিষয়ত স্বচ্ছতা আৰু জৱাবদিহিতাৰ আশা জগাইছে। তদন্তৰ ফলাফলে এই বিতৰ্কৰ পৰিসমাপ্তি আৰু ভৱিষ্যতে এনে ঘটনা ৰোধৰ বাবে পথ প্ৰদৰ্শন কৰিব বুলি প্ৰত্যাশা কৰা হৈছে।

## অনিল আম্বানীলৈ ইডিৰ

জাৰি কৰাৰ লগতে ৫ আগষ্টত তেওঁক সোধা-পোছাৰ বাবে মাতি পঠিওৱা হৈছে। ইয়াৰ পূৰ্বে বেংকৰ লোণৰ জালিয়াতিৰ বাবে কেন্দ্ৰীয় সংস্থাটোৱে অনিল আম্বাণীৰ সৈতে জড়িত ব্যৱসায়িক সত্তাসমূহত অভিযান চলাইছিল। উল্লেখ্য যে, দিল্লী আৰু মুম্বাইৰ আম্বাণীৰ কোম্পানীৰ সৈতে জড়িত কেইবাটাও চৌহদত ইডিয়ে তালাচী অভিযান সমাপ্ত কৰাৰ চাৰিদিন পিছতে এই চমন দিয়া হৈছে। ২৪ জুলাইৰ পৰা আৰম্ভ হোৱা এই অভিযান তিনিদিন ধৰি চলিছিল আৰু ৩৫ টাতকৈও অধিক স্থান সামৰি লৈছিল, য'ত অনিল আম্বাণী গ্ৰুপৰ ফাৰ্মৰ জ্যেষ্ঠ কাৰ্যবাহীকে ধৰি ৫০ টাতকৈও অধিক কোম্পানী আৰু ২৫জন ব্যক্তি জড়িত আছিল। ইডিৰ মতে, এই তদন্ত ২০১৭ চনৰ পৰা ২০১৯ চনৰ ভিতৰত মূলতঃ য়েছ বেংকে একাধিক গ্ৰুপ কোম্পানীলৈ প্ৰদান কৰা ১০ হাজাৰ কোটি টকাৰো অধিক ঋণৰ কথিত আৰ্থিক অনিয়ম আৰু ডাইভাৰচনৰ সৈতে জড়িত। এজেন্সীয়ে বেংকৰ ঋণ অনুমোদন প্ৰক্ৰিয়াত সম্ভাব্য উলংঘাৰ বিষয়েও পৰীক্ষা কৰি আছে। তদন্তকাৰী সংস্থাটোৱে অনিল আম্বাণীক সোধা-পোছাৰ বাবে ফোন কৰিছে। এতিয়া ৫ আগষ্টত ইডিৰ আগত হাজিৰ হ'ব লাগিব। তদন্তকাৰী সংস্থাটোৱে কেইবাটাও স্থানৰ পৰা বহু সংখ্যক নথি-পত্ৰ আৰু কম্পিউটাৰ সঁজুলি জব্দ কৰিছিল। এই অভিযান ৩ হাজাৰ কোটি টকাৰ বেংক ঋণৰ জালিয়াতিৰ অভিযোগৰ সৈতে জড়িত ধন সৰবৰাহৰ তদন্তৰ অংশ হিচাপে কৰা হৈছিল। ইয়াৰ উপৰিও কোটি কোটি টকাৰ আৰ্থিক অনিয়মৰ আন বহু অভিযোগো তেওঁৰ বিৰুদ্ধে একাংশ কোম্পানীয়ে উত্থাপন কৰিছে।

## ৯ ছেপ্টেম্বৰত উপ

পদত্যাগৰ পিছত এই নিৰ্বাচনৰ প্ৰয়োজনীয়তা সৃষ্টি হৈছে। নিৰ্বাচন আয়োগে শুকুৰবাৰে ঘোষণা কৰা অনুসৰি, ৯ ছেপ্টেম্বৰত এই নিৰ্বাচন অনুষ্ঠিত হ'ব। ধনখড়ে স্বাস্থ্যজনিত কাৰণ উল্লেখ কৰি পদত্যাগ কৰিছিল, যদিও বিৰোধী দলসমূহে এই পদত্যাগৰ পিছত গভীৰ ৰাজনৈতিক কাৰণ থাকিব পাৰে বুলি দাবী কৰিছে। নিৰ্বাচন আয়োগৰ ঘোষণা অনুসৰি, ৭ আগষ্টত নিৰ্বাচনৰ অধিসূচনা জাৰি, ২১ আগষ্ট মনোনয়ন দাখিলৰ অন্তিম তাৰিখ, ২২ আগষ্টত মনোনয়ন পৰীক্ষা, ২৫ আগষ্ট মনোনয়ন প্ৰত্যাহাৰৰ শেষ তাৰিখ আৰু শেষত ৯ ছেপ্টেম্বৰত ভোটদান (পুৱা ১০ বজাৰ পৰা বিয়লি ৫ বজালৈ) আৰু ফলাফল ঘোষণা কৰা হ'ব। যদি সৰ্বসন্মতিক্ৰমে কোনো প্ৰাৰ্থী মনোনীত হয়, তেন্তে নিৰ্বাচনৰ প্ৰয়োজন নাথাকিব। তথা একাধিক প্ৰাৰ্থীৰ ক্ষেত্ৰত গোপন বেলটৰ জৰিয়তে ভোটদান হ'ব। সংবিধানৰ ৬৬ নং অনুচ্ছেদ অনুসৰি, উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত লোকসভাৰ ৫৪৩জন আৰু ৰাজ্যসভাৰ ২৪৫জন সদস্যৰ সমন্বয়ে গঠিত ইলেক্টৰেল কলেজৰ সদস্যসকলে ভোটদান কৰে। মুঠ ৭৮৮জন সাংসদৰ এই ভোটদান একক হস্তান্তৰযোগ্য ভোট পদ্ধতিৰে গোপন বেলটৰ জৰিয়তে সম্পন্ন হ'ব। সাংসদসকলৰ ওপৰত কোনো দলীয় হুইপ জাৰি কৰা নহয়। নিৰ্বাচিত উপ-ৰাষ্ট্ৰপতিয়ে পূৰ্ণ পাঁচ বছৰৰ কাৰ্যকাল লাভ কৰিব, অৰ্থাৎ ২০৩০ চনলৈকে পদত থাকিব। শাসকীয় এন ডি এ আৰু বিৰোধী ইণ্ডিয়া ব্লক দুয়োখনেই নিৰ্বাচনৰ বাবে কৌশল প্ৰস্তুত কৰিছে। এন ডি এৰ তৰফৰ পৰা সম্ভাব্য প্ৰাৰ্থী হিচাপে নীতীশ কুমাৰ, মনোজ সিনহা, ভি কে ছাৰৌ, আৰু হৰিবংশ নাৰায়ণ সিংৰ নাম চৰ্চিত। ইণ্ডিয়া ব্লকৰ তৰফৰ পৰা শশী থাৰুৰৰ নাম উত্থাপিত হৈছে। কংগ্ৰেছৰ সাংসদ সপ্তগিৰি শংকৰ উলাকাই কয়, "ইণ্ডিয়া ব্লকে নিজৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰিব। আমি এই সুযোগ হাতছাড়া কৰিব নোৱাৰোঁ।" বিজেডিৰ সাংসদ সুভাষী খুন্তিয়াই কয়, "আমি স্বতন্ত্ৰ দল হিচাপে নিৰ্দেশ অনুসৰি ভোটদান কৰিম। এই নিৰ্বাচনে বিজেপিক কঠিন পৰীক্ষাৰ মুখামুখি কৰাব পাৰে।" ধনখড়ৰ পদত্যাগৰ পিছত কংগ্ৰেছে দাবী কৰিছে যে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ বিৰুদ্ধে অভিযোগনামা দাখিলৰ বিষয়ত কেন্দ্ৰৰ সৈতে তেওঁৰ মতানৈক্যই এই পদত্যাগৰ কাৰণ হ'ব পাৰে। X প্লেটফৰ্মটো এই বিষয়ে আলোচনা চলিছে, য'ত কিছুমানে ধনখড়ৰ পদত্যাগক বিজেপিৰ অভ্যন্তৰীণ চাপৰ ফল বুলি মন্তব্য কৰিছে। এই নিৰ্বাচন ২০২৯ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে এন ডি এ আৰু ইণ্ডিয়া ব্লকৰ শক্তি পৰীক্ষাৰ এক মঞ্চ হ'ব। ৰাজ্যসভাৰ সভাপতি হিচাপে উপ-ৰাষ্ট্ৰপতিৰ ভূমিকা সংসদৰ কাৰ্যপদ্ধতিত গুৰুত্বপূৰ্ণ, আৰু এই পদৰ প্ৰতিদ্বন্দ্বিতাই ভাৰতৰ ৰাজনৈতিক সমীকৰণৰ ওপৰত প্ৰভাৱ পেলাব।

## কাজিৰঙাৰ এনিমেল

কেইবাটাও এনিমেল কৰিডৰৰ মাজেৰে বন্যপ্ৰাণীসমূহ নিয়মিতভাৱে চলাচল কৰে। এই কৰিডৰসমূহত যান-বাহনৰ গতি নিয়ন্ত্ৰণৰ বাবে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই বাৰম্বাৰ সতৰ্কবাণী জাৰি কৰি আহিছে। তথাপি কিছুমান চালকে এই নিৰ্দেশনা অমান্য কৰি দুৰ্ঘটনাৰ সৃষ্টি কৰে। শুকুৰবাৰে পুৱতি নিশা কাজিৰঙাৰ কঁহৰা বনাঞ্চলৰ হালধিবাৰী এনিমেল কৰিডৰত এটা দুঃখজনক ঘটনা সংঘটিত হয়। গুৱাহাটী অভিমুখে যাত্ৰা কৰি থকা এখন যাত্ৰীবাহী বাছ (নম্বৰ AR 20 A 2577)ই ৭১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কৰিডৰ অতিক্ৰম কৰিবলৈ চেষ্টা কৰা এটা বৃহৎ বনৰীয়া ম'হক খুন্দিয়াই নিহত কৰে। ঘটনাটো পুৱা প্ৰায় তিনিটা বজাত সংঘটিত হয় আৰু ম'হটোৰ ঘটনাস্থলীতেই মৃত্যু হয়। কঁহৰা বনাঞ্চলৰ বন বিষয়া বিভূতি ৰঞ্জন গগৈয়ে জানিবলৈ দিয়া মতে, "ঘটনাৰ পিছত বন বিভাগৰ তহলদাৰী দল তৎক্ষণাত ঘটনাস্থলীত উপস্থিত হৈ বাছখন জব্দ কৰে আৰু চালকজনক গ্ৰেপ্তাৰ কৰে। প্ৰাৰম্ভিক তদন্তত জানিব পৰা গৈছে যে বাছখনৰ অত্যধিক গতিবেগৰ বাবেই এই দুৰ্ঘটনা ঘটিছে। " তেওঁৰ মতে, বন্যপ্ৰাণী সুৰক্ষা আইনৰ অধীনত চালকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বন বিষয়া গগৈয়ে আৰু কয়, "চলিত বৰ্ষত কাজিৰঙাৰ এনিমেল কৰিডৰত এনে ধৰণৰ এই প্ৰথম ঘটনা। গত বৰ্ষৰ বানৰ সময়তো এনে কোনো দুৰ্ঘটনা ঘটা নাছিল। আমি সকলো চালকক এই কৰিডৰসমূহত নিৰ্ধাৰিত গতিসীমা মানি চলি সাৱধানে যান-বাহন চলোৱাৰ আহ্বান জনাইছো, কিয়নো এই অঞ্চলত বন্যপ্ৰাণীৰ চলাচল অতি সাধাৰণ।" কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ এই এনিমেল কৰিডৰসমূহ বন্যপ্ৰাণীৰ নিৰাপদ চলাচলৰ বাবে অতি গুৰুত্বপূৰ্ণ। উদ্যান কৰ্তৃপক্ষই পুনৰবাৰ সকলো চালকক সতৰ্কতা অৱলম্বন কৰিবলৈ আৰু বন্যপ্ৰাণীৰ সুৰক্ষাৰ প্ৰতি সচেতন হ'বলৈ আহ্বান জনাইছে।

## পত্নী হত্যাৰ গোচৰত

মেজৰ গৌৰৱ কুমাৰ সিঙক যাৱজীৱন কাৰাদণ্ড আৰু ২০ হাজাৰ টকাৰ জৰিমনা বিহে। ভাৰতীয় দণ্ডবিধিৰ ৩০২ ধাৰাত দোষী সাব্যস্ত কৰি মেজৰ সিঙক শাস্তি প্ৰদান কৰে। ২০১৩ চনৰ মে মাহত মেজৰ সিঙে পত্নী প্ৰিয়া সিঙক হত্যা কৰি মৃতদেহটো যোৰাবাটৰ ওচৰৰ খাৱৈত পেলাই দিছিল। এই সন্দৰ্ভত ৰুজু হোৱা গোচৰত দীৰ্ঘদিনীয়া শুনানি গ্ৰহণ কৰি আজি আদালতে তেওঁক যাৱজীৱন কাৰাদণ্ডৰ শাস্তি ঘোষণা কৰে।

## শিক্ষিত নিবনুৱা যুৱকৰ

আড্ডা পিটি থকা যুৱকৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই আহিবলৈ ধৰিছে। মাক-দেউতাক বা অভিভাৱকসকলে অজস্ৰ ধন-বিট খৰচ কৰি, চাকৰি উপাৰ্জিত ধন সাং কৰি, অত্যন্ত যোগাৰ কৰিব নোৱাৰিলে মাকৰ গহনা গাঠৰিকে বিক্ৰী কৰি নাইবা খেতিপথাৰৰ মাটিৰে কিছু অংশ বন্ধকত দি হ'লেও ল'ৰাই উচ্চ শিক্ষা আহৰণৰ বাবে ঢাপলি মেলে। ল'ৰাইও শ্ৰেণীয়ে শ্ৰেণীয়ে কৃতকাৰ্য হৈ স্নাতক হয়, স্নাতকোত্তৰ ডিগ্ৰী বা কাৰিকৰী শিক্ষাৰ ডিগ্ৰী-ডিপ্লমা লাভ কৰে। এনেদৰে উচ্চ শিক্ষাৰে শিক্ষিত হৈ সাময়িকভাৱে কিছু সন্তুষ্টি লাভ কৰে, মাক-দেউতাক আদি সকলেও সান্ত্বনা লভে। মনত বহু আশা, বুকুত অলেখ সপোন কল্পনাৰ সৌধ নিৰ্মাণ কৰে। কিন্তু বাস্তৱ ক্ষেত্ৰত একোটি কৰ্মসংস্থাপনৰ সফলতা দেখা নাপাই ৰাতিয়ে দিনে হা-হুমুনিয়াহ কাঢ়ি মৰিব লগা হৈছে। চাকৰি বিচাৰি অফিচৰ দুৱাৰে দুৱাৰে তাঁতবাতি কৰি উপৰ্যুপৰি সাক্ষাৎকাদিৰ মুখামুখি হৈয়ো একেবাৰে বিমূৰ-বিভূৰ অৱস্থাত পতিত হয়। অৱশেষত অন্ধকাৰ অন্ধকাৰ কেউদিশে মাথোঁ অন্ধকাৰ। পোহৰৰ অকণো ৰেঙণিয়েই নাই। অৱশেষত শিক্ষিত নিবনুৱা যুৱক প্ৰায় কিংকৰ্তব্যবিমূৰ। চাকৰি নাই, টকা নাই, উপাৰ্জন নাই, মাক-দেউতাকৰ বয়স বৃদ্ধি পাই অহাৰ দৰে ৰোগ-ব্যাধি বাঢ়ি আহে। মুঠৰ ওপৰত ঘৰখনত বা পৰিয়ালটোত নানান প্ৰকাৰৰ অসুখ-অশান্তিৰ জাজৰি আহি পৰে। ইয়াৰ মাজতেই আত্মীয় লোকৰ বিয়োগ বেদনাৰ কথা আছেই।

নহ'ব, এনেকৈ আৰু নহ'ব। কিবা এটা স্বতন্ত্ৰৰীয়া কামত হাত নিদিলে দেখোন জীৱনৰ অৰ্থই সফল হৈ নুঠিব। সমস্ত আশা-ভৰষা বিফলে যাব। এনেকুৱাবোৰ ভাৱ-চিন্তাৰে যোগ-বিয়োগ কৰি আজি একোচাম শিক্ষিত যুৱকে গ্ৰামাঞ্চল বা চহৰাঞ্চলৰো কেতবোৰ সুবিধাজনক ঠাই নিৰ্বাচন কৰি ফাৰ্ম হাউচ খোলাত মনোনিৱেশ কৰিছে। গাহৰি ছাগলী, হাঁহ, কুকুৰা আৰু পুখুৰী খান্দি ফিচাৰি কৰি মাছ পোহাৰ দিহা কৰিছে। প্ৰকৃতাৰ্থত দেখা পোৱা গৈছে যে এনেকুৱা ফাৰ্ম হাউচ খুলি নিয়মীয়াকৈ ইবোৰৰ প্ৰতিপালন কৰি সম্প্ৰতি জনৈক শিক্ষিত যুৱকে যথেষ্ট লাভৱান হৈছে।

চাকৰি মকৰল নাই বুলি হাত সাৱটি বহি থাকিলে বা পৰিশ্ৰম অধ্যাৱসায় কৰিবলৈ এলাহ কৰিলেই মুখৰ ভাতমুঠি যোগাৰ কৰিবলৈকে টান হৈ পৰিব। এতিয়া আমি ভাবোঁ আমাৰ উচ্চ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য মাথোঁ একোটি চাকৰি হ'লেই নহ'ব। লক্ষ্য হ'ব লাগিব আমাৰ স্বাৱলম্বন, স্বনিৰ্ভৰশীল কৰ্ম আঁচনি ৰূপায়ণ। এটা সঁচা কথা আমি সদায় ভাবিব লাগিব যুৱকসকলটো সদায়ে একক হৈ থাকিব নোৱাৰিব, লগত এগৰাকী সঙ্গী সহচৰী গোটাই এখন সংসাৰ কৰিব লাগিব, নিজে একোটা উপাৰ্জনৰ পথ সন্ধান কৰি পিতৃ-মাতৃকে মুখ্য কৰি পৰিয়ালৰ অন্যান্যসকলৰো ভৰণ-পোষণৰ ব্যৱস্থা কৰিব লাগিব।

সেইগতিকে আমি ভাবোঁ চাকৰি একোটা কপালত নাই বুলি আকাশ-পাতাল ভাৱি-চিন্তি হাত সাৱটি বহি থাকিলে নহ'ব। স্বাৱলম্বিতাৰ দিহা কৰি স'ততে মনৰ দুৱাৰ-খিৰিকী আদি মুকলি কৰি কিবা এটা কৰি জীৱন গঢ়িবলৈ তৎপৰ হব লাগিব। প্ৰথমতে ইচ্ছাশক্তিক আগস্থান দি কাম কৰিবলৈ আগ্ৰহী উৎসাহী হব পাৰিব লাগিব। পৰিশ্ৰম হৈছে আমাৰ মনৰ অন্যতম চালিকা শক্তি। পৰিশ্ৰম কৰিবলৈ কেতিয়াও ভয় কৰিব নালাগিব আৰু এলাহ-অৱসাদক প্ৰশ্ৰয় দিব নালাগিব। এই কেইপদ মৌলিক কথা সাৰোগত কৰিয়েই কৰ্মাগ্ৰাহী হলে আমি জীৱনত নিশ্চিতভাৱে কৃতকাৰ্যতা লাভ কৰিব পাৰিম। তেতিয়া আমাৰ মনুষ্য জীৱন ধৰাৰ সাৰ্থকতা উপবিষ্ট হ'ব।

আমাৰ কথা হ'ল - মাটি থাকিলে ধান-মাহ, সৰিয়হ খেতি কৰাৰ উপৰিও ফাৰ্ম হাউচ কৰি লাউ, জিকা, ভেণ্ডি, বেঙেনা, জলকীয়া, কবি, কেৰেলা, তিয়হ, ডাংবড়ি আদিৰ দৰে ৰবি শস্যবোৰ উৎপাদন কৰিব পাৰিব। ফিচাৰি খান্দি নানা বিধৰ মাছ পুহি বিক্ৰী কৰি ধন ঘটিব পাৰিব। গাহৰি, ছাগলী, হাঁহ, কুকুৰা আদি জীৱ-জন্তুবোৰ পোহপাল দি পৰ্য্যাপ্ত পৰিমাণৰ ধন ঘটি স্বাৱলম্বনৰ আদৰ্শ পথ দেখুৱাব পাৰিব।

## ২৯ আগষ্টত অসমলৈ

"যিহেতু অমিত শ্বাহ সমবায় মন্ত্ৰী সেই গতিকে তেওঁ এই বিষয়ত আমাৰ পঞ্চায়তৰ প্ৰতিনিধি সকলৰ লগত আলাপ-আলোচনা কৰিব। বিয়লি ৫ বজাত অমিত শ্বাহে গোলাপ বৰবৰাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানত অংশ গ্ৰহণ কৰিব আৰু তাৰ পিছত দিল্লীলৈ উভতি যাব।"

## গোলাঘাটত সদৌ অসম আন্তঃজিলা বেডমিন্টন চেম্পিয়নশ্বিপৰ সামৰণি

# শিৱসাগৰৰ আধিপত্য, আঞ্চিত, ডাস্কৰ, সুৰ্বাশ্ৰীৰ দ্বি-মুকুট



**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১ আগষ্ট ঃ** গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত, অসম বেডমিণ্টন সন্থাৰ সহযোগত জিলা ক্ৰীড়া সন্থাৰ নৱ-নিৰ্মিত ইনডৰ ষ্টেডিয়ামত যোৱা ২৫ জুলাইৰ পৰা গাম্ভীৰ্যপূৰ্ণভাৱে আয়োজিত ৭৩ সংখ্যক সদৌ অসম আন্তঃ জিলা বেডমিণ্টন প্ৰতিযোগিতাৰ আজি সফল সামৰণি পৰে। জিলা ক্ৰীড়া সন্থাৰ সভাপতি ডাঃ অজিত বৰুৱা, উপ-সভাপতি ড০ নৃপেন বৰুৱা, সাধাৰণ সম্পাদক সঞ্জীৱ সন্দিকৈ নেতৃত্বত, বেডমিণ্টন বিভাগৰ সম্পাদক নৱজ্যোতি বৰা আৰু সন্থাৰ বিষয়ববীয়া, সদস্য সকলৰ তত্ত্বাৱধানত অতি নিখুট আৰু শৃংখলাবদ্ধভাৱে আয়োজিত আন্তঃ জিলা বেডমিণ্টনত ৰাজ্যৰ ২৫খন জিলাৰ হাজাৰৰো অধিক খেলুৱৈৰ বিপুল সমাৱেশে কেউটা দিন গোলাঘাট ষ্টেডিয়ামত দৃষ্টিনন্দন পৰিৱেশৰ সৃষ্টি কৰে। বিভিন্ন ইভেণ্টত উপভোগ্য খেল প্ৰদৰ্শনেৰে শিৱসাগৰ জিলা দলৰ খেলুৱৈয়ে একপ্ৰকাৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হয়। তিনিচুকীয়া জিলা দলৰ আঞ্চিত দাস, ডাস্ক বৰুৱাৰ যুটীয়ে ১৭ বছৰ অনুৰ্ধৰ ল'ৰাৰ যুটীয়া শাখাত আৰু ১৫ বছৰ অনুৰ্ধৰ ল'ৰাৰ যুটীয়া শাখাত চেম্পিয়নশ্বিপৰ খিতাপ আৰ্জন কৰি দ্বি-মুকুট লাভ কৰিবলৈ সক্ষম হয়। অন্যহাতে ১৭ বছৰ অনুৰ্ধৰ গাৰ্লছ চিংগুলছ আৰু ১৫ বছৰ অনুৰ্ধৰ গাৰ্লছ চিংগুলছত শিৱসাগৰৰ সুৰ্বাশ্ৰী বৰুৱাতীয়ে চেম্পিয়নশ্বিপৰ খিতাপেৰে দ্বি মুকুট লাভ কৰে। ১৯ বছৰ অনুৰ্ধ্বৰ ল'ৰাৰ যুটীয়া শাখাত যোৰহাটৰ আনয়ন বৰা, শিৱসাগৰৰ বৰ্ণিল আকাশ চাংমায়ে সোণৰ পদক, শিৱসাগৰ জিলা দলৰ আয়ন বৰুৱাতী, , মানস বৰগোঁৱে ৰূপৰ পদক, নাহৰকটীয়া দলৰ আয়ন গগৈ, ঋষিকেশ গগৈ আৰু নাহৰকটীয়াৰ কৌস্তভ বৰা, ডিগবৈৰ উদয়ন শইকীয়াৰ যুটীয়ে ব্ৰঞ্জৰ পদক লাভ কৰে। ১৯ বছৰ অনুৰ্ধ্বৰ গাৰ্লছ চিংগুলছত শিৱসাগৰৰ শান্তিপ্ৰিয়া হাজৰিকাই সোণৰ পদক, ডিব্ৰুগড়ৰ গাৰ্গী শইকীয়াই ৰূপৰ পদক, যোৰহাটৰ লিয়ানা গগৈ, আভিকা বুঢ়াগোহাঁয়ে ব্ৰঞ্জৰ পদক লাভ কৰে। ১৭ বছৰ অনুৰ্ধ্বৰ ল'ৰাৰ যুটীয়া শাখাত তিনিচুকীয়াৰ আঞ্চিত দাস, ডাস্ক বৰুৱাই সোণৰ পদক, গোলাঘাট জিলা দলৰ অমৃশপল্লৱ গগৈ, দেৱনয়ন দলেই ৰূপৰ পদক, গুৱাহাটীৰ প্ৰাকৃতিশ শৰ্মা, শিলচৰৰ সুমিত সিনহা, ডিব্ৰুগড়ৰ আফজাৰ জিয়া আহমেদ, নাহৰকটীয়াৰ ঋষিকেশ গগৈয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ১৭ বছৰ অনুৰ্ধৰ গাৰ্লছ চিংগুলছত শিৱসাগৰৰ সুবাশ্ৰী স্মিতা বৰুৱাতী ( সোণৰ পদক), ডিব্ৰুগড়ৰ সুস্মিতা চক্ৰৱৰ্তী ( ৰূপৰ পদক), শিৱসাগৰ জিলা দলৰ বেদাংগিনী গগৈ( ব্ৰঞ্জৰ পদক), শিৱসাগৰৰ নমিষা শইকীয়া( ব্ৰঞ্জৰ পদক), ১৭ বছৰ অনুৰ্ধ্বৰ বয়জ চিংগুলছত যোৰহাটৰ প্ৰাংগন চৌধুৰীয়ে সোণৰ পদক, শিৱসাগৰৰ অনিকেশ দত্তই ৰূপৰ পদক, তিনিচুকীয়াৰ গীতাৰ্থ গগৈ আৰু যোৰহাটৰ ৰাজদ্বীপ বৰাই ব্ৰঞ্জৰ পদক লাভ কৰে। ১৫ বছৰ অনুৰ্ধ্বৰ বয়জ ডবুলছত তিনিচুকীয়াৰ আঞ্চিত দাস, ডাস্ক বৰুৱাই সোণৰ পদক, শিৱসাগৰৰ অৰ্জুন বৰুৱা, চিৰশ্যামল বৰুৱাই ৰূপৰ পদক, যোৰহাটৰ আডি বৰা, নেৰুদা লি চি গগৈৰ যুটী আৰু শিৱসাগৰৰ অভিচন্দ গৌতম, যোৰহাটৰ ঋতছ চেতীয়াৰ যুটীয়ে ব্ৰঞ্জৰ পদক লাভ কৰে। ১৫ বছৰ অনুৰ্ধ্বৰ গাৰ্লছ চিংগুলছত শিৱসাগৰৰ সুবাশ্ৰী স্মৃতা বৰুৱাতীয়ে সোণৰ পদক লাভ কৰি দ্বি-মুকুট আৰ্জন কৰে। উক্ত শাখাত শিৱসাগৰৰ বেদাংগী গগৈয়ে ৰূপৰ পদক, যোৰহাটৰ গাৰ্গী বৰগোহাঁই আৰু আয়ুসী দত্তই ব্ৰঞ্জৰ পদক লাভ কৰে। ১৫ অনুৰ্ধ্বৰ বয়জ চিংগুলছত শিৱসাগৰৰ চিৰশ্যামল বৰুৱাই সোণৰ পদক, শিৱসাগৰৰ অনিকেশ দত্তই ৰূপৰ পদক, তিনিচুকীয়াৰ আঞ্চিত দাস আৰু ডাস্ক বৰুৱাই ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ১৩ বছৰ অনুৰ্ধৰ বয়জ ডবুলছত গুৱাহাটীৰ ৰেইহান জামান, শিৱসাগৰৰ তন্ময় সোণোৱালৰ যুটীয়ে সোণৰ পদক, গোলাঘাটৰ জিত গীতাৰ্থ কাকতি, জিত গম্ভীৰ কাকতিৰ যুটীয়ে ৰূপৰ পদক, ডিগবৈৰ চিৰঞ্জীৱ শইকীয়া, শিৱসাগৰৰ সিদ্ধান্ত শইকীয়া আৰু ডিব্ৰুগড়ৰ অৰকিযান খনিকৰ, ৰিধিস্মান বৰাই ব্ৰঞ্জৰ পদক লাভ কৰে। ১৩ বছৰ অনুৰ্ধ্বৰ বয়জ চিংগুলছত সোণৰ পদক ৰেইহান জামান (শিৱসাগৰ), ৰূপৰ পদক তামিষ সোণোৱাল (শিৱসাগৰ), ব্ৰঞ্জৰ পদক ক্ৰমে জিত গম্ভীৰ কাকতি (গোলাঘাট), গৰ্গ ভৰালী(শিৱসাগৰ), মহিলাৰ ছিংগলছত যোৰহাটৰ আভিকা বৰগোহাঁয়ে সোণৰ পদক, শিৱসাগৰৰ শান্তিপ্ৰিয়া হাজৰিকাই ৰূপৰ পদক, গুৱাহাটীৰ সুজেন বুঢ়াগোহাঁই আৰু ডিব্ৰুগড়ৰ গাৰ্গী শইকীয়াই ব্ৰঞ্জৰ পদক লাভ কৰে। গাৰ্লছ চিংগুলছত ১৩ বছৰ অনুৰ্ধৰ শাখাত ডিব্ৰুগড়ৰ অলিম্পিকা কোঁৱৰে চেম্পিয়নশ্বিপৰ খিতাপেৰে সোণৰ পদক, শিৱসাগৰৰ দৃষ্টিপ্ৰিয়া মৰাণে ৰূপৰ পদক, গুৱাহাটীৰ নন্দিকা বৰুৱা আৰু শিৱসাগৰৰ আদিশ্ৰী বুঢ়াগোহাঁয়ে ব্ৰঞ্জৰ পদক লাভ কৰে। ১১ বছৰ অনুৰ্ধৰ ছোৱালীৰ এককত যোৰহাট জিলা দলৰ অভীৰুচী শইকীয়াই সোণৰ পদক, তিনিচুকীয়া দলৰ এষিকা ঠাকুৰীয়াই ৰূপৰ পদক, নাজিৰাৰ লুজিয়ান ইবটিয়াজ আৰু গুৱাহাটীৰ তানভী প্ৰধানে ব্ৰঞ্জৰ পদক লাভ কৰে। ১১ বছৰ অনুৰ্ধৰ বয়জৰ চিংগুলছত যোৰহাটৰ আস্থাৱান দাসে সোণৰ পদক, নাহৰকটীয়াৰ অংশুমান সিংহই ৰূপৰ পদক, লখিমপুৰৰ ময়ূৰ নিৰ্বান কাশ্যপ আৰু শিৱসাগৰৰ অভিনৱ গগৈয়ে ব্ৰঞ্জৰ পদক লাভ কৰে। ৯ বছৰ অনুৰ্ধ্ব গাৰ্লছ চিংগুলছত দৰঙৰ অৰ্পিতা দাসে সোণৰ পদক, গুৱাহাটীৰ তস্বিকা গগৈয়ে ৰূপৰ পদক, শিলচৰৰ ঋতিকা চাহা আৰু যোৰহাটৰ ৰুদ্ৰপ্ৰিয়া বুঢ়াগোহাঁয়ে ব্ৰঞ্জৰ পদক লাভ কৰে। ৯ বছৰ অনুৰ্ধৰ বয়জ চিংগুলছত ডিগবৈৰ এৰিক পলাশ দত্তই সোণৰ পদক, শিৱসাগৰ দলৰ অংশুমান গোঁহায়ে ৰূপৰ পদক, নগাঁৱৰ জয় কাশ্যপ আৰু যোৰহাটৰ উপমুন্য দাৰিগে ব্ৰঞ্জৰ পদক লাভ কৰে। গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ সভাপতি ডাঃ অজিত বৰুৱা, সাধাৰণ সম্পাদক সঞ্জীৱ সন্দিকৈ আৰু বেডমিণ্টন বিভাগৰ সম্পাদক নৱজ্যোতি বৰাই এক প্ৰেছ বিবৃতিযোগে প্ৰতিযোগিতাখনি সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সংশি-ষ্ট সকলোৰে প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছে।



## দিচাং-দিখৌ চিত্ৰশালাৰ উদ্যোগত আয়োজিত কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, গেলেকী, ১ আগষ্ট ঃ** নাজিৰাৰ দিচাং-দিখৌ চিত্ৰশালা আৰ ন-মাটি ফুলপানী বৰুৱা মজলীয়া বিদ্যালয়ৰ যৌথ উদ্যোগত হেলেক ট্ৰেভেল ডট কম আৰু দিহিঙীয়া গাঁৱৰ ৰাইজৰ সহযোগত যোৱা ২৯ জুলাইৰ পৰা আয়োজিত চিত্ৰ-ভাস্কৰ্য, কাৰ্টুন অংকন কৰ্মশালাৰ আজি আনুষ্ঠানিকভাৱে সামৰণি পৰে। সামৰণি অনুষ্ঠানৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীসকলৰদ্বাৰা আয়োজিত প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ক্ষীৰেশ্বৰ তিনিকুৰীয়াই। ইয়াৰ পিছতে সমাজকৰ্মী তথা দিচাং-দিখৌ চিত্ৰশালাৰ অন্যতম সদস্য উমেশ গগৈয়ে আঁতধৰা সভাত উত্তৰণ যাদুঘৰৰ প্ৰতিষ্ঠাপক দুৰ্লভ বৰা, ন-মাটি ফুলপানী বৰুৱা মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক নবিউৰ ৰহমান, অৱসৰপ্ৰাপ্ত শিক্ষাবিদ ক্ৰমে ক্ষীৰেশ্বৰ তিনিকুৰীয়া, ৰাণীমা গগৈ, মঞ্জু শইকীয়া, চিত্ৰশিল্পী বিশ্বজিৎ চাহু, কাৰ্টুনিষ্ট ভাস্কৰজ্যোতি মহন্ত অতিথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়াই। দিচাং-দিখৌ চিত্ৰশালাৰ অধ্যক্ষ প্ৰশান্ত বৰুৱাই তিনি দিনীয়া এই কৰ্মশালা আৰু চিত্ৰাঙ্কণ প্ৰতিযোগিতা খনি সুন্দৰভাৱে অনুষ্ঠিত কৰাত সহায়-সহযোগিতা আগবঢ়োৱা সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

## জামুগুৰি গৰখীয়া থানত শৰাই এদিন উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, নগাঁও, ১ আগষ্ট ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ নিচেই কাষৰ ইতিহাসপ্ৰসিদ্ধ জামুগুৰি গাঁওখনত অৱস্থিতপ্ৰায় তিনিশৰো অধিক বছৰ পুৰণি সৰ্বজনীন গৰখীয়া থানভাগ আজিও স্ব-মহিমা আৰু স্ব-গৰিমাৰে উজ্জীৱিত হৈ আছে। এই ঐতিহাসিক থানখনত প্ৰতি বছৰে উদযাপন হৈ অহা এটি বাৰ্ষিক অনুষ্ঠান হৈছে "গৰখীয়া সবাহ আৰু শৰাইৰ এদিন" উৎসৱটি। জনবিশ্বাস মতে, পৰম্পৰাগতভাৱে প্ৰতি বছৰে বেছ উলহ-মালহেৰে অনুষ্ঠিত কৰি অহা এই উৎসৱ ভাগত শুদ্ধ মন আৰু সৰলভাৱে কোনো লোকে যদি শৰাই-সঁফুৰা আগবঢ়ায় তেন্তে তেনে লোকৰ অপূৰণ অভীপ্সা পূৰণ হয়। সেয়ে এনে গভীৰ বিশ্বাসেৰে বছৰৰ এই অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা ভক্ত আহি ইয়াত শৰাই-নৈবেদ্য আগবঢ়ায়। এইবেলি ৩১ সংখ্যক বাৰ্ষিক "গৰখীয়া সবাহ আৰু শৰাইৰ এদিন" উৎসৱটি অহা ২ আৰু ৩ আগষ্টত দুদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে উদযাপনৰ দিহা কৰা হৈছে। তদনুযায়ী, পুষ্পেন্দ্ৰ হাজৰিকাক সভাপতি, অনিল চন্দ্ৰ নাথক কাৰ্যকৰী সভাপতি, মহীন্দ্ৰ মহন্ত, গম্ভীৰ নাথ, অনন্ত নাথ আৰু দেৱেন নাথক উপ সভাপতি, বুবুল বৰদলৈক সম্পাদক তথা উৎপল বৰদলৈ আৰু অৱন্তী দেৱীক সহঃ সম্পাদক হিচাপে লৈ গঠিত উদযাপন সমিতিয়ে প্ৰয়োজনীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। প্ৰকাশিত কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা পুৱা ৭ বজাত পৰিৱেশ নিকাকৰণৰ অন্তত থানঘৰীয়া টংকেশ্বৰ নাথৰ দ্বাৰা মণিকূটত বন্তি প্ৰজ্বলনেৰে উৎসৱৰ শুভাৰম্ভ কৰাৰ পিছতে উদযাপন সমিতিৰ সভাপতি পুষ্পেন্দ্ৰ হাজৰিকাই ধৰ্মধ্বজা উত্তোলনৰ লগতে স্মৃতি তৰ্পণ কৰিব থান পৰিচালনা সমিতিৰ সভাপতি থানেশ্বৰ নাথে। ইয়াৰ পিছতে কীৰ্তন পাঠ, খোল আৰু নাম-প্ৰসংগৰ অন্তত বিয়লিৰ ভাগৱত পাঠ আৰু সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন কৰা হ'ব। সেইদৰে দ্বিতীয় দিনা পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ আৰু ভক্তপ্ৰাণ সেৱকসকলে আগবঢ়োৱা শৰাই উছৰ্গাৰ অন্তত কীৰ্তন পাঠ অনুষ্ঠিত হ'ব। ইয়াৰ পিছতে খোল আৰু নাম-প্ৰসংগ, গোপাল ভোগ পৰিৱেশন কৰা হ'ব। দুপৰীয়া বীৰেন চন্দ্ৰ নাথ আৰু অনন্ত নাথৰ পৰিচালনাত মহানামৰ শুভাৰম্ভ কৰা হ'ব। ই ফালে, বিয়লি মহানামৰ সামৰণিৰ পিছতে প্ৰসাদ বিতৰণ আৰু সমূহীয়া ঘোষা পৰিৱেশনেৰে উক্ত "গৰখীয়া সবাহ আৰু শৰাইৰ এদিন" উৎসৱৰ যৱনিকা পেলোৱা হ'ব বুলি উদ্যোক্তাৰ হৈ ভুৱন নাথে জানিবলৈ দিয়ে।

# গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত স্বচ্ছতা অভিযান

### এনচিচি আৰু হিন্দী বিভাগৰ সক্ৰিয় অংশগ্ৰহণ




**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১ আগষ্ট ঃ** গোলাঘাট বাণিজ্য মহাবিদ্যায় (স্বায়ত্ত)ত ১২তম অসম বেটেলিয়ন এন.চি.চি (পু.) শাখা আৰু হিন্দী বিভাগৰ যৌথ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে স্বচ্ছতা অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত অভিযানৰ অধীনত মহাবিদ্যায় পৰিসৰ আৰু সমীপৱৰ্তী পঞ্চতীৰ্থ মন্দিৰ প্ৰাংগণত স্বচ্ছতা অভিযান চলোৱা হয়। উক্ত কাৰ্যসূচীত এন.চি.চি কেডেট, ছাত্ৰ-ছাত্ৰী তথা শিক্ষক- শিক্ষয়িত্ৰী সকলে অংশগ্ৰহণ কৰে। উক্ত কাৰ্যসূচীৰ শুভাৰম্ভ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ উৎপল শৰ্মাই। তেওঁ উদ্বোধনী ভাষণত কয় যে স্বচ্ছতা কেৱল পৰিৱেশ পৰিষ্কাৰৰ বাবে নহয়, ই মানসিকতা আৰু দায়িত্ববোধৰো প্ৰতিক। যুৱ প্ৰজন্মই এই ধৰণৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ জৰিয়তে সমাজত সচেতনতা বৃদ্ধি পাব আৰু স্বচ্ছতাৰ ক্ষেত্ৰতো এক সহায়ক ভূমিকা গ্ৰহণ কৰিব। এই স্বচ্ছতা অভিযানৰ নেতৃত্ব দিয়ে মেজৰ ড০ দেবজিত দত্ত (ৰাজনীতি বিজ্ঞান বিভাগ) আৰু হিন্দী বিভাগৰ অধ্যক্ষা ড০ জুণ্টি দুৱৰাই। সকলো অংশগ্ৰহণকাৰীয়ে মন্দিৰ আৰু কলেজৰ পৰিসৰ পৰিষ্কাৰ কৰি সমাজত স্বচ্ছতাৰ সম্পৰ্কে সজাগতা কঢ়িয়াই আনিবলৈ অভিনৱ আহ্বান জনায়।

## গোলাঘাটত মাধুৰ্য গগৈ সোঁৱৰণী সদৌ অসম ৰেংকিং প্ৰাইজমানি টেবুল টেনিছ চেম্পিয়নশ্বিপ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১ আগষ্ট ঃ** গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত জিলা ক্ৰীড়া সন্থাৰ ইনডৰ ষ্টেডিয়ামত অহা ২১ আগষ্টৰ পৰা মাধুৰ্য গগৈ সোঁৱৰণী সদৌ অসম ৰেংকিং প্ৰাইজমানি টেবুল টেনিছ চেম্পিয়নশ্বিপ-২০২৫। গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক সঞ্জীৱ সন্দিকৈ আৰু টেবুল টেনিছ বিভাগৰ সম্পাদক সঞ্জীৱ সন্দিকৈয়ে এক প্ৰেছ বিবৃতিযোগে প্ৰকাশ কৰামতে এই উপলক্ষে প্ৰস্তুতি পূৰ্ণ গতিত অব্যাহত আছে। প্ৰতিযোগিতাখনিত অসমৰ সহস্ৰাধিক প্ৰতিভাৱান খেলুৱৈৰ সমাৱেশ ঘটিব। ২১ আগষ্টৰ দিনৰ ১১ বজাত শুভ উদ্বোধনী অনুষ্ঠানৰ পাছত বিভিন্ন ইভেণ্টৰ খেলসমূহ আৰম্ভ হ'ব। ২৪ আগষ্টত টেবুল টেনিছ চেম্পিয়নশ্বিপৰ সামৰণি পৰিব। প্ৰতিযোগিতাখনি সাফল্যমণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত ৰাইজৰ সহায়-সহযোগিতা তথা উপস্থিতি জিলা ক্ৰীড়া সন্থাই আন্তৰিকতাৰে কামনা কৰিছে।

## তিনিচুকীয়াত সম-জিলা ভূমি পৰামৰ্শদাতা সমিতিৰ বৈঠক

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ সম-জিলা ভূমি পৰামৰ্শদাতা সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা আজি জিলা আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত অনুষ্ঠিত হয়। আবেলি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই সভাখনত মাৰ্ঘেৰিটা, শদিয়া আৰু ডুমডুমা সম-জিলাৰ অন্তৰ্গত বিভিন্ন ভূমি অৱণ্টন সম্পৰ্কীয় প্ৰস্তাৱ সম্পৰ্কত বিতংকৈ আলোচনা কৰা হয়। সভাত তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক সঞ্জয় কিশান, তিনিওখন সম-জিলাৰ আয়ুক্ত, সকলো ৰাজহচক্ৰ বিষয়া, ডুমডুমা, ডিগবৈ আৰু তিনিচুকীয়াৰ সংমাণ্ডলিক বন বিষয়া, সন্মানীয় সাংসদ আৰু বিধায়কসকলৰ প্ৰতিনিধি উপস্থিত থাকে।

## দিনক দিনে বৃদ্ধি আক্ৰান্ত ৰোগীৰ সংখ্যা

# মাজুলী দক্ষিণপাটত কেন্সাৰ সজাগতাৰ দাবী

**অসম বাৰ্তা, বনগাঁও, ১ আগষ্ট ঃ** মাজুলী জিলা সদৰ গড়মুৰৰ পৰা প্ৰায় কুৰি কিলোমিটাৰ পুৱত অৱস্থিত দক্ষিণপাট সত্ৰৰ এলেকাধীন দক্ষিণপাট এটি বৃহ অঞ্চল। অঞ্চলটিত আজি কিছু দিনৰ পৰা জটিল কৰ্কট ৰোগৰ প্ৰাদুভাৱ বৃদ্ধিয়ে সৰ্বসাধাৰণক শংকিত কৰি তুলিছে। উক্ত ৰোগত আক্ৰান্ত বহুজন ইতিমধ্যে ইহঁসংসাৰৰ পৰা বিদায় লৈছে। আৰু বহুজনে মৃত্যুৰে যুঁজি আছে। অঞ্চলটোৰ মাজ মজিয়া দিঘলী গাঁও, নাওশালী গাঁও, কলিতা গাঁও, পুৰণি সত্ৰ গাঁও, কৈৱৰ্ত্ত গাঁও, চেকবান্ধ কুমাৰ গাঁও আদিত উক্ত ৰোগত আক্ৰান্ত একো একোজন ৰোগী বৰ্তমানে চিকিৎসাধীন। দক্ষিনপাট ৰাজ্যিক চিকিৎসালয়ৰ দাঁতি কাষৰীয়া নাওশালী গাৱঁত ৰোগত আক্ৰান্ত দুগৰাকীৰ বিগত বছৰত মৃত্যু হোৱাৰ উপৰিও সদ্যহতে দাৰিদ্ৰ পৰিয়ালৰ এগৰাকী মহিলা আজি দীৰ্ঘদিনে শৰ্যাগত। দিঘলী গাৱঁত দুজন, পুৰনি সত্ৰ গাঁৱত তিনি গৰাকী, চেক বান্ধ কুমাৰ গাঁৱত এজন, দক্ষিণপাট সত্ৰত এজন, কৈৱৰ্ত্ত গাঁৱত এগৰাকী লগতে দক্ষিণপাট কলিতা গাঁৱত একে মাহতে দুজনৰ উক্ত ৰোগীৰ চিনাক্ত হোৱাত স্বাভাৱিকতে গাঁও অঞ্চলত ৰাইজ চিন্তিত। বৃহত্তৰ অঞ্চলটিৰ আশে পাশেৰ গাঁও সমূহতো দুই এজন তেনে ৰোগী থকাৰ সম্ভাৱনা ৰাইজে নুই কৰা নাই। আক্ৰান্ত দাৰিদ্ৰ পৰিয়াল সমূহ সম্প্ৰতি আৰ্থিক সমস্যাৰ লগতে বেদনাদায়ক জীৱন কটাব লগা হৈছে। অঞ্চলটিৰ ৰাইজৰ মাজত সজাগ আৰু জনসচেতনতা বৃদ্ধিৰ হেতু অঞ্চলত এখনি সজাগতা সভাৰ অতি প্ৰয়োজন কৰিছে ৰাইজ; দল- সংগঠন সমূহে। সচেতন মহলে জিলা প্ৰশাসনৰ উদ্যোগত জিলা স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগক শীৰ্ঘ্ৰ কৰ্কট ৰোগ বিশেষজ্ঞক লৈ অঞ্চলত সজাগতা সভাৰ আয়োজন কৰিবলৈ ইয়াৰে দৃষ্টি গোচৰ কৰিছে। স্থানীয় গাওঁ প্ৰধান সঞ্জীৱ বৰাই আজি স্থানীয় দক্ষিণপাট ৰাজ্যিক চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত বিষয়াক তৎক্ষাণিক ভাৱে কেন্সাৰ বিৰোধী সজাগতা সভা আয়োজন কৰিবলৈ এখনি লিখিত পত্ৰৰে আবেদন কৰে। চিকিৎসক গৰাকীয়ে গাঁও প্ৰধান গৰাকীৰ এনে পদক্ষেপক আদৰনি জনায় শীৰ্ঘ্ৰ সভা অনুষ্ঠিতৰ আশ্বাস প্ৰদান কৰে। উল্লেখ থাকিল যে দক্ষিণপাট কলিতা গাঁৱৰ যুৱক সমাজে গাওঁ খনৰ ৰোগাক্ৰান্ত দাৰিদ্ৰ মহিলা এগৰাকীক হৃদয়ৱান ব্যক্তি আৰু ৰাইজৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰি ৰোগী গৰাকীৰ আৰ্থিক সহায়ৰ মহা মানবতাৰ পৰিচয় প্ৰদৰ্শন কৰা কাৰ্যক ৰাইজে ভুয়শী প্ৰশংসা কৰে।

# গুমা সমষ্টিত বিপিএফৰ নিৰ্বাচনী পৰ্যলোচনা সভা সম্পন্ন




**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১ আগষ্ট ঃ** বিটিচিৰ ২ নং গুমা সমষ্টিত বিপিএফ দলৰ উদ্যোগত আজি গুমা ব্লক কাৰ্য্যালয়ত এক বিস্তৃত পৰ্যলোচনা তথা নিৰ্বাচনী মতবিনিময় সভা অনুষ্ঠিত হয়। সভাত গুমা সমষ্টিৰ বুথ পৰ্যায়ৰ পৰা আৰম্ভ কৰি সমষ্টি আৰু ব্লক পৰ্যায়ৰ বি পি এফ দলৰ সভাপতি, সম্পাদক আৰু বিভিন্ন কৰ্মী উপস্থিত থাকে। সভাৰ অন্তত গুমা ব্লক সমিতিৰ কাৰ্যকৰী সভাপতি তথা সমষ্টিটোৰ বিপিএফ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী ইন্তাজ আলীয়ে সংবাদমাধ্যমৰ সৈতে এক আছুতীয়া সাক্ষাৎকাৰত কয় — "বিটি চিৰ গুমা সমষ্টি এতিয়া কংগ্ৰেছ মুক্ত। অসম প্ৰদেশ কংগ্ৰেছ সভাপতি গৌৰৱ গগৈ আহি প্ৰচাৰ কৰিলেও এই সমষ্টিৰ সংখ্যালঘু জনতাই কংগ্ৰেছ মুখী নহয়, কাৰণ সংখ্যালঘু জনতা এতিয়া বুজি উঠিছে যে কংগ্ৰেছে তেখেত সকলক কেৱল ভোট বেংকৰ স্বাৰ্থত ব্যৱহাৰ কৰিছে।" তেওঁ অভিযোগ উত্থাপন কৰে যে, "উচ্ছেদ, এন আৰ চি, ডিটেনচন কেম্প আদিৰ দৰে সংকটৰ মূল কাৰক হৈছে কংগ্ৰেছ। ষাঠী বছৰৰ শাসনৰ পিছতো কংগ্ৰেছে সংখ্যালঘুৰ সমস্যা সমাধান নকৰে, কেৱল ভোট লোৱাৰ বাবে ব্যৱহাৰ কৰি আহিছে।" ইন্তাজ আলীয়ে বি পি এফৰ ১৭ বছৰীয়া শাসনকালত গুমা সমষ্টিত হোৱা উন্নয়নৰ কথা উল্লেখ কৰি কয়, "ইউ পি পি এল - বিজেপি চৰকাৰত গাঁওপথৰ দাঁতিত অকল ছাইনব'ৰ্ড লাগিল, পথৰ জৰাজীৰ্ণ অৱস্থাত কোনো পৰিৱৰ্তন নহয়। কিন্তু বি পি এফ দল শাসনত আহিলে গুমাত উন্নয়নৰ নতুন জোৱাৰ আহিব।" এই উপলক্ষে অনুষ্ঠিত সভাটোত বিপিএফ দলৰ গুমা ব্লক উপ সভাপতি সহিদুল হক চৌধুৰী সভাপতিত্ব কৰে। উক্ত কাৰ্যসূচীত যথেষ্ট সংখ্যক দলীয় সদস্যৰ উপৰিও উপস্থিত আছিল বিপিএফ কেন্দ্ৰীয় উপ সভাপতি বক্তাৰ আলী আহমেদ, গোসাঁইগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক বিল্লা কুমাৰ ব্ৰহ্ম, বিপিএফৰ যুৱ গোটৰ গোসাঁইগাঁও জিলা সভাপতি নৰপতি ব্ৰহ্ম, গুমা ব্লক বিপিএফৰ সাধাৰণ সম্পাদক মকেন নাৰ্জাৰী আদি। সভাত অংশগ্ৰহণকাৰী ৰাইজৰ সমাগমে পৰিষ্কাৰকৈ এইটোৱেই প্ৰমাণ কৰিলে যে গুমা সমষ্টিত বিপিএফ দলৰ জনসমৰ্থন আগৰ দৰেই দৃঢ়, আৰু ৰাইজে দলটোক পুনৰ ক্ষমতাৰ গাদীত দেখিবলৈ ইচ্ছুক।

## ৰঙিয়াত বি ডিভিজন ফুটবল লীগৰ গুৰুত্বপূৰ্ণ খেলত ভয়ৰা এফ চি

**অসম বাৰ্তা, ৰঙিয়া, ১ আগষ্ট ঃ** ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত জয়ন্তীপুৰ যোগেশ্বৰ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা বি ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাৰ আজি ডি গ্ৰুপৰ এখন খেলত ভয়ৰা এফ চিয়ে সুন্দৰ খেল প্ৰদৰ্শন কৰি ২-১ গ'লত বাৰংহাটী স্পোৰ্টচ ক্লাবক পৰাজিত কৰি লীগত অগ্ৰগতি লাভ কৰে।উল্লেখ্য যে ভয়ৰা এফ চিৰ ১০ নম্বৰ জাৰ্চি পৰিহিত খেলুৱৈ মানস হুজুৰিয়ে প্ৰথমাৰ্ধত গ'ল এটি দি দলটিক আগুৱাই নি আছিল যদিও প্ৰথমাৰ্ধৰ অন্তিম ব'লটিত বাৰংহাটী স্পোৰ্টচ ক্লাবৰ ১৩ নম্বৰ জাৰ্চি পৰিহিত খেলুৱৈ নয়ন আলীৰ অশেষ প্ৰচেষ্টাত গ'লটো পৰিশোধ কৰিবলৈ সক্ষম হয়। অৱশেষত দ্বিতীয়াৰ্ধৰ ২৩ মিনিটত ভয়ৰা এফ চিৰ ১০ নম্বৰ জাৰ্চি পৰিহিত খেলুৱৈ মানস হুজুৰিৰ অপ্ৰাণ চেষ্টাত পুনৰ এটি গ'ল দি দলটিক সম্পূৰ্ণ পইন্ট অৰ্জন কৰাত সহায় কৰে।আনহাতে নীতি বৰ্হিভূত খেল খেলাৰ বাবে বাৰংহাটী স্পোৰ্টচ ক্লাবৰ ১৩নম্বৰ জাৰ্চি পৰিহিত নয়ন আলী আৰু ৯ নম্বৰ জাৰ্চি পৰিহিত খেলুৱৈ চফিকুল আলীক ৰেফাৰীয়ে হালধীয়া কাৰ্ড দেখুৱাই।আজিৰ খেলখন পৰিচালনা কৰে ৰেফাৰী আনোৱাৰ হুছেইন মজুমদাৰ, হীৰকজ্যোতি চৌধুৰী,নুৰুল হুছেইন আৰু পহৰেদ আলী আহমেদে। কাইলৈৰ বি গ্ৰুপৰ এখন খেলত পীতাম্বৰৰ বাৰদৈ ক্লাব আৰু নৰ্থ কামৰূপ এফচি চিয়ে প্ৰতি দ্বন্দ্বিতা আগবঢ়াব।

# ভোগেশ্বৰ শইকীয়াৰ গাঁঠিৰ ধনেৰে ৰাইজলৈ উৎসৰ্গা ৰংগমঞ্চ

### প্ৰযুক্তিগত বিশ্বায়ন সম্ভৱ হৈছে কিন্তু আন্তৰিক বিশ্বায়ন এতিয়াও বহু দূৰ ঃ ড০ পীতাম্বৰ দেৱ গোস্বামী

**অসম বাৰ্তা, উজনী মাজুলী, ১ আগষ্ট ঃ** মাজুলীৰ পূব প্ৰান্তত অৱস্থিত মুদৈগাঁও নিবাসী অৱসৰ প্ৰাপ্ত ভাৰতীয় সৈনিক, সমাজ কৰ্মী, লেখক, সমাজ সংগঠক ভোগেশ্বৰ শইকীয়াই গাঁঠিৰ ধন ব্যয়েৰে আৰু ভূমি দানেৰে এটি সুদৃশ্য ৰংগমঞ্চ নিৰ্মাণ কৰি আজি ৰংগমঞ্চ টি ৰাইজলৈ বুলি উৎসৰ্গা কৰি বিৰল দৃষ্টান্ত দাঙি ধৰিলে। এই উপলক্ষে আয়োজিত এক অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে আন্তৰ্জাতিক খ্যাত নামা মুখাশিল্পী ডঃ হেমচন্দ্ৰ গোস্বামীয়ে। অনুষ্ঠানত অৰুণ বৰাই বৰগীত পৰিবেশন কৰি মঞ্চখন মুকলি কৰে। ইয়াৰ পাছতেই চামগুৰি ৰাৱনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ দিলীপ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে বিশ্বনাথ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক তাৰানাথ মহন্ত, পুণ্যালয় নামৰ শংকৰ মাধৱ সাংস্কৃতিক চৰ্চা কেন্দ্ৰ টি উদ্ধোধক হিচাপে উপস্থিত থাকে আউনিআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা আউনিআটী সত্ৰৰ সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱ গোস্বামী। উদ্বোধনী ভাষণত সত্ৰাধিকাৰ গৰাকীয়ে তাত্বিক ভাষণেৰে সকলোকে মুগ্ধ কৰাৰ লগতে সাম্প্ৰতিক সমাজ ব্যৱস্থাৰ জটিলতা উনুকিয়াই, প্ৰযুক্তিগত বিশ্বায়ন সম্ভৱ হৈছে কিন্তু আন্তৰিক বিশ্বায়ন এতিয়াও বহু দূৰ বুলি সমাজলৈ এক বিশেষ বাৰ্তা প্ৰেৰণ কৰে। প্ৰাক্তন সৈনিক সন্থাৰ সভাপতি বিষ্ণু বৰুৱা, মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰুৱা, মাজুলী জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা, , মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনিন্দ্ৰ ভূএগ, মেৰাগড় নাৰায়ণ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তিলক চন্দ্ৰ শৰ্মা, মাজুলী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি বিপিন হাজৰিকা, পূব মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ডঃ অৰূপ কুমাৰ বৰা, গ্ৰীণ উদ বিদ্যালয়ৰ স্বত্বাধিকাৰ পুলক শইকীয়া, শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যা নিকেতনৰ অধ্যক্ষ সূৰ্য কুমাৰ ভূএগ, ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দূৰ্গেশ্বৰ শইকীয়া, মাজুলী জিলাৰ প্ৰাক্তন সভাপতি বীৰেন শইকীয়াও এই সভাত বিশিষ্ট অতিথি হিছাপে উপস্থিত থাকে। এই সভাতে ভোগেশ্বৰ শইকীয়াৰ দ্বাৰা লিখিত ধৰ্মীয় তৰংগ নামৰ পুথি খনি উন্মোচন কৰে অসম সত্ৰ মহাসভাৰ সম্পাদক প্ৰধান কুসুম কুমাৰ মহন্তই। অসম সত্ৰ মহাসভাৰ মাজুলী জিলা সমিতিৰ সম্পাদক জয়ন্ত হাজৰিকাই আঁত ধৰা অনুষ্ঠানত ভোগেশ্বৰ শইকীয়া, পত্নী পুণ্য শইকীয়া ৰ লগতে ভাতৃ বিৰাজ শইকীয়া, পত্নী ৰুবি শইকীয়াক গাঁও খনৰ যুৱক সংঘ, মহিলা সমিতি, নামঘৰ পৰিচালনা সমিতিকে মুখ্য কৰি বহু জনে শৰাই, সঁফুৰা, গামোচা, সম্বৰ্ধনা পত্ৰ আদিৰে বিশেষ সম্বৰ্ধনা জনায়। উল্লেখযোগ্য যে ভাৰতীয় সৈনিক হিচাপে অৱসৰ গ্ৰহণ কৰা ভোগেশ্বৰ শইকীয়াই সাঁচতীয়া টকাৰে নিজা মাটিত গাঁও খনৰ উন্নয়নৰ বাবে গাঁও খনৰ এটি ৰংগমঞ্চৰ অভাৱ আৰু পুথিভঁৰাল ৰ অভাৱ দূৰীকৰণৰ বাবে অহোপুৰুষাৰ্থ ভাৱে নিৰ্মাণ কৰি উলিওৱা নিজা সপোনৰ ভৱনটি পত্নী পুণ্য শইকীয়াৰ স্মৃতি যুগমীয়া কৰিবলৈ পুণ্যালয় নামকৰণ কৰি ভৱনটি আজি ৰাইজৰ বাবে উৎসৰ্গা কৰে। মহান ত্যাগ আৰু বদান্যতাৰে গাঁও খনৰ বাবে কৰা এই বিৰল কাৰ্যক উপস্থিত সকলোৱে উচ্চ প্ৰশংসা কৰে। ৰাতিলৈ সাংস্কৃতিক অনুষ্ঠানেৰে কাৰ্যসূচীৰ সামৰণী পৰে।

**শীঘ্ৰে পুনৰ আৰম্ভ কৰাৰ দাবী ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ**

# দীৰ্ঘদিনে বন্ধ তিনিচুকীয়াৰ ছৈখোৱাৰ একমাত্ৰ ৰন্ধন গেছ বিতৰণ কেন্দ্ৰ

**অসম বাৰ্তা, ছৈখোৱা, ১ আগষ্ট ঃ** ৰাজ্যত প্ৰদূষণ নিয়ন্ত্ৰণ তথা গৃহিণী সকলৰ ৰন্ধন প্ৰকৰণত সুবিধা হবৰ বাবে চৰকাৰে "উজ্জ্বলা" আচনিৰ জড়িতে ঘৰে ঘৰে বিনামূলীয়া ৰন্ধন গেছ'ৰ সংযোজন কৰাৰ ব্যৱস্থা কৰিছে যদিও তিনিচুকীয়া জিলাৰ ছৈখোৱাৰ এক মাত্ৰ ৰন্ধন গেছ বিতৰণ কেন্দ্ৰটো আজি দীৰ্ঘদিন ধৰি বন্ধ হৈ থকাত ছৈখোৱা অঞ্চলৰ ৰাইজে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। উল্লেখ্য যে, বৃহত্তৰ ছৈখোৱা অঞ্চলৰ ৰাইজক সহজতে ৰন্ধন গেছ'ৰ সংযোজন তথা চিলিণ্ডাৰ প্ৰদানৰ বাবে ছৈখোৱাত "ধলা ইণ্ডেন গ্ৰামীণ বিতৰক" নামেৰে ইণ্ডিয়ান অইল কৰ্পেচন লিমিটেড (আই অ চি এল)ৰ ৰন্ধন গেছ যোগান'ৰ অধিনত এটা ৰন্ধন গেছ যোগান কেন্দ্ৰ স্থাপন কৰি ৰাইজক গেছ সেৱা প্ৰদান কৰি আছিল যদিও বিগত ২০১৭ চনত কেন্দ্ৰ'টোৰ স্বত্বাধিকাৰী নিতু সোণোৱালৰ বিয়োগ ঘটাত বন্ধ হৈ পৰে ছৈখোৱা এই একমাত্ৰ ৰন্ধন গেছ যোগান কেন্দ্ৰটো। আৰু উক্ত ২০১৭ চনৰ পৰাই বন্ধ হৈ পৰা এই কেন্দ্ৰ আজি পৰ্যন্ত পুনৰ মুকলি নোহোৱাত এতিয়া এটা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বাবে হাহাকাৰ কৰিব লগীয়া পৰিছে ছৈখুৱাবাসী ৰাইজ। এটা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বাবে বৃহত্তৰ ছৈখোৱাৰ অঞ্চলৰ ৰাইজে হাহাকাৰ কৰিব লগীয়া হোৱাৰ পৰিপ্ৰেক্ষিতত আজি ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা ক্ৰমে হেমচন্দ্ৰ চেলেং, সুৰেশ বৰগোহাঁই আৰু সুনিল গোৱালাৰ নেতৃত্বত সংগঠনৰ এটা সজাতি দলে তিনিচুকীয়া ইণ্ডেন সংমণ্ডল কাৰ্যালয়ৰ সংমণ্ডল বিষয়াক সাক্ষাৎ কৰি, ছৈখোৱাত বিগত বছৰ বছৰ ধৰি বন্ধ হৈ থকা "ধলা ইণ্ডেন গ্ৰামীণ বিতৰক" নামৰ ৰন্ধন গেছ যোগান কেন্দ্ৰ'টোৰ বিষয়ে মিলিত হোৱাৰ লগতে কেন্দ্ৰটো পুনৰ খোলাৰ তথা আৰম্ভ কৰাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাই ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদক ক্ৰমে অনুপজ্যোতি দোৱাৰা আৰু অভিনন্দন কলিতাৰ স্বাক্ষৰিত এখনী স্মাৰকপত্ৰ প্ৰদান কৰে।

## ৰাজ্যত অব্যাহত চোৰাং ম'হৰ ৰমৰমীয়া ছিণ্ডিকেট

### ৩০টা ম'হ সহ চাৰিজন আটক

**অসম বাৰ্তা, আগমনি, ১ আগষ্ট ঃ** ধুবুৰী জিলাৰ বালাজানত ছয় চকীয়া মালবাহী ট্ৰাক সহ ৩০ টাকৈ চোৰাং মহ জব্দ। চাৰিজন আটক। ট্ৰাকখন পাঞ্জীপাৰা দিনাজপুৰৰ পৰা গুৱাহাটী অভিমুখে গৈ আছিল। চোৰাং সৰবৰাহকাৰীয়ে ন ন কৌশল অৱলম্বন কৰি চলাই আছে ৰমৰমীয়া বেহা ওপৰত ফলৰ কাৰ্টুন তলত ৩০ টাকৈ মহ। পিছে গোপন খবৰৰ ভিত্তিত বালাজান আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত উত্তম ৰায়ে আটক কৰে। ধুবুৰী জিলাৰ মাজেদি অব্যাহত চোৰাং মহৰ ৰমৰমীয়া ছিণ্ডিকেট। ছিণ্ডিকেট বাহিনীৰ নেতৃত্বত বহিঃ ৰাজ্যৰ পৰা ট্ৰাকে ট্ৰাকে সোমাইছে চোৰাং মহ। আজিয়ো এ এচ ২৬ এ চি ০৭৫৪ নম্বৰৰ আল্টাৰা ট্ৰাকৰে ৩০টা চোৰাং মহ লৈ ছাগলীয়াৰে অসমত প্ৰৱেশ কৰে। বালাজান আৰক্ষীয়ে ৰখাৱলৈ নিৰ্দেশ দিয়ে কিন্তু পলাবলৈ চেষ্টা কৰাত আৰক্ষীয়ে খেদি গৈ আগভেটী ধৰে পিছত তালাচী চলোৱাত ফলৰ কাৰ্টুৰ তলত ৩০ টাকৈ মহ উদ্ধাৰ কৰে আৰু চাৰিজন কৈ সৰবৰাহকাৰী আটক কৰে। ধৃত সৰবৰাহকাৰী কেইজন ক্ৰমে আবুল কশেম ঘৰ কলগাছিয়া, মিনাৰুল ইছলাম কলগাছিয়া, সহিদুল ইছলাম বৰপেটা ৰোড, জিয়াবুৰ ৰহমান বৰপেটা ৰোডৰ যুৱক কেইজনমানক আটক কৰিবলৈ সক্ষম হয়। অসম পশ্চিমবংগৰ সীমান্তৰে মহৰ ছিণ্ডিকেট চলোৱা বাহিনীক নাকী লগাবলৈ জিলা খনৰ নতুনকৈ যোগদান কৰা আৰক্ষী অধীক্ষকে কিমান দূৰ সক্ষম হব সেয়া লক্ষণীয়।

# নামনি মাজুলীৰ কাকৰিকটাত কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান




**অসম বাৰ্তা, উজনী মাজুলী, ১ আগষ্ট ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ কাকৰিকটাৰ কাঁচিয়লি যুৱক সংঘৰ উদ্যোগত, কাকৰিকটা গাঁও উন্নয়ন সমিতি, কাকৰিকটা নামঘৰ পৰিচালনা সমিতি আৰু প্ৰগতি মহিলা সমিতি আৰু সমূহ ৰাইজৰ সহযোগত অনুষ্ঠিত হোৱা গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদানৰ আজি আনুষ্ঠানিকভাৱে সামৰণী মৰা হয়। যোৱা ১০ জুলাইৰ পৰা উক্ত বিনামূলীয়া পাঠদান কাকৰিকটা সামূহিক ভৱনত অনুষ্ঠিত হৈছিল। আজিৰ উক্ত সামৰণী অনুষ্ঠানত চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা অঞ্চলটোৰ মেধাৱী ছাত্ৰ ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে আজি কাকৰিকটা সামূহিক ভৱনত এখন বৃহৎ সভা অনুষ্ঠিত হয়। সভাৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে স্থানীয় অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভোলানাথ দাস হাজৰিকাই। কাঁচিয়লি যুৱক সংঘৰ সভাপতি প্ৰাঞ্জল হাজৰিকাই আঁত ধৰা উক্ত সভাত সভাপতিত্ব কৰে খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰেম কান্ত মেধিয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে কাঁচিয়লি যুৱক সংঘৰ সম্পাদক ৰাজীৱ দাসে। সভাত বিশিষ্ট অতিথি হিচাপে খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰবীণ সৰকাৰ, মাজুলী জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সভাপতি বিকাশ দাস, নামনি মাজুলী জিলা পৰিষদৰ সদস্যা জুণ্টি মিলি পায়েং, চিলাকলা গাঁও পঞ্চায়তৰ সভানেত্ৰী সুমিত্ৰা হাজৰিকা, আঞ্চলিক সদস্যা পল্লৱী হাজৰিকা, আঁহতগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিশ্বজিৎ দাস, স্থানীয় গাঁও প্ৰধান অৰুণ কুমাৰ দাস, স্থানীয় ৱাৰ্ড সদস্য অযোধ্যা দাস আৰু বিকাশ দাস, সমাজকৰ্মী অৰুণ হাজৰিকা, চিৰঞ্জিত দাস, অপূৰ্ব নাৰায়ন দাস, প্ৰগতি মহিলা সমিতিৰ সভানেত্ৰী সম্পাদিকা শেৱালি মেধিয়ে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদানত পাঠদান কৰা শিক্ষকসকলক সম্বৰ্ধনা জনোৱা হয়। উক্ত অভিনন্দন অনুষ্ঠানত কাকৰিকটা অঞ্চলৰ পৰা চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা ২৫ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। অনুষ্ঠানত অভিনন্দন জনোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকলে নিজৰ অনুভৱ প্ৰকাশ কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে কাঁচিয়লি যুৱক সংঘৰ সম্পাদক ৰাজীৱ দাসে।



**কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষৰ**

# ডবকাৰ যমুনা নদীত চলিছে অবৈধ বালি মাফিয়াৰ সন্ত্ৰাস

**অসম বাৰ্তা, ডবকা, ১ আগষ্ট ঃ** হোজাই জিলাৰ ডবকা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত যমুনা নদীত একাংশ বালি মাফিয়াই অবৈধভাৱে চলাই গৈছে ৰমৰমীয়া ব্যৱসায়। বন বিভাগক কৰ ফাকিৰে যমুনা নদীত হাইপাৱাৰ মেচিন আৰু জেচিবিৰে দৈনিক শ শ ট্ৰিপাৰ, টাটা মবাইল, ট্ৰেক্টৰ আদিৰ জৰিয়তে বালি কঢ়িয়াই যমুনা নৈৰ বুকু উদং কৰি গৈছে বালি মাফিয়া সকলে। যমুনাগাৱৰ জনৈক জামান আৰু জহিৰৰ নেতৃত্বত বালি মাফিয়াৰ এটা বৃহৎ চক্ৰই কাৰ্বি আংলঙৰ জিলাৰ চালানেৰে হোজাই জিলাৰ বিভিন্ন প্ৰান্তলৈ ৰপ্তানী কৰে বালি সমূহ। উল্লেখ্য যে এফালে যমুনা নৈৰ পৰা বালি উঠোৱাৰ বাবে যমুনা মথাউৰি ভাঙি যোৱাৰ আশংকা বৃদ্ধি পাইছে। আনফালে যমুনাগাঁও, ৰৌৱাৰপাৰ, গনিপুৰ, জাৰুনী, উদমাৰী, মিকিৰপাৰা, কছাৰীপাৰা, নমাটি, কৰৈগুৰী আদি বৃহত্তৰ অঞ্চলৰ মাজেদি অভাৰ লোড ট্ৰিপাৰ, টাটা মবাইল, ট্ৰেক্টৰে বালি কঢ়িয়াই সেই অঞ্চল সমূহৰ ৰাস্তা-ঘাটৰ অৱস্থা অতি শোচনীয় কৰি পেলাইছে বালি মাফিয়া সকলে। এই অবৈধ বালি চেণ্ডিকেটৰ বিৰুদ্ধে অতি শীঘ্ৰে বিভাগীয় ভাৱে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে অনাগত দিনত বন বিভাগৰ বিৰুদ্ধে ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হব বুলি বিশেষ সূত্ৰে জানিব পৰা গৈছে।

# জাতীয় বিদ্যালয় মেৰাপানীত নাট কৰ্মশালাৰ সামৰণি

**অসম বাৰ্তা, মেৰাপানী, ১ আগষ্ট ঃ** গোলাঘাট জিলাৰ মেৰাপানীৰ অন্যতম আগশাৰী শিক্ষানুষ্ঠান জাতীয় বিদ্যালয় মেৰাপানীৰ উদ্যোগত, ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ TIEৰ আৰ্হিত ১৫ জুলাইৰ পৰা ৩০জুলাই ২০২৫ লৈ অনুষ্ঠিত কৰা নাট কৰ্মশালাৰ আজি অনুষ্ঠানটো খুউব সুন্দৰভাৱে সফল সামৰণি হয়। পুৱা দহ বজাৰ পৰা আৰম্ভ হোৱা এই অনুষ্ঠানটোত বিদ্যালয়ৰ ছাত্ৰ -ছাত্ৰী সকলৰ যি মৌলিক চিন্তা, সৃজনশীলতা এই দৃশ্য দেখি অভিভাৱকসকল অভিভূত হয়। সমাজত চলি থকা বাস্তৱিক কথা বতৰাক আধাৰ হিচাপে লৈ ছাত্ৰ-ছাত্ৰীসকলে নিজে ৰচনা কৰা কেবাখনো চুটি নাটক প্ৰদৰ্শন কৰে। খেলা-ধূলাৰ যোগেদি স্বভাৱ-চৰিত্ৰ গঠন, মানৱীয় প্ৰমূল্যবোধৰ শিক্ষা এই নাট কৰ্মশালাৰ উদ্দেশ্য খুউব সুন্দৰভাৱে প্ৰতিফলিত হোৱা দেখা যায়। ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ TIEৰ প্ৰশিক্ষক ফিলিপ জামান নেওগ ডাঙৰীয়াই এই কৰ্মশালাৰ নেতৃত্ব বহন কৰি ছাত্ৰ-ছাত্ৰী সকলক আগুৱাই নিয়াত যথেষ্ট অৰিহণা যোগায়। বিদ্যালয়ৰ শিক্ষক - শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকাৰ উপস্থিতিত আজি নাট কৰ্মশালাৰ অন্তত অধ্যক্ষা - ৰূপা শইকীয়া আৰু অভিভাৱক অজিত শইকীয়াই প্ৰশিক্ষক ফিলিপ জামান নেওগ ডাঙৰীয়াক সম্বৰ্ধনা জ্ঞাপন কৰি কৃতজ্ঞতা স্বীকাৰ কৰে

# জাঁজী মৰানছিগাত সদৌ অসম ভিত্তিত শিশু ভাওনা প্ৰতিযোগিতাৰ বৰ্ণাঢ্য আয়োজন

### উদযাপন সমিতি গঠন

**অসম বাৰ্তা, জাঁজী, ১ আগষ্ট ঃ** ঐতিহাসিক শিৱসাগৰ জিলাৰ জাঁজী মৰাণছিগা অঞ্চলৰ "মহা ভৈৰৱ সাংস্কৃতিক গোষ্ঠী"ৰ উদ্যোগত তথা জাঁজীবাসী ৰাইজৰ সহযোগত অহা জানুৱাৰী মাহৰ ৫, ৬, ৭, ৮ আৰু ৯ তাৰিখে উঠি অহা নৱ প্ৰজন্ম তথা শিশু সকলক সাংস্কৃতিক আৰু আধ্যত্মিক দিশৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ উদ্দেশ্যৰে সদৌ অসম ভিত্তিত এলানি শিশু ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। ইতিমধ্যে মৰাণছিগা মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগণত অলপতে এখনি ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। উক্ত সভাত দিলীপ দত্তক সভাপতি, সৌৰভ শইকীয়াক কাযকৰি সভাপতি, ৰাজীৱ চাংমাইক মুখ্য সম্পাদক, আৰু দীনেশ গগৈক সম্পাদক হিচাপে লৈ এখন উদযাপন সমিতি গঠন কৰা হয়। ইয়াৰোপৰি বিপুল দত্তক সভাপতি, ৰবি শংকৰ বৰুৱাক কাযকৰি সভাপতি, আৰু মাখন বৰুৱাক সম্পাদক হিচাপে লৈ এখন প্ৰতিযোগিতা উপ সমিতি গঠন কৰা হয় বুলি সাংস্কৃতিক গোষ্ঠীটোৰ সভাপতি অনিল চন্দ্ৰ বৰুৱাই জানিবলৈ দিয়ে। উদযাপন সমিতি গঠন হোৱা সভাত কেইবাজনো গণ্য মান্য ব্যক্তিৰ লগতে বিমলা প্ৰসাদ বৰা, পুষ্পধৰ নেওগ, গিৰিন্দ নাথ চেতিয়া, মাণিক শইকীয়া, গিৰীণ বৰুৱা, সাংবাদিক দিগন্ত শৰ্মা, আদি অঞ্চলটোৰ কেইবাজনো সমাজ কৰ্মী উপস্থিত থাকে। ইতিমধ্যে প্ৰতিযোগিতাৰ বাবে নাটকৰ পাণ্ডুলিপি অহা ১ আগষ্টৰ পৰা ২০ আগষ্ট লৈ গ্ৰহণ কৰা হব বুলি প্ৰতিযোগিতাৰ উপ সমিতিয়ে সংবাদ মাধ্যমক জানিবলৈ দিছে। প্ৰতিযোগিতাৰ প্ৰথম শ্ৰেষ্ঠ দলক পঞ্চাশ হাজাৰ, দ্বিতীয় শ্ৰেষ্ঠ দলক চলিশ হাজাৰ, তৃতীয় শ্ৰেষ্ঠ দলক ত্ৰিশ হাজাৰ, আৰু চতুৰ্থ শ্ৰেষ্ঠ দলক বিশ হাজাৰ টকাৰে পুৰস্কৃত কৰাৰ লগতে অন্যান্য ব্যক্তিগত শিতানতো আকৰ্ষণীয় পুৰস্কাৰ প্ৰদান কৰা হব বুলি সমিতিয়ে জানিবলৈ দিছে। আনহাতে ইচ্ছুক দল সমূহে অধিক তথ্য জানিবৰ বাবে মোবাইল নম্বৰ-৮৮২২৭৮২৫৮৪, ৯৯৫৪৫৫২৭৫৮ আৰু ৯৯৫৪৬৩৪৮৩৮ত যোগাযোগ কৰিব পাৰিব।

# তামাৰহাটত শ্মশান ভূমিৰ পৰা পিস্তল উদ্ধাৰ

### আৰক্ষীৰ তদন্ত

**অসম বাৰ্তা, তামাৰহাট, ১ আগষ্ট ঃ** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত মেছপাৰা গাঁৱত আজি দুপৰীয়া এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হয়। গাঁওখনৰ এখন শ্মশান ভূমিত বাউণ্ডাৰী দেৱাল নিৰ্মাণৰ কাম চলি থকা অৱস্থাত মাটিৰ তলৰ পৰা এটা পিস্তল উদ্ধাৰ হোৱা দৃশ্যই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰে। জানিব পৰা মতে, স্থানীয় বনুৱাই গাত খান্দি থাকোঁতে হঠাৎ মাটিৰ তলৰ পৰা এটা ধাতৰ বস্তু ওলায়, যি পাছত পিস্তল বুলি চিনাক্ত হয়। তৎক্ষণাৎ ঘটনাটোৰ বিষয়ে তামাৰহাট আৰক্ষীক অৱগত কৰোৱা হয়। খবৰ পাই আৰক্ষীৰ এক বিশেষ দলে ঘটনাস্থলীত উপস্থিত হৈ পিস্তলটো জব্দ কৰে। আৰক্ষীয়ে জানিবলৈ দিছে যে উদ্ধাৰ হোৱা পিস্তলটোৰ উৎস, তাৰ বয়স, আৰু কোনো অপৰাধত ব্যৱহৃত হৈছিল নেকি - সেই সন্দৰ্ভত পূৰ্ণ তদন্ত আৰম্ভ হৈছে।



# বুঢ়াশেনচোৱাত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান শিবিৰৰ সামৰণি

**অসম বাৰ্তা, উজনী মাজুলী, ১ আগষ্ট ঃ** মাজুলীৰ বুঢ়াশেনচোৱা যুৱ মঞ্চৰ উদ্যোগত যোৱা ৩ জুলাই পৰা অনুষ্ঠিত হোৱা গ্ৰীষ্মকালিন বিনামূলীয়া পাঠদান শিবিৰ কালি সমাপ্তি ঘটে। সেই উপলক্ষে কালি বুঢ়াশেনচোৱা ৰঙ্গমঞ্চত বৰ্ণাধ্য কাৰ্যসূচীৰে আৰম্ভ হোৱা সভাখনৰ আঁত ধৰে বুঢ়াশেনচোৱা যুৱ মঞ্চৰ প্ৰতিষ্ঠাপক সম্পাদক শিক্ষক ৰঞ্জন দাসে। উদ্দেশ্য ব্যাখা কৰে যুৱ মঞ্চৰ সভাপতি কিৰণ দাসে। অনুষ্ঠানতোত মাজুলী ভিত্তিত কুইজ প্ৰতিযোগিতা, আকস্মিক বাক প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হোবাৰ লগতে মত বিনিময় অনুষ্ঠানো অনুষ্ঠিত হয়। অনুষ্ঠানত উপস্থিত থাকে মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ আনন্দ হাজৰিকা, জেংৰাইমুখ মহাবিদ্যালয় সহকাৰী অধ্যাপক দেৱজিত হাজৰিকা, উজনী মাজুলী খণ্ড উন্নয়ন বিষয়া সৌৰভপ্ৰতিম গগৈ, ১০৮ নং বুঢ়াশেনচোৱা প্ৰাঃবিদ্যালয়ৰ প্ৰধান শিক্ষক ডিম্বেশ্বৰ দাস, সুজিত শইকীয়া, প্ৰসন্ন দাস, ভাস্কৰ বৰুৱা, সদৌ মাজুলী জিলা অনুসুচিত জাতি ছাত্ৰ সন্থাৰ সভাপতি বিকাশ দাসকে আদি কৰি কেইবাজনো বিশিষ্ট ব্যক্তি। উল্লিখিত বিশিষ্ট ব্যক্তি সকলে প্ৰদান কৰা ভাষণে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰেৰণা যোগোৱা লগতে অনুষ্ঠানতো অধিক সমৃদ্ধিশালী কৰি তোলে। প্ৰায় হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ উপস্থিতিয়ে সভাখন সাফল্য মণ্ডিত কৰি তোলে। সভাপতিৰ সাৰুৱা মন্তব্যৰে সভা ভঙ্গ হোৱাৰ লগে লগে সন্ধিয়া বৰ্ণাধ্য সাংস্কৃতিক অনুষ্ঠানেৰে আৰম্ভ হোৱা অনুষ্ঠানতো শিক্ষক গুণকান্ত দাসৰ দ্বাৰা পৰিচালিত সাবিত্ৰী সত্যবান নামৰ নাট ভাগিৰে অনুষ্ঠানতোৰ সফল পৰিসমাপ্তি ঘটে। শেষত বুঢ়াশেনচোৱা যুৱ মঞ্চৰ সম্পাদক ৰবিন দাসে অনুষ্ঠানতো সফল কৰি তোলাত সহায় সহযোগিতা আগবঢ়োৱা সকলোকে শলাগৰ শৰাই আগবঢ়ায়।

# নগাঁও জিলাৰ ধিঙৰ বেটকাটিত সুমংগল ঘাট উদ্বোধন



**অসম বাৰ্তা, টুকটুকী, বটদ্ৰৱা, ১ আগষ্ট ঃ** নগাঁও জিলা ধিঙৰ বেটকাটি গাঁৱৰ ৰাইজৰ দীৰ্ঘদিনীয়া এক সমস্যাৰ আজি অন্ত পৰিল। গাঁওখনৰ কৰ্মকাণ্ডি পন্থাৰ লোক সকলৰ কিছু ধৰ্মীয় কামকাজ সমাপনৰ বাবে এটা ঘাটৰ অভাৱে ৰাইজক জুৰুলা কৰিছিল। কিন্তু গাঁও খনৰ সুসন্তান বিশিষ্ট শিক্ষাবিদ, গৱেষক ড০জোনাৰাম নাথে নিজৰ সাঁচতীয়া ধনৰে গাঁওখনৰ শিৱমন্দিৰৰ পুখুৰীত নিৰ্মাণ কৰাই দিলে এটা আটক ধুনীয়া ঘাট। সুমংগল ঘাট নামৰ এই ঘাটটোৰ নিৰ্মাণত তেখেতে ব্যয় কৰিছে প্ৰায় পাঁচ লাখ টকা। আজি এই সুমংগল ঘাটটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে শ্ৰীশ্ৰী আলিপুখুৰী (পাটেকীবড়ী)সত্ৰৰ সত্ৰাধিকাৰ বীৰেণ মহন্তই। খোল-তাল দেৱবাদ্যৰ শব্দ, আয়তীৰ মাংগলিক উৰুলীৰ মাজেৰে আজি পুৱা দহ বজাত সুমংগল ঘাটটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে সত্ৰাধিকাৰ মহন্তই। ইয়াৰ পাছতে ঘাটত বৃক্ষ ৰোপণ কৰে জ্যেষ্ঠ সাংবাদিক হেমেন কুমাৰ দাসে। সুমংগল ঘাট উদ্বোধন উপলক্ষে এখন সভাও অনুষ্ঠিত হয়। সমাজকৰ্মী ৰুদ্ৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বিশিষ্ট অতিথি হিচাপে শ্ৰী শ্ৰী আলি পুখুৰী (পাটেকীবড়ী) সত্ৰৰ সত্ৰাধিকাৰ বীৰেণ মহন্ত, লেখক -জ্যেষ্ঠ সাংবাদিক হেমেন কুমাৰ দাস উপস্থিত থাকে। সভাত ভাষণ দি সত্ৰাধিকাৰ বীৰেণ মহন্তই কয় যে, ৰাইজৰ কাম সকলোৱে কৰিব নোৱাৰে। এটা ভাল মনৰ মানুহেহে ৰাইজৰ কাম কৰিব পাৰে। ড০জোনাৰাম নাথে নিজৰ জন্মস্থানৰ প্ৰতি থকা দায়বদ্ধতাৰ বাবেই গাঁথিৰ ধন খৰচ কৰি ৰাইজৰ সুবিধাৰ্থে এটা আটক ধুনীয়া ঘাট নিৰ্মাণ কৰাই দিয়ে। আনহাতে, লেখক -জ্যেষ্ঠ সাংবাদিক হেমেন কুমাৰ দাসে নিজৰ ভাষণত কয়, "অৰ্থদান আৰু জ্ঞান দান মহান কৰ্ম। এই কাজ কৰাৰ সৌভাগ্য সকলোৱে নাথাকে। কিন্তু সেই পৰম সৌভাগ্য অৰ্জন কৰিছে বিশিষ্ট শিক্ষাবিদ গৱেষক ড° নাথে। তেওঁ সৎ পথৰে অৰ্জন কৰা ধনৰে ৰাইজৰ সেৱাৰ্থে কিছু কাম কৰাৰ লগতে শিক্ষা দানেৰে জীৱন আলোকিত কৰি তুলিছে হেজাৰ হেজাৰ শিক্ষাৰ্থীৰ জীৱন।" দাসে লগতে আৰু কয়, "ৰাইজে নিচেই সাদাৰণ যেন ভৱা ডন্নাথ এক অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী। এগৰাকী কলেজ শিক্ষক হিচাপে, শিক্ষাবিদ, গৱেষক, লেখক হিচাপে তেওঁ ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰিছে। তেওঁ কোনো স্বাৰ্থ নথকাকৈয়ে ৰাইজৰ সেৱাত ব্ৰতী হৈছে।" সভাত সুমংগল ঘাটৰ দাতা ড০জোনাৰাম নাথ, অৱসৰপ্ৰাপ্ত শিক্ষক গজেন নাথ, ৰঞ্জিত বৰা, দীপক নাথ, পংকজ বৰদলৈ প্ৰমুখ্যে কেবাজনো বিশিষ্ট ব্যক্তিয়ে ভাষণ দিয়ে। সভাত স্থানীয় ৰাইজ, বিভিন্ন অনুষ্ঠান -প্ৰতিষ্ঠানে ড০ জোনাৰাম নাথ আৰু তেওঁৰ পত্নী অঞ্জু নাথক সম্বৰ্ধনা জনায়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন